# স্মৃতিগ্ৰন্থ

# পথৰুঘাট

## কৃষক শ্বহীদ দিৱস ঃ ২০২১
## পাথৰিঘাট



# PATHARUGHAT

## SOUVENIR

### KRISHAK SWAHID DIVAS : 2021 : PATHARIGHAT



## মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন, ২০০৫

## *Mahatma Gandhi National Rural Employment Guarantee Act, 2005*

চমুকৈ এম.জি. এনৰেগা (MGNREGA)

"ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন"খন ২০০৫ ৰ ৭ চেপ্টেম্বৰ তাৰিখে ভাৰত চৰকাৰৰ সংসদে গ্ৰহণ কৰাৰ পিছত সমগ্ৰ ভাৰতবৰ্ষতে বলবৎ হৈছে। এই একেই আইনখন পৰৱৰ্তী পৰ্যায়ত সংশোধন ঘটাই "মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন" নামেৰে নামকৰণ কৰা হয়।

### ☞ এই আইনৰ মূল উদ্দেশ্য

গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালৰ প্ৰাপ্তবয়স্ক লোকসকলক এবছৰত কমেও ১০০ দিনৰ মজুৰি ভিত্তিক নিশ্চিত নিয়োগৰ সুবিধাৰে জীৱন ধাৰণৰ নিৰাপত্তা বৃদ্ধি কৰাই হ'ল আইনৰ উদ্দেশ্য।

### ☞ আইনৰ মূল বৈশিষ্ট্য

১। অশৈলীগত শাৰীৰিক কামৰ বাবে আগ্ৰহী গ্ৰামাঞ্চলৰ পৰিয়ালৰ প্ৰাপ্তবয়স্ক সদস্যসকলে পঞ্জীয়নৰ বাবে লিখিত বা মৌখিকভাৱে নিজ এলেকাধীন গাঁও পঞ্চায়তত আবেদন জনাব পাৰে।

২। আবেদন পত্ৰ পৰীক্ষা কৰি গাঁও পঞ্চায়তে জবকাৰ্ড প্ৰদান কৰে। জবকাৰ্ডৰ বাবে কোনো মাচুল আদি নালাগে।

৩। জবকাৰ্ড পোৱাৰ পিছতে হিতাধিকাৰীয়ে ওচৰৰ ডাকঘৰ বা ৰাষ্ট্ৰীয়কৃত বেংক আদিত হিচাপ (একাউন্ট) খুলিব লাগে।

৪। জবকাৰ্ড প্ৰাপ্ত তথা একাউন্ট থকা পৰিয়ালসকলে কাম কৰাৰ বাবে গাঁও পঞ্চায়তত আবেদন কৰিব লগে।

৫। কাম বিচাৰি কৰা আবেদনৰ পিছত গাঁও পঞ্চায়তে ১৫ দিনৰ ভিতৰত নিয়োগ নিশ্চিত কৰিব লাগে।

৬। কাম বিচাৰি কৰা আবেদনৰ পিছত নিয়োগ নিশ্চিত কৰিব নোৱাৰিলে, হিতাধিকাৰীয়ে আইনৰ অধীনত বিধিগত দৈনিক নিবনুৱা ভাট্টা লাভ কৰিব। অৱশ্যে নিবনুৱা ভাট্টা প্ৰদানৰ দায়িত্ব ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত থাকে।

৭। জবকাৰ্ড হিতাধিকাৰীয়ে কামৰ বিনিময়ত মজুৰী হিচাবে দৈনিক ১০০ টকা লাভ কৰিব। কিন্তু ১০০ টকা মজুৰীৰ বিনিময়ত দৈনিক ৮ ঘণ্টা শ্ৰমেৰে নিৰ্দিষ্ট পৰিমাণৰ কাম সম্পাদন কৰিব লাগিব।

৮। মজুৰীসমূহ হিতাধিকাৰীৰ সংশিষ্ট ডাকঘৰ বা বেংক হিচাপত চেক্ যোগে জমা হ'ব।

৯। শ্ৰমিক বাজেটৰ পুঁজিৰ ভিত্তিতহে বাৰ্ষিক কৰ্ম আঁচনিৰ পৰিকল্পনা কৰা হয়।

১০। কৰ্ম আঁচনিসমূহ গাঁওসভাত গৃহীত হোৱাৰ পিছত আঞ্চলিক পঞ্চায়তৰ অনুমোদন ক্ৰমে জিলা পৰিষদে চূড়ান্তকৰণ কৰে।

১১। এই আইন বা আঁচনিৰ অনুমোদিত আঁচনিসমূহ হ'ল ঃ
(ক) জল সংৰক্ষণ আৰু জলনিষ্কাষণ। (খ) খৰাং অঞ্চলৰ বাবে বনানিকৰণ। (গ) ভূমি উন্নয়ন ও বৃক্ষৰোপণ। (ঘ) কৃষি উপযোগী জলসিঞ্চন। (ঙ) পুৰণিকলীয়া জলাশয় আদি পুনঃনিৰ্মাণ। (চ) বান প্ৰতিৰোধৰ আঁচনি। (ছ) গ্ৰাম্য যোগাযোগৰ বাবে সকলো বতৰৰ উপযোগী গ্ৰাম্য পথ নিৰ্মাণ। (জ) অনুসূচিত জাতি/জনজাতি, বি.পি.এল. বা ভূমিসংস্কাৰ, আই.এ.ওৱাই হিতাধিকাৰীৰ ভূমিত জলসিঞ্চন, ফলমূলৰ বাগিচা নিৰ্মাণ বা ভূমি উন্নয়নৰ আঁচনি।

১২। বছৰেকীয়া কৰ্ম আঁচনিত ধাৰ্য্য কৰা অতি কমেও ৫০ শতাংশ কাম গাঁও পঞ্চায়তে সম্পন্ন কৰিব। বাকী ৫০ শতাংশ কাম আঞ্চলিক পঞ্চায়ত বা অন্যান্য ৰূপায়ণকাৰী সংস্থাসমূহে সম্পাদন কৰিব। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হোৱা শ্ৰমিক নিয়োজন আৰু যাৱতীয় নথি পত্ৰ গাঁও পঞ্চায়তে ৰাখিব।

১৩। কাম ৰূপায়ণৰ ক্ষেত্ৰত কোনো মধ্যভোগী বা যন্ত্ৰপাতিৰ প্ৰয়োগ নহ'ব।

১৪। প্ৰত্যেকটো কামৰ বিপৰীতে একোখনকৈ তদাৰক ও পৰ্যবেক্ষণ সমিতি থাকিব।

১৫। সামাজিক হিচাপ পৰীক্ষণৰ যোগেদি কামসমূহৰ গুণাগুণ ও খতিয়ান গাঁও সভাত দাখিল কৰা হ'ব।

১৬। এম.আই.এচ (MIS) সম্পূৰ্ণ কৰিহে শ্ৰমিক মজুৰী আৰু সা-সামগ্ৰীৰ দেয়ক আদিৰ টকা প্ৰদান কৰা হ'ব।

১৭। বিতং তথ্য জানিবৰ বাবে সংশিষ্ট গাঁও পঞ্চায়তৰ কাৰ্যালয় বা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিব পাৰে।

এই আইন গঞ্জা ৰাইজৰ স্বাৰ্থত যথাৰ্থভাৱে ৰূপায়ণ কৰিবৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ পৰা পূৰ্ণ সহায়- সহযোগিতা আৰু পৰামৰ্শ কামনা কৰা হ'ল।

## প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ

### (PMAY-G)

গ্ৰামাঞ্চলত আৱাস গৃহৰ অভাৱ পূৰণ কৰিবলৈ ২০২২ চনৰ ভিতৰত "সকলোৰে বাবে ঘৰ"ৰ চৰকাৰে দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ ২০১৬ চনৰ পহিলা এপ্ৰিলৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (PMAY-G) আঁচনিখন ৰূপয়াণ কৰিবলৈ লোৱা হৈছে। এই আঁচনিখনৰ উদ্দেশ্য হৈছে— স্থানীয় সম্পদ ব্যৱহাৰ কৰি বিশেষভাৱে প্ৰশিক্ষিত ৰাজমিস্ত্ৰীৰে গ্ৰামাঞ্চলৰ গৃহহীন লোকসকলৰ বাবে অনুমোদিত নিৰ্দিষ্ট আৰ্হিৰ ন্যূনতম ২৭০ বৰ্গফুট আকাৰৰ উন্নত মানৰ আৱাস গৃহ নিৰ্মাণ কৰা।

**হিতাধিকাৰী বাছনি ঃ**

- আৰ্থ-সামাজিক আৰু জাতি পিয়ল অনুসৰি গৃহহীন পৰিয়ালসমূহক হিতাধিকাৰী হিচাপে চিনাক্ত কৰি এই আঁচনিখনৰ অন্তৰ্ভুক্ত কৰা হৈছে।
- আৰ্থ-সামাজিক আৰু জাতি পিয়ল (SECC), ২০১১ ৰ ভিত্তিত প্ৰস্তুত কৰা যোগ্য হিতাধিকাৰীৰ তালিকাখন গাঁও পঞ্চায়ততে চূড়ান্ত কৰিব লাগে।
- যোগ্য বিবেচিত হোৱা তথা অগ্ৰাধিকাৰৰ তালিকাখনৰ পৰা বাদ পৰা পৰিয়ালসমূহলৈ গাঁও পঞ্চায়ততে গাঁওসভাৰ জৰিয়তে এখন অতিৰিক্ত তালিকা প্ৰস্তুত কৰিব।
- নিৰ্দিষ্ট লক্ষ্যৰ ৬০% অনুসূচিত জাতি-জনগোষ্ঠীৰ বাবে আৱণ্টন কৰা হয়।
- ১৫% সংখ্যালঘু লোকৰ বাবে আৱণ্টন কৰা হয়।
- ৩% বিশেষভাৱে সক্ষম লোকসকলৰ বাবে আৱণ্টন কৰা হয়।

**প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G)ৰ সুবিধাসমূহ**

- গৃহ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ১,৩০,০০০.০০ টকাৰ বিত্তীয় সাহায্য।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (MGNREGA) ৰ অধীনত গৃহ নিৰ্মাণৰ বাবে ৯৫ দিনৰ অকুশলী শ্ৰমিকৰ মজুৰী পোৱাৰ ব্যৱস্থা।
- প্ৰতিটো একক গৃহত শৌচালয় নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ১২,০০০ টকাৰ অতিৰিক্ত বিত্তীয় সাহায্য প্ৰদান।
- হিতাধীকাৰীসকলক ৭০,০০০.০০ টকা পৰ্যন্ত ঋণদানৰ এক বিকল্প ব্যৱস্থা।

**প্ৰতিটো ঘৰৰ লগত থাকিব লগা ব্যৱস্থাসমূহ ঃ**

- দীন দয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা (DDUGY) ৰ অধীনত বিনামূলীয়া বিদ্যুৎ সংযোগ।
- প্ৰধানমন্ত্ৰী উজ্বলা যোজনা (PMUY) ৰ অধীনত এল পি জি সংযোগ।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত ঘৰৰ পিছফালে কলৰ বাগিছা নিৰ্মাণ।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত পশু-পক্ষী পালন।
- পদ-পথ নিৰ্মাণ, সংযোগী পথ নিৰ্মাণ অথবা ঘৰলৈ উঠা চিৰি নিৰ্মাণ, ভূমি সংৰক্ষণ আৰু সুৰক্ষামূলক কাৰ্য।
- স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ)/চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদান/মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত গোটা আৰু পনীয়া আৱৰ্জনাৰ ব্যৱস্থাপনা।
- প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীয়ে নিজেই নিজৰ গৃহ নিৰ্মাণ কৰিব আৰু কোনো ঠিকাদাৰ নিয়োগ কৰিব নোৱাৰিব। প্ৰথমটো কিস্তি মুকলি কৰি দিয়াৰ ৬ মাহৰ ভিতৰত গৃহ সম্পূৰ্ণ কৰিব লাগিব।
- সবিশেষ জানিবলৈ নিকটবৰ্তী গাঁও পঞ্চায়তৰ কাৰ্যালয়, উন্নয়ন খণ্ড অথবা জিলা গ্ৰামীণ বিকাশ অভিকৰণ বিষয়াৰ লগত যোগাযোগ কৰক।

প্ৰকল্প সঞ্চালক
জিলা গ্ৰামীণ বিকাশ অভিকৰণ, দৰং

# পথৰুঘাট

## স্মৃতিগ্ৰন্থ

### কৃষক শ্বহীদ দিৱস ঃ ২০২১ খ্ৰীষ্টাব্দ

(১৮৯৪ চনৰ পথৰুঘাটৰ ৰণৰ মহান শ্বহীদসকলৰ সশ্ৰদ্ধ সোঁৱৰণত)

২৭ আৰু ২৮ জানুৱাৰী, ২০২১
পাথৰিঘাট ঃ দৰং (অসম)

# PATHARUGHAT

## SOUVENIR

### KRISHAK SWAHID DIVAS : 2021

27 & 28 January, 2021
Patharighat : Darrang (Assam)

President : Kamalakanta Deka
Editor : Akhil Ranjan Bhatta
Associate Editor : Mostak Hussain

সভাপতি ঃ কমলাকান্ত ডেকা
সম্পাদক ঃ অখিল ৰঞ্জন ভট্ট
সহযোগী সম্পাদক ঃ মোস্তাক হুছেইন

**Patharughat** : A souvenir published on the occasion of the Krishak Swahid Divas-2021, published by Darrang District Administration and edited by Akhil Ranjan Bhatta.
Printed at N.G. Printers, Sipajhar, Darrang.
Date of Publish : 28th January, 2021




প্ৰকাশক ঃ দৰং জিলা প্ৰশাসন
প্ৰকাশ ঃ ২৮ জানুৱাৰী, ২০২১
অংগসজ্জা ঃ সম্পাদনা সমিতি
প্ৰচ্ছদ লিপি ঃ শ্ৰীকমলাকান্ত ডেকা

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ শ্ৰীবিনন্দ কুমাৰ শইকীয়া, বিধায়ক, ছিপাঝাৰ বিধান সভা সমষ্টি
শ্ৰীদিলীপ কুমাৰ বৰা, আই.এ.এছ, উপায়ুক্ত, দৰং
উপদেষ্টা ঃ শ্ৰীপংকজ কুমাৰ ডেকা, এ.চি.এছ., অতিৰিক্ত উপায়ুক্ত, দৰং
শ্ৰীঅমৰজ্যোতি নাথ, চক্ৰ বিষয়া, পাথৰিঘাট ৰাজহ চক্ৰ
মিচেছ জোৱাহিৰা তাবাচ্ছুম, ভাৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক, দৰং জিলা সংমণ্ডল
শ্ৰীমণিমালা গগৈ, তথ্য আৰু জনসংযোগ বিষয়া, দৰং
শ্ৰীকুলেন্দ্ৰ নাথ ডেকা, প্ৰাক্তন অধ্যক্ষ, পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়
শ্ৰীপদ্ম কুমাৰ দাস, প্ৰাক্তন প্ৰধান শিক্ষক, পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়
সভাপতি ঃ শ্ৰীকমলাকান্ত ডেকা
সম্পাদক ঃ শ্ৰীঅখিল ৰঞ্জন ভট্ট
সহযোগী সম্পাদক ঃ মঃ মোস্তাক হুছেইন
সদস্য ঃ শ্ৰীসংৰাম ডেকা
শ্ৰীসত্যবান ডেকা
শ্ৰীপাৰুল শৰ্মা

ছপা ঃ এন.জি. প্ৰিণ্টাৰ্চ, ছিপাঝাৰ, দৰং - ৬০০৩৫৬৯৩৮৮

ঘোষণা ঃ এই স্মৃতিগ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধসমূহত প্ৰতিফলিত মতামতসমূহ লেখকসকলৰ নিজা।
এই মতামতসমূহে গ্ৰন্থখনৰ সম্পাদক অথবা প্ৰকাশক তথা চৰকাৰৰ মতাদৰ্শ প্ৰতিফলিত নকৰে।

# শ্ৰদ্ধাঞ্জলি



খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ খ্ৰীষ্টাব্দৰ ২৮ জানুৱাৰীত
ব্ৰিটিছৰ গুলীত পথৰুঘাটত প্ৰাণ বলিদান দিয়া
মৰণ বিজয়ী কৃষক শ্বহীদসকলৰ সোঁৱৰণত
আন্তৰিক শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হ'ল।

পথৰুঘাট ৰণৰ অমৰ কৃষক শ্বহীদৰ সাহস আৰু ত্যাগেৰে
প্ৰদীপ্ত বন্তিগছিয়ে পোহৰৰ পথ দেখুৱাব
দিনৰ পিছত দিন...
কালৰ পিছত কাল...

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

**সৰ্বানন্দ সোণোৱাল**

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



দিছপুৰ
২৩-০১-২০২১

## শুভেচ্ছাবাণী

দৰং জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৮ জানুৱাৰীত পথৰুঘাটত কৃষক শ্বহীদ দিৱস পালন কৰাৰ বাবে প্ৰস্তুতি চলাইছে বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো। কৃষক শ্বহীদৰ ত্যাগ আৰু স্বদেশ প্ৰেমৰ বিভিন্ন দিশ আলোকপাত কৰি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে যো-জা কৰাটো প্ৰশংসনীয়।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত পথৰুঘাটৰ ৰণ এক স্মৰণীয় অধ্যায়। কৃষকসকলৰ এই ৰণ আছিল ব্ৰিটিছৰ কু-শাসনৰ বিৰুদ্ধে এক বিদ্ৰোহ। কৃষকৰ প্ৰতিবাদী সত্তাই প্ৰমাণ কৰিছিল আমাৰ কৃষক সমাজৰ শক্তি আৰু সামৰ্থ্য। শোষণ আৰু বঞ্চনাৰ জীৱন্ত দলিল, ত্যাগ আৰু দুৰন্ত সাহসৰ প্ৰতিভূ পথৰুঘাটৰ ৰণ সমন্বয়ৰো এক জলন্ত নিদৰ্শন। এই বিপ্লৱে দিয়া চেতনাই ভাৰতৰ স্বাধীনতা সংগ্ৰামক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। পথৰুঘাটৰ কৃষক বিদ্ৰোহ স্বাধীনতাকামী কৃষকৰ এক মুক্ত আৰু স্বতঃস্ফূৰ্ত প্ৰকাশ আছিল। স্বদেশৰ হকে প্ৰাণ ত্যাগ কৰা নিৰীহ কৃষকসকল দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন দেখুৱাই থৈ গৈছে। এই শ্বহীদসকলৰ দেশ প্ৰেমৰ আদৰ্শ চিৰস্মৰণীয় হৈ থাকিব। আমাৰ নতুন প্ৰজন্মই কৃষক শ্বহীদসকলৰ ত্যাগ আৰু দেশ প্ৰেমৰ আদৰ্শৰে আগুৱাই যাব লাগিব। আশা কৰোঁ, কৃষক শ্বহীদ দিৱস উদ্‌যাপনে আমাক সকলোকে স্বদেশ প্ৰেমৰ ভাৱধাৰাৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাব।

মই কৃষক শ্বহীদ দিৱস পালনৰ সকলো কাৰ্যসূচীৰে সফলতা কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখন সকলোতে সমাদৃত হ'ব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

**ডঃ হিমন্ত বিশ্ব শৰ্মা**, এল.এল.বি.
মন্ত্ৰী, অসম

বিত্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা,
ৰূপান্তৰণ আৰু উন্নয়ন, লোক নিৰ্মাণ বিভাগ

সত্যমেব জয়তে



## শুভেচ্ছাবাণী

ঐতিহাসিক পথৰুঘাটৰ ৰণৰ শ্বহীদ কৃষকসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে অহা ২৮ জানুৱাৰী, ২০২১ ইং তাৰিখে পাথৰিঘাটত কৃষক শ্বহীদ দিৱসৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো। এই উপলক্ষে এখনি স্মৰণিকাও প্ৰকাশ পাব বুলি জানি সুখী হৈছো।

১৮৯৪ চনৰ পথৰুঘাটৰ ৰণ অকল অসমৰেই নহয়, সমগ্ৰ দেশৰ ইতিহাসৰেই এক স্বৰ্ণিল অধ্যায়। পথৰুঘাটৰ কৃষক বিদ্ৰোহ আছিল বিদেশী শাসকৰ অন্যায় আচৰণ, শোষণ আদিৰ বিৰুদ্ধে কৃষকে কৰা সাহসী প্ৰতিবাদৰ উজ্জ্বল চানেকী। বিদেশী শাসকৰ শোষণৰ বিৰুদ্ধে তৃণমূল পৰ্যায়ৰ লোকক ব্যাপকভাৱে সচেতন কৰিবলৈ সক্ষম হৈছিল এই পথৰুঘাটৰ ৰণে। আশা ৰাখিছো এই দিৱস উদ্‌যাপনে কৃষক শ্বহীদসকলৰ সেই অমৰগাঁথা আকৌ এবাৰ সোঁৱৰাই দিয়াৰ লগতে সকলোকে দেশপ্ৰেমৰ ভাৱধাৰাৰে উদ্বুদ্ধ কৰিবলৈ সক্ষম হ'ব।

কৃষক শ্বহীদ দিৱসৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰাৰ লগতে শ্বহীদ কৃষকসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম তথা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

(ডঃ হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক, তৃতীয় মহলা, জনতা ভৱন, দিছপুৰ, গুৱাহাটী- ৭৮১০০৬ (অসম)
দূৰভাষ নং ঃ (০৩৬১) ২২৩৭৩১৫, ফেক্স ঃ ০৩৬১-২২৩৭০১২
ই-মেইল ঃ himantab@hotmail.com/ himantabsarmaoffice@gmail.com

**Atul Bora**
**Minister**
Agriculture, Horticulture &
Food Processing, Aminal Husbandry
& Veterinary

সত্যমেব জয়তে

**GOVERNMENT OF ASSAM**



## শুভেচ্ছাবাণী

দৰঙৰ ঐতিহাসিক পথৰুঘাটত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত মৃত্যুবৰণ কৰা কৃষক বীৰ শ্বহীদসকলৰ সশ্ৰদ্ধ সোঁৱৰণত এইবেলিও দৰং জিলা প্ৰশাসনে কৃষক শ্বহীদ দিৱসৰ আয়োজন কৰাৰ বাতৰি পাই আনন্দিত হৈছো।

পথৰুঘাটৰ অমৰ কৃষক ছহিদসকলৰ পুণ্য স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো। কৃষক বীৰ শ্বহীদসকল আমাৰ বাবে আদৰ্শৰ অক্ষয় বন্তি। সেই সকল শ্বহীদে সাহসেৰে ব্ৰিটিছৰ বিৰুদ্ধে প্ৰতিবাদ কৰি যি প্ৰেৰণা আমাক দি থৈ গ'ল সেয়া সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ।

অহা ২৮ জানুৱাৰী তাৰিখে পাথৰিঘাটত অনুষ্ঠিত হ'বলগীয়া উক্ত কৃষক শ্বহীদ দিৱসৰ সকলো কাৰ্যসূচীৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিছো। এই অনুষ্ঠানটিৰ জৰিয়তে কৃষক বীৰসকলক শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰাত নিশ্চয় আমি সফল কাম হ'ম হক।

সংহতি আৰু সমন্বয়ৰ তীৰ্থ পথৰুঘাটৰ কৃষক শ্বহীদ দিৱসৰ পৱিত্ৰ দিনত আটাইলৈকে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিবলগীয়া স্মৃতিগ্ৰন্থৰ প্ৰতিও আন্তৰিক শুভেচ্ছা জনালো।

২৩ জানুৱাৰী, ২০২১

(অতুল বৰা)

---

**DILIP SAIKIA**
Member of Parliament
(Lok Sabha)
Mangaldoi - Assam

MEMBER :
• Standing Committee on Petroleum & Natural Gas
• Consultative Committee on Commerce and Industry

সত্যমেব জয়তে

82, South Avenue, New Delhi - 110 011
Telefax : 011-23011035
Mobile : +91-9101910213, 9435102073
E-mail : saikia.dilip@sansad.nic.in

Ward No.9, Bhebarghat M.B. Road,
PO-Mangaldoi, PS-Mangaldoi-784125
Dist. Darrang. Assam
E-mail : dilipvcnyks@gmail.com



## শুভেচ্ছাবাণী

১৮৯৪ চনৰ ২৮ জানুৱাৰীত ব্ৰিটিছৰ অন্যায় খাজনা তোষণৰ প্ৰতিবাদকল্পে দৰঙৰ ঐতিহ্যমণ্ডিত পথৰুঘাটত প্ৰাণ বিসৰ্জন দিয়া সাতকুৰি কৃষক বীৰ শ্বহীদৰ পূত-পৱিত্ৰ সোঁৱৰণত অহা ২৮ জানুৱাৰীত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো দৰং জিলা প্ৰশাসনে কৃষক শ্বহীদ দিৱস আয়োজন কৰা অনুষ্ঠানৰ ইতিমধ্যে বাতৰি পাইছো। নিৰস্ত্ৰ কৃষকসকলে ব্ৰিটিছৰ বন্দুকৰ গুলীকো ভয় নকৰি সাহসেৰে যি প্ৰতিবাদ গঢ়ি তুলিছিল, সেয়া ভাৰত বুৰঞ্জীৰ এক আলোক-উজ্জ্বল অধ্যায়।

কৃষক বিদ্ৰোহেৰে খ্যাত পথৰুঘাট এফালে কৃষক ৰাইজৰ প্ৰতিবাদী কণ্ঠৰ স্বৰ্ণ স্বাক্ষৰ আৰু আনফালে ই সংহতি আৰু সমন্বয়ৰো উজ্জ্বল চানেকি। সেইসকল অমৰ কৃষক শ্বহীদ আমাৰ বাবে সদায় অন্তহীন প্ৰেৰণাৰ উৎস। কৃষক শ্বহীদ দিৱসৰ পৱিত্ৰ ক্ষণত শ্বহীদসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো।

কৃষক শ্বহীদ দিৱসৰ প্ৰতিটো কাৰ্যসূচীৰে সৰ্বাংগীণ সাফল্য কামনা কৰাৰ লগতে দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিবলগীয়া স্মৃতিগ্ৰন্থখনিৰ জৰিয়তে দৰংবাসী ৰাইজলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

(দিলীপ শইকীয়া)
২৩ জানুৱাৰী, ২০২১

**বিনন্দ কুমাৰ শইকীয়া**
বিধায়ক, ছিপাঝাৰ বিধান সভা সমষ্টি

সত্যমেৱ জয়তে

**আৱাস নং -ডি-৪**
পুৰণি বিধায়ক নিৱেশ, দিছপুৰ, অসম
ই-মেইলঃ binandasaikia@sify.com




## শুভেচ্ছাবাণী

কৃষক বিদ্ৰোহেৰে ধন্য পথৰুঘাট ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আৰম্ভণি পৰ্বৰ এটিৰ গৌৰৱোজ্জ্বল অধ্যায়। বৃটিছৰ অন্যায় খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰি ১৮৯৪ চনৰ ২৮ জানুৱাৰীত পথৰুঘাটত প্ৰাণ বলিদান দিয়া সাতকুৰি হিন্দু-মুছলমান কৃষক বীৰ শ্বহীদৰ পবিত্ৰ সোঁৱৰণত এইবেলিও চৰকাৰীভাৱে দৰং জিলা প্ৰশাসনৰ উদ্যোগত ঐতিহাসিক পাথৰিঘাটত অহা ২৭ আৰু ২৮ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে কৃষক শ্বহীদ দিৱসৰ আয়োজন কৰা হৈছে। এই কথাত ব্যক্তিগতভাৱে মই অতিকৈ আনন্দ আৰু গৌৰৱবোধ কৰিছো। এয়া পথৰুঘাটৰ ঐতিহ্য সচেতনসকলৰ বাবেই নহয়; ৰাজ্যবাসীৰ বাবেই ইয়ে আশাৰ বতৰা বহন কৰিছে। দীৰ্ঘদিন ধৰি পথৰুঘাটৰ ৰণৰ ঘটনাক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উপযুক্ত স্থান দিয়াৰ বাবে আমি যথেষ্ট চিন্তা-চৰ্চা আৰু উদ্যোগ হাতত লৈ আহিছো। পথৰুঘাটৰ ৰণৰ শতবাৰ্ষিকী (১৯৯৪) অনুষ্ঠানতো আমি নিজে আগভাগ লৈ ভাৰতৰ সুপ্ৰসিদ্ধ সাংবাদিক কুলদীপ নায়াৰদেৱক আমন্ত্ৰণ জনাই পথৰুঘাটক ইতিহাসত যোগ্যস্থান দিবলৈ চেষ্টা কৰিছিলো। পৰৱৰ্তী সময়তো ৰাজনীতিত যোগদান কৰিও পথৰুঘাটৰ ৰণৰ উপযুক্ত মূল্যায়নৰ লগতে বৃহত্তৰ পথৰুঘাটৰ উন্নয়ন কল্পে যৎপৰোনাস্তি পদক্ষেপ গ্ৰহণ কৰিছো। পথৰুঘটীয়া ৰাইজৰ আগত এই বিষয়ে বহলাই কোৱা নিষ্প্ৰয়োজন।

পৰিবৰ্তনৰ প্ৰত্যাশাৰে অসমৰ জনতাই জাতি, মাটি আৰু ভেটিৰ স্বাৰ্থত শাসনাধিষ্ঠিত কৰা মাননীয় শ্ৰীসৰ্বানন্দ সোণোৱালদেৱৰ নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰে শাসন ভাৰ হাতত লৈয়ে পথৰুঘাটৰ ৰণৰ ঘটনাক যথেষ্ট গুৰুত্ব সহকাৰে যিদৰে গ্ৰহণ কৰিছে সেয়া যথাৰ্থতে তাৎপৰ্যপূৰ্ণ। পথৰুঘাটৰ কৃষক শ্বহীদৰ সমাধি ক্ষেত্ৰ নিৰ্মাণৰ আধৰুৱা সপোন পূৰোৱাৰ ক্ষেত্ৰত ৰাজ্যৰ পৰিবৰ্তনকামী চৰকাৰে যি দূৰদৰ্শিতাৰে কাৰ্যব্যৱস্থা হাতত লৈছে সেয়া নিশ্চয় প্ৰশংসনীয়। পথৰুঘাটক পৰ্যটনৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰিবলৈ হ'লে আৰু কেতবোৰ অভিলাষী আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰিব লাগিব। সমাধি ক্ষেত্ৰক বিস্তৃত আৰু দৃষ্টিনন্দন ৰূপত গঢ়ি তোলাৰ লগতে পথৰুঘাট সম্পৰ্কীয় ভিন্ন ভাষাৰ গ্ৰন্থৰ উপৰি স্থাপত্য-ভাস্কৰ্যৰ ব্যৱস্থা হাতত ল'ব লাগিব। সুখৰ বিষয় যে পথৰুঘাটত পৰ্যটকৰ বাবে কলা-কৃষ্টিৰ এটি আপুৰুগীয়া সংগ্ৰহালয় স্থাপনৰ কাম ইতিমধ্যে শুভাৰম্ভণি হৈছে। তাৰোপৰি এইবেলি মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালদেৱে পাথৰিঘাটত সংহত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰ শুভ উদ্বোধন কৰিব। আনহাতে পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁঠনিৰ লগতে চৌহদত ৰাজহুৱা সেৱা কেন্দ্ৰ, পাথৰিঘাট পৰিদৰ্শন বঙলাৰ নৱ ৰূপত উন্নীতকৰণ আদি বিশেষভাৱে পথৰুঘাটৰ বাবে উল্লেখনীয় দিশ। পথৰুঘাট অঞ্চলটোৰ অন্যান্য দিশবোৰৰ উপৰি কৃষি ব্যৱস্থাৰ উন্নয়ন সাধনৰ বাবে বিশেষ কাৰ্য আঁচনি ৰূপায়ণ কৰি সাতকুৰি মৃত্যুঞ্জয়ী কৃষক শ্বহীদৰ সপোন বাস্তবায়িত কৰিবলৈ প্ৰয়াস কৰা হৈছে। ২০১৭ বৰ্ষৰ পিছত পথৰুঘাটত মুখ্যমন্ত্ৰী মহোদয়ে কৃষক শ্বহীদ দিৱসত এইবেলি ভাগলোৱাটো বিশেষভাৱে অঞ্চলটোৰ বাবে গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। আমি আশা কৰিম কৃষকৰ শোণিতসিক্ত পথৰুঘাটক আমি নৰূপত সজাই তুলিব পাৰিম।

আজি কৃষক শ্বহীদ দিৱসৰ পবিত্ৰ মুহূৰ্তত উন্নতশিৰে বুকুত গুলী পাতি মৃত্যুবৰণ কৰা কৃষক শ্বহীদসকলৰ পুণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো। কৃষক শ্বহীদ দিৱস উপলক্ষে সংশ্লিষ্ট সকলোলৈ আন্তৰিক শুভকামনা জনাইছো আৰু দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশিতব্য স্মৃতিগ্ৰন্থৰ প্ৰতিও শুভেচ্ছা জ্ঞাপন কৰিছো।

(বিনন্দ কুমাৰ শইকীয়া)
২৩ জানুৱাৰী ২০২১


**GURUJYOTI DAS**
**MLA,** Assam
67 No. Mangaldai LAC
Vill. : Bor Arreng, P.O. : Howly Mohanpur
P.S. : Mangaldai, Dist. : Darrang
Pin : 784529

সত্যমেৱ জয়তে

Phone : 98643 30900
gurujyotidas@gmail.com
Qr. 57, Old MLA Hostel
Dispur, Guwahati-5, Assam




## শুভেচ্ছাবাণী

'১২৭ সংখ্যক কৃষক শ্বহীদ দিৱস'ত সকলো কৃষক শ্বহীদলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ, ১৯১৯ চনৰ জালিৱানাৱালাবাগৰ হত্যাকাণ্ড ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ। চিপাহী বিদ্ৰোহৰ পিছতে ১৮৯৪ চনত অন্য এখন কৃষক বিদ্ৰোহে সেই সময়ৰ স্বাধীনতা আন্দোলনলৈ নমাত্ৰা প্ৰদান কৰিছিল। সেই সময়ত মিডিয়াৰ বহুল প্ৰচাৰ নথকাৰ বাবে মানুহৰ মুখে মুখে 'ডলিৰ পুৰাণ' ৰূপে এই বিষয়ে প্ৰচাৰ হৈছিল। কলিকতাস্থিত অমৃতবাজাৰ পত্ৰিকাকে ধৰি নগণ্য সংখ্যক বাতৰি কাকততহে এই বিষয়ে প্ৰচাৰ হৈছিল। সেয়া আছিল দৰং জিলাৰ পথৰুঘাটস্থিত 'কৃষক বিদ্ৰোহ বা 'পথৰুঘাটৰ ৰণ'। জালিৱানাৱালাবাগৰ হত্যাকাণ্ডৰ দৰেই পথৰুঘাটৰ ৰণৰো বহুল প্ৰচাৰৰ প্ৰয়োজনৰ বাবেই অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালদেৱৰ নেতৃত্বত অসম চৰকাৰৰ দ্বাৰা কৃষক শ্বহীদ দিৱস আড়ম্বৰপূৰ্ণভাৱে পতাতো যথেষ্ট ইতিবাচক খবৰ।

সাতকুৰি শ্বহীদ আৰু ডেৰশতকৈয়ো অধিক লোক আঘাতপ্ৰাপ্ত হোৱা পথৰুঘাটৰ ৰণৰ স্মৃতিত চৰকাৰীভাৱে আয়োজিত "১২৭ সংখ্যক কৃষক শ্বহীদ দিৱস'ৰ সফলতাৰ বাবে মোৰ শুভকামনা জনালোঁ। ইয়াৰ সৈতে সংগতি ৰাখি প্ৰকাশ পাবলগা স্মৃতিগ্ৰন্থ "পথৰুঘাট'ত পথৰুঘাটৰ তথ্যসম্বলিত ইতিহাস প্ৰকাশ পাব বুলি আশা কৰিলোঁ।

২৫ জানুৱাৰী, ২০২১

(গুৰুজ্যোতি দাস)

**Shri Akash Deep, IAS**
Commissioner & Secretary to Govt. of Assam
& **Director** of Agriculture, Assam
Khanapara, Guwahati - 22

Phone : 0361-2332215 (O)
Mobile : 94739 94664
e-mail : agri-dept@nic.in

সত্যমেৱ জয়তে



## শুভেচ্ছাবাণী

১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ব্ৰিটিছৰ খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ প্ৰাণ আহুতি দিয়া সাতকুৰি অমৰ বীৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও দৰং জিলা প্ৰশাসনে কৃষক শ্বহীদ দিৱসৰ আয়োজন কৰা বুলি জানিব পাৰি সুখী হৈছো। ইয়াৰ লগতে সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰিছো। স্মৃতিগ্ৰন্থখনিত সন্নিৱিষ্ট ৰচনাৰাজিয়ে আমাৰ উঠি অহা প্ৰজন্মক দেশ প্ৰেমৰ ভাৱনাৰে উদ্বেলিত কৰিব বুলি বিশ্বাস কৰো।

কৃষক শ্বহীদ দিৱসৰ সৈতে জড়িত কৃষি বিভাগ আৰু জিলা প্ৰশাসনৰ সমূহ বিষয়া-কৰ্মচাৰীৰ লগতে আঞ্চলিক ৰাইজলৈ মই আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনালোঁ। মই কৃষক শ্বহীদ দিৱস অনুষ্ঠানৰ সফলতা কামনা কৰিলোঁ।

২৪ জানুৱাৰী, ২০২১

(আকাশ দীপ)

---

***Dilip Kumar Borah,*** IAS
Deputy Commissioner & DM
Darrang, Mangaldai, Assam

Ph. No. 03713-222135 (O)
222138 (R)
94350-54171 (Mob)
Email : dcdarrang@gmail.com
borah.dilipkumar1@gmail.com

সত্যমেৱ জয়তে



অসম চৰকাৰ

# উপায়ুক্তৰ কাৰ্যালয়

দৰং ঃ মঙলদৈ

## শুভেচ্ছাবাণী

ঐতিহাসিক পথৰুঘাট ৰণত প্ৰাণ বলিদান দিয়া কৃষক শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত দৰং জিলা প্ৰশাসনৰ উদ্যোগত পথৰুঘাটৰ কৃষক শ্বহীদ সমাধি ক্ষেত্ৰত অহা ২৭ আৰু ২৮ জানুৱাৰী তাৰিখে কৃষক শ্বহীদ দিৱস উদ্‌যাপনৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে দৰংবাসী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছো। আশা কৰোঁ সকলোৰে সহায়-সহযোগত অনুষ্ঠানটি সাফল্যমণ্ডিত হ'ব।

কৃষক শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰো ব্যৱস্থা কৰা হৈছে। স্মৃতিগ্ৰন্থখনিয়ে পথৰুঘাট ৰণৰ দলিল হিচাপে ভূমিকা গ্ৰহণ কৰাৰ লগতে কৃষক শ্বহীদসকলক যথাৰ্থভাৱে শ্ৰদ্ধা জনোৱাত সফলকাম হ'ব বুলি আশা কৰি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(দিলীপ কুমাৰ বৰা)
উপায়ুক্ত
দৰং ঃ মঙলদৈ

# সম্পাদকীয়...



সেয়া আছিল ১৮৯৪ চনৰ ২৮ জানুৱাৰী। সিদিনা পথৰুঘাটত কৃষকৰ প্ৰতিবাদে ধাৰণ কৰিছিল ভয়ংকৰ ৰূপ। ব্ৰিটিছৰ খাজনা বৃদ্ধিৰ বিৰুদ্ধে হিন্দু-মুছলমানে একতাৰ মধুমন্ত্ৰ জপি দেখুৱাইছিল সাহস আৰু স্বাধীনতা প্ৰেম, উৰুৱাইছিল ঐক্য-সম্প্ৰীতিৰ সোণালী নিচান। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত সাতকুৰি কৃষক শ্বহীদে আত্মোৎসৰ্গৰ ইতিহাস ৰচনা কৰা বীৰভূমি পথৰুঘাট। এই পথৰুঘাটৰ ৰণ বা কৃষক বিদ্ৰোহ যুগ যুগ ধৰি মানুহৰ মনত জাতীয় চেতনাৰ দিশত অন্তহীন প্ৰেৰণাৰ উৎস হৈ আহিছে। পথৰুঘাটৰ ৰণৰ ঘটনাই মানসপটত যি সুগভীৰ ছাপ বহুৱাই আহিছে তাৰ ফলতেই গীত-পদ, কবিতা, উপন্যাস আদিতো পথৰুঘাটে হৃদয়সংবেদী ৰূপত বাঙ্ময় ৰূপ লাভ কৰিছে। ইতিহাস চৰ্চাকাৰীসকলেও পথৰুঘাটত ব্ৰিটিছক অৰ্থনৈতিক শোষণৰ বিৰুদ্ধে সৃষ্ট বিদ্ৰোহক যথেষ্ট গুৰুত্ব দি ইতিহাসত যথোপযুক্ত স্থান প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে পাঠ্যপুথিতো পথৰুঘাটৰ কৃষক বিদ্ৰোহে শেহতীয়াভাৱে হ'লেও স্থান লাভ কৰাটো নিশ্চিতৰূপে আদৰণীয়। সাহিত্যৰ মাধ্যম ৰূপে নৰোত্তম ৰচিত 'দলিপুৰাণ'কে ধৰি ভালেমান নিৰ্মিতিয়ে যেনেদৰে পথৰুঘাটক উদ্ভাসিত কৰে; তেনেকৈ ইতিহাসৰ এটি গুৰুত্বপূৰ্ণ অধ্যায়ৰূপে পথৰুঘাটে গৌৰৱৰ দাবী কৰিব পাৰে।

পথৰুঘাটৰ ৰণে চাওঁতে চাওঁতে ইতিমধ্যে ছকুৰিৰো অধিক বছৰ অতিক্ৰম কৰিলে। বছৰৰ হিচাপত এই সময় বহু দীঘলীয়া। এই দীঘলীয়া সময়ত ইতিহাসপ্ৰসিদ্ধ পথৰুঘাটৰ ঘটনাই যি স্বীকৃতি লাভ কৰিব লাগিছিল, পথৰুঘাটে যি ৰূপ-ৰং লাভ কৰিব লাগিছিল সেয়া হৈ নুঠিল। বিশেষকৈ ভাৰতৰ স্বাধীনতাৰ পিছত জাতীয় চৰকাৰৰ দিনত স্বাধীনতা সংগ্ৰামতো বিশেষ প্ৰেৰণা যোগোৱা পথৰুঘাটৰ ৰণে যি স্বীকৃতি পাব লাগিছিল সেয়াও সুদূৰ পৰাহত হৈ থাকিল। পথৰুঘাট বা দৰংবাসী ৰাইজে ৰণৰ ঘটনাৰ যথাযথ স্থানপ্ৰাপ্তিৰ বাবে দীৰ্ঘদিনে কৃষক শ্বহীদ দিৱস অনুষ্ঠিত কৰি চৰকাৰৰ দৃষ্টিগোচৰ কৰি আহিছে। এইক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাই লোৱা ভূমিকাও বিশেষভাৱে স্মৰণযোগ্য। অৱশ্যে ৰাইজে অনুষ্ঠিত কৰি অহা শ্বহীদ দিৱসত সময়ে সময়ে চৰকাৰেও সহযোগিতাৰ হাত প্ৰসাৰিত কৰি পথৰুঘাটক গুৰুত্ব যে দিছে তাক অস্বীকাৰ কৰিব নোৱাৰি। বিগত ২০১৭ চনত মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰে পথৰুঘাটৰ ৰণৰ ঘটনাক যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰি চৰকাৰী পৃষ্ঠপোষকতাত জিলা প্ৰশাসনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে পথৰুঘাটৰ ৰণৰ স্মৃতিত কৃষক শ্বহীদ দিৱস পালন কৰাৰ যি মহতোমহীয়ান পদক্ষেপ গ্ৰহণ কৰিছিল - সেয়া নিশ্চিতভাৱে আদৰণীয় আৰু আশাপ্ৰদও। এক কথাত ক'বলৈ গ'লে এয়া আছিল পথৰুঘাট ৰণৰ প্ৰতি প্ৰথম চৰকাৰী স্বীকৃতি। এইবেলিও মুখ্যমন্ত্ৰী মাননীয় শ্ৰীসৰ্বানন্দ সোণোৱাল মহোদয়ে পথৰুঘাটৰ কৃষক ছহিদ দিৱসত অংশগ্ৰহণ কৰিব। আমি আশা কৰিম - পথৰুঘাটৰ উন্নয়নৰ ক্ষেত্ৰত এই বছৰৰ শ্বহীদ দিৱসে বিশেষত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সম্প্ৰতি পথৰুঘাটত কৃষক প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰৰ লগতে শুভাৰম্ভ হোৱা সংগ্ৰহালয়ে পথৰুঘাটৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে সূচিত হ'ব। পথৰুঘাটক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিয়া, দৃশ্য-শ্ৰব্য মাধ্যমত দৰ্শনাৰ্থীৰ আগত পথৰুঘাটৰ ৰণৰ ঘটনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা, ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰা, কৃষকৰ উন্নতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা আদিৰ দিশত সুদূৰপ্ৰসাৰী আৰু কাৰ্যকৰী পদক্ষেপ ক্ষিপ্ৰতাৰে হাতত ল'ব লাগিব। আমি দৃঢ়ভাৱে আশাবাদী - পথৰুঘাটে আহি থকা দিনত নতুন আয়তন লাভ কৰি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো উজলি উঠিব।

কৃষক শ্বহীদ দিৱস উপলক্ষে দৰং জিলা প্ৰশাসনে অহা ২৭ আৰু ২৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পথৰুঘাটত (আজিৰ পাথৰিঘাট) কৰা আয়োজনৰ অংশ স্বৰূপে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰো পৰিকল্পনা হাতত লৈ আমাৰ দৰে অকিঞ্চনক সম্পাদকৰ দায়িত্ব প্ৰদান কৰিছে। নিজৰ সীমাবদ্ধতাৰ কথা জানিও এই দায়িত্ব মূৰ পাতি কামত আগবাঢ়িছো। স্মৃতিগ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰত স্মৃতিগ্ৰন্থ উপ-সমিতিৰ মুখ্য উপদেষ্টাদ্বয় ক্ৰমে স্থানীয় বিধায়ক মাননীয় শ্ৰীবিনন্দ কুমাৰ শইকীয়া আৰু দৰঙৰ উপায়ুক্ত মাননীয় শ্ৰীদিলীপ কুমাৰ বৰাৰ লগতে অতিৰিক্ত উপায়ুক্ত মাননীয় শ্ৰীপংকজ কুমাৰ ডেকা, পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাননীয় শ্ৰীঅমৰজ্যোতি নাথ, দৰং সংমণ্ডলৰ বিদ্যালয়ৰ সমূহৰ পৰিদৰ্শক (ভাৰপ্ৰাপ্ত) মাননীয়া জোৱাহিৰা তাবাচ্ছুম, জিলা তথ্য আৰু জনসংযোগ বিষয়া মাননীয়া শ্ৰীমণিমালা গগৈ সমন্বিতে সংশ্লিষ্ট চৰকাৰী বিষয়া তথা উদ্‌যাপন সমিতিৰ কৰ্মকৰ্তাসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি মাননীয় শ্ৰীকমলাকান্ত ডেকাদেৱে স্মৃতিগ্ৰন্থ পৰিকল্পনাৰ লগতে সম্পাদনাৰ ক্ষেত্ৰত কায়-মনো-বাক্যে যথেষ্ট পৰিশ্ৰম কৰি আমাক কৃতাৰ্থ কৰিছে। সেইদৰে সমিতিৰ সহযোগী সম্পাদক ভাতৃপ্ৰতিম মঃ মোস্তাক হুছেইনে স্মৃতিগ্ৰন্থৰ কামত যথেষ্ট সহযোগিতা আগবঢ়াইছে। ইয়াৰ লগতে সম্পাদনা সমিতিৰ অন্যান্য সদস্যসকলৰ সহযোগিতাও স্মৰণীয়। আটাইলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। খুব কম সময়ৰ ভিতৰতে স্মৃতিগ্ৰন্থ ছপোৱাৰ দায়িত্ব লৈ আমাক সকাহ দিয়া বাবে এন.জি. প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী মঃ ইক্ৰামুল মজিদ সমন্বিতে কৰ্মকৰ্তাসকলৰ শলাগ ল'লো। পুনৰ বিনম্ৰতাৰে কওঁ - অতি খৰখেদাকৈ স্মৃতিগ্ৰন্থখনৰ কাম কৰিব লগা হোৱা হেতুকে অনেক ক্ষেত্ৰত ভুল-ভ্ৰান্তি থাকিব পাৰে। তাৰ বাবে ক্ষমা মাগিছো।

২৩ জানুৱাৰী, ২০২১

(অখিলৰঞ্জন ভট্ট)

স্মৃতিগ্ৰন্থ

# পথৰুঘাটৰ

## পাতে পাতে...


- অসমৰ ঔপনিৱেশিক শাসন আৰু ভূমি-সম্পৰ্ক
  - ➢ ঘটেশ্বৰ বৰুৱা/১৪
- ঊনবিংশ শতিকাৰ কৃষক বিদ্ৰোহৰ পটভূমিত পথৰুঘাটৰ ৰণ
  - ➢ কমলাকান্ত ডেকা/১৮
- দৰঙৰ সামগ্ৰিক ইতিহাস প্ৰণয়নত পথৰুঘাট অঞ্চলৰ ঐতিহাসিক সমলৰ প্ৰাসংগিকতা
  - ➢ ড° নগেন্দ্ৰ নাথ শৰ্মা/২৩
- দলিপুৰাণৰ পদ/২৯
- পথৰুঘাটৰ ঐতিহাসিক সমল
  - ➢ সুনীল কুমাৰ গোস্বামী/৩০
- পথৰুঘাটৰ অম্লান ঐতিহ্য
  - ➢ হৰেণ ডেকা/৩২
- Peasants Uprising of 1894 A Neglected Part of Indian History
  - ➢ Dr. Amulya Kalita/৩৫
- Advent of Peasant Movement of Patharughat And Consequences
  - ➢ Dr. Lokeswar Nath/৪১
- 127 years of Krishak Vidroh at Pothorughat
  - ➢ Bhargab Kumar Das/৪৩
- ঐতিহাসিক পথৰুঘাট আৰু কৃষক বিদ্ৰোহ
  - ➢ আবুল হুছেইন/৪৫
- অসমৰ জালিয়ানৱালাবাগ পথৰুঘাট (১৮৯৪)
  - ➢ ড° ৰামচন্দ্ৰ ডেকা/৪৮
- পথৰুঘাটৰ ৰণ ঃ ইতিহাসৰ এখিলা স্বৰ্ণখচিত পাত
  - ➢ মুকুট ৰাজ শৰ্মা/৫০
- অ' গানৰ পথৰুঘাট
  - ➢ ৰচনা ঃ ড° বিৰিঞ্চি কুমাৰ মেধি
  - সুৰ ঃ কুশল হাজৰিকা, ছিপাঝাৰ/৫২
- ইতিহাসৰ এখিলা পাত
  - ➢ সংৰাম ডেকা/৫২
- GLIMPES OF AGRICULTURE IN DARRANG DISTRICT
  - ➢ Uddhab Ch. Deka/৫৩


অন্যান্য


- পথৰুঘাট ৰণৰ মৃত্যুঞ্জয়ী শ্বহীদসকল/৫৮
- Assam Secretariat Proceeding/৫৯
- VARIOUS MANAGEMENT COMMITTEE OF KRISHAK SWAHID DIVAS : 2021/৬৪
- কৃষক শ্বহীদ দিৱস উদ্‌যাপন সমিতি (২০২১)ত স্থানীয় প্ৰতিনিধিৰ অন্তৰ্ভুক্তিৰে গঠিত সমিতিসমূহৰ কাৰ্যকৰ্তাৰ নাম তালিকা/৬৭





# অসমৰ ঔপনিৱেশিক শাসন আৰু ভূমি-সম্পৰ্ক

॥ ঘটেশ্বৰ বৰুৱা ॥

**প্ৰস্তাৱনা ঃ** হব্‌চন (Hobson)-ৰ মতে—যেতিয়া কোনো এখন দেশৰ কিছুমান লোকে নিজৰ দেশৰ নাগৰিকত্ব অক্ষুণ্ণ ৰাখি আন দেশৰ খালী ঠাইত নাইবা পাতল জনবসতি অঞ্চলত বাস কৰি সেই দেশত তেওঁলোকৰ নিয়ন্ত্ৰণ চলোৱাৰ অধিকাৰ লাভ কৰে, তেতিয়া এই বিদেশীসকলে বাস কৰা সেই দেশখনক তেওঁলোকৰ উপনিৱেশ বোলে। উপনিৱেশ প্ৰতিষ্ঠাৰ এই পদ্ধতি বা ব্যৱস্থাকে উপনিৱেশবাদ বোলা হয়। এনেকৈ অহা বিদেশীসকলে প্ৰথমতে তেওঁলোকৰ শাসন প্ৰতিষ্ঠা কৰি বিভিন্ন অঞ্চল জয় কৰি সাম্ৰাজ্য প্ৰতিষ্ঠাৰ চেষ্টা কৰে। এই লোকসকলে তেওঁলোকৰ কৃষ্টি-সভ্যতা এই নতুন অঞ্চলসমূহত অৰ্থাৎ উপনিৱেশসমূহত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে। এইদৰেই উপনিৱেশবাদৰ পৰা সাম্ৰাজ্যবাদৰ সৃষ্টি হয়। ভাৰতত ব্যৱসায় কৰিবলৈ অহা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় ৰজা-মহাৰজাসকলৰ দুৰ্বলতা আৰু অ-দূৰদৰ্শিতাৰ সুযোগ লৈ কুটনীতি আৰু যুদ্ধ জয়ৰ জৰিয়তে ভাৰতত এখন সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকৰ ঔপনিৱেশিক শাসনৰ সময়ত ভাৰতীয় কৃষি, উদ্যোগ, বেহা-বেপাৰ আদিৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ড° হীৰেন গোহাঁইৰ ভাষাৰেই ক'ব পাৰি—"আমি যাক ঔপনিৱেশিকতাবাদ বুলি কওঁ সি হ'ল পুঁজিবাদী ব্যৱস্থাৰ বিকাশৰ এটা পৰ্যায়ৰ গুৰুত্বপূৰ্ণ দিশ। পুঁজিবাদৰ শীতল, অমানুষিক, যুক্তিবাদী হিচাপ-নিকাচেৰে এনে অধিকৃত দেশৰ সকলো সম্পদৰ সমীক্ষা আৰু তালিকা প্ৰস্তুত কৰা আৰু ছলে-বলে-কৌশলে মালিক ৰাষ্ট্ৰৰ পুঁজিবাদী শাসকশ্ৰেণীৰ লাভৰ বাবে এইবোৰ একান্তভাৱে দখল কৰা তাৰ প্ৰধান কাৰ্যবিধি। এনে এক ঔপনিৱেশিক ব্যৱস্থাই ভূমি, বননি আৰু আনকি বিভিন্ন জলাধাৰ আৰু জলাশয়ৰ ওপৰত প্ৰাথমিক মালিকানা স্থাপন কৰি জনসাধাৰণক নিশ্চিত দাৰিদ্ৰ আৰু অৱক্ষয়ৰ পিনে ঠেলি দিলে।"

**ঔপনিৱেশিক শাসন ঃ** ১৮২৬ চনত ইয়াণ্ডাবু চুক্তিৰ পাছত অসম ব্ৰিটিছৰ তলতীয়া হয়। তেতিয়াৰ পৰাই লাহে লাহে সমগ্ৰ অসমত ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰম্ভ হয়। বংগৰ ৰংপুৰ জিলাত বেসামৰিক আয়ুক্ত ডেভিড স্কট চাহাবক (১৭৮৬-১৮১১) পোনপ্ৰথমে অসমৰ প্ৰশাসনিক দায়িত্ব দিয়া হৈছিল। তেওঁ ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধি হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উজনি অসমৰ প্ৰশাসনত তেওঁক সহায় কৰিছিল সহকাৰী বিষয়া কেপ্টেইন হোৱাইট স্কটে। এই প্ৰশাসন ব্যৱস্থাটো যোৰহাটৰ ৰংপুৰৰ পৰা চলোৱা হৈছিল। ইফালে মিঃ মিথিউজক নামনি অসমত এজন আয়ুক্ত হিচাবে নিয়োগ কৰা হৈছিল। তেওঁ এজন সহকৰ্মীৰ সহায়ত গুৱাহাটীৰপৰা প্ৰশাসনীয় ব্যৱস্থা চলাইছিল।

১৮৩১ চনত ডেভিড স্কট চাহাবৰ মৃত্যুৰ পাছত অস্থায়ীভাৱে ক্ৰেক্‌'ফট চাহাবক উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হয়। ১৮৩২ চনৰ এপ্ৰিল মাহত থমাছ কেম্বেল ৰবাৰ্টছনক উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেল আৰু অসমৰ কমিচনাৰ ৰূপে নিযুক্তি দিয়া হয়। তেওঁৰ পৰামৰ্শ অনুসৰি ১৮৩৩ চনৰ মাৰ্চ মাহত ধনশিৰি নদীৰ পশ্চিমৰ ৰাজ্যখণ্ড পাঁচখন জিলাত বিভক্ত কৰা হয়। এই জিলা পাঁচখন হ'ল উত্তৰ-পূব ৰংপুৰ বা গোৱালপাৰা, কামৰূপ, নামনি অসম, মধ্য অসম আৰু বিশ্বনাথ। প্ৰতিখন জিলাৰ প্ৰশাসনৰ দায়িত্ব একোজন "Principal Assistant to the Commissioner" পদবীৰ ইউৰোপীয় বিষয়াৰ হাতত অৰ্পণ কৰা হৈছিল। মাহিলি ১০০০ টকা দৰমহা পোৱা এই বিষয়াসকল আছিল একেধাৰে জিলাখনৰ কালেক্টৰ আৰু বিচাৰক। ৰবাৰ্টছন চাহাবে ইষ্ট ইণ্ডিয়া কোম্পানী কৰ্তৃপক্ষৰ নিৰ্দেশ অনুসৰি ১৮৩৩ চনৰ ২ মাৰ্চত পুৰন্দৰ সিংহক বছৰি ৫০,০০০ টকা কৰ আদায় দিয়াৰ চৰ্তত উজনি অসমৰ স্বৰ্গদেউ হিচাবে পুনৰ প্ৰতিষ্ঠা কৰিছিল। এই চুক্তি মৰ্মে ১৮৩৩ চনৰ ২৪

এপ্ৰিলত পুৰন্দৰ সিংহই উজনি অসমত শাসনভাৰ গ্ৰহণ কৰে।

১৯৩৪ চনৰ জানুৱাৰীত অসম আৰু ৰংপুৰৰ বাবে উত্তৰ-পূৱ আয়ুক্ত আৰু গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধিৰে এক নতুন পদবীৰ সৃষ্টি কৰা হয়। ১৮৩৪ চনৰ এপ্ৰিল মাহত জেনকিনচে টি.টি. ৰবাৰ্টছনৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ ১৮৩৮ চনত ৰবাৰ্টছনে গঠন কৰা জিলাসমূহ পুনৰ গঠন কৰে। এই জিলাসমূহ আৰু ইয়াৰ সদৰ ঠাইসমূহ হ'ল— গোৱালপাৰা সদৰ গোৱালপাৰা (পিছত ধুবুৰী), কামৰূপ সদৰ গুৱাহাটী, নগাঁও সদৰ নগাঁও, দৰং সদৰ মঙলদৈ (পিছত তেজপুৰ)। ১৮৩৮ চনৰ ১৬ চেপ্তেম্বৰত উজনি অসমক ৰজা পুৰন্দৰ সিংহৰ অকৰ্মণ্যতাৰ বাবে পুনৰ ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰা হয়। এই অঞ্চলটোক প্ৰশাসনৰ সুবিধাৰ বাবে দুখন জিলাত ভাগ কৰা হয়। জিলা দুখন হ'ল শিৱসাগৰ আৰু লক্ষীমপুৰ। জিলা দুখনৰ সদৰ যথাক্ৰমে যোৰহাট আৰু লক্ষীমপুৰ। এনেকৈ প্ৰশাসনিক জটিলতা দূৰ কৰাৰ বাবে আৰু চীফ্ কমিচনাৰক সহায় কৰাৰ বাবে জেম্‌চ মেথি নামৰ বিষয়াজনক অসমত ডেপুটি কমিচনাৰ হিচাবে নিযুক্তি দিয়া হয়। তদুপৰি জিলা প্ৰশাসনৰ মুৰব্বীজনৰ সহায়ৰ বাবে ১৮৩৩ চনত একাদিক্ৰমে সহকাৰী কমিচনাৰ, কনিষ্ঠ সহকাৰী কমিচনাৰ, সদৰামিন আৰু মুন্সিফ পদ সৃষ্টি কৰা হয়। এই বিষয়াসকল মূলতঃ ইউৰোপীয় আছিল যদিও ১৮৫০ চনত আনন্দৰাম ঢেকিয়াল ফুকনে উপ-সহকাৰী বিষয়াৰ পদ লাভ কৰিবলৈ সক্ষম হৈছিল।

আহোমৰ অসমতকৈ ঔপনিৱেশিক শাসনৰ সময়ছোৱাত অসমৰ ভৌগোলিক পৰিসীমা যথেষ্ট বহল আছিল। ইয়াত ৰংপুৰ আৰু গোৱালপাৰাৰ লগতে পিছলৈ উত্তৰ-পূৰ্বাঞ্চলৰ আন সকলো ব্ৰিটিছ অধিকৃত অঞ্চলক অন্তৰ্ভুক্ত কৰা হৈছিল। ১৮৫৪ চনৰ ভাৰত শাসন আইনৰ অধীনত আৰু ১৮৭৪ চনৰ ৬ ফেব্ৰুৱাৰীৰ ঘোষণা অনুসৰি অসমক মুখ্য আয়ুক্ত (Chief Commissioner) এজনৰ শাসনাধীন কৰা হয়। এই ঘোষণা অনুসৰি অসমৰ চাৰিসীমাৰ অন্তৰ্গত তলত উল্লেখ কৰা জিলা আৰু অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰা হয়। এই জিলা আৰু অঞ্চলসমূহ হ'ল—গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ কাছাৰ, গাৰোপাহাৰ, খাছী আৰু জয়ন্তীয়া পাহাৰ আৰু নগা পাহাৰ। ১৮৭৪ চনৰ ১২ চেপ্তেম্বৰৰ ঘোষণা অনুসৰি পিছত চিলেট, ১৮৯৫ চনৰ ৬ চেপ্তেম্বৰৰ ঘোষণা অনুসৰি উত্তৰ লুচাই পাহাৰ আৰু ১৮৯৮ চনৰ ১ এপ্ৰিলৰ ঘোষণা অনুসৰি দক্ষিণ লুচাই পাহাৰক অসমৰ লগত চামিল কৰা হয়। ব্ৰিটিছসকলৰ শাসনৰ সুবিধাৰ বাবে এনে বৃহৎ প্ৰশাসনিক গোট গঠন কৰা হৈছিল। একে উদ্দেশ্যেৰে ১৯০৫ চনত লৰ্ড কাৰ্জনৰ দিনত বংগ বিভাজন কৰি পূব-বংগৰ লগত অসমক চামিল কৰা হৈছিল। এই ব্যৱস্থা ১৯১২ চনলৈ চলাৰ পিছত ১৯১২ চনৰ পৰা ১৯২১ চনলৈ অসমক মুখ্য আয়ুক্তৰ শাসনাধীন কৰা হয়। উল্লেখযোগ্য যে ১৯২১ চনত অসমক ৰাজ্যপাল এজনৰ অধীনত প্ৰদেশৰ মৰ্যাদা প্ৰদান কৰা হয় আৰু ৰাজধানী পতা হয় শ্বিলঙত। তেতিয়া অসমৰ প্ৰথম মুখ্য আয়ুক্ত আছিল আৰ. এইচ. কিটিং (১৮৭৪-৭৮)। ১৯২১ চনৰ পৰা অসমত এজন গৱৰ্ণৰ অথবা ৰাজ্যপাল নিযুক্ত হয়। অসমৰ প্ৰথম ৰাজ্যপাল আছিল এন. ডি. বীটসন বেল। ব্ৰিটিছ শাসনৰ শেষৰজন গৱৰ্ণৰ আছিল এ.চি.ক্লো (১৯৪৬-৪৭)।

১৯২১ চনত ১৯১৯ চনৰ ভাৰত শাসন আইন অনুসৰি দ্বি-শাসন ব্যৱস্থাৰ অন্তৰ্গত ৰাজ্যপাল এজনৰ শাসনাধীন হয়। সেই ব্যৱস্থা অনুসৰি ৰাজ্যপালক বিধায়িনী ব্যৱস্থাত সহায় কৰাৰ বাবে এখন 'বিধায়িনী পৰিষদ' (Legislative Council) আছিল। পৰিষদখনত মুঠতে ৫৩ জন সদস্যৰ ব্যৱস্থা আছিল। এই সদস্যকেইজনৰ ভিতৰত ইউৰোপীয় সদস্য আৰু ভাৰতীয় সদস্য আছিল। ইউৰোপীয় সদস্যসকলৰ ভিতৰত গোটটোৰ সভাপতিজন, এজন কাউন্সিলৰ, তিনিজন মনোনীত চৰকাৰী সদস্য, দুজন মনোনীত অৰ্ধ-চৰকাৰী আৰু ছয়জন নিৰ্বাচিত সদস্য আছিল। এই ছয়জন সদস্যক বাণিজ্যিক গোট উদ্যোগপতি, চাহ বাগিচাৰ মালিক আদিকে ধৰি সমাজৰ ধনীক শ্ৰেণীটোৰপৰা নিৰ্বাচিত কৰা হৈছিল।

ভাৰতীয় সদস্যসকলৰ গোটটোৰ মাজত এজন কাউন্সিলৰ, সাতজন মনোনীত অনা-চৰকাৰী সদস্য আৰু বত্ৰিশজন নিৰ্ধাৰিত কাউন্সিলৰ আছিল। এওঁলোকক সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে হিন্দু আৰু মুছলমান সম্প্ৰদায় দুটাৰ মাজৰপৰা সমানে ভাগ কৰি দিয়াৰ ব্যৱস্থা আছিল।

এই দ্বি-শাসন ব্যৱস্থাত দুই ধৰণৰ বিষয় অন্তৰ্ভুক্ত হৈছিল—(১) সংৰক্ষিত বিষয়সমূহ (Reserved Subjects)





আৰু (২) স্থানান্তৰিত বিষয়সমূহ (Transferred Subjects)। সংৰক্ষিত বিষয়সমূহৰ ভিতৰত বিত্ত, প্ৰতিৰক্ষা, ন্যায়পালিকা আদি এই বিষয়বোৰ ৰাজ্যপালে এখন কাৰ্যবাহী পৰিষদৰ মাজেৰে নিয়ন্ত্ৰণ কৰিছিল। আনহাতে স্থানান্তৰিত বিষয়সমূহৰ ভিতৰত জনস্বাস্থ্য, স্থানীয় স্বায়ত্ব শাসন, শিক্ষা, কৃষি আদি—এই বিষয়সমূহ ৰাজ্যপালে প্ৰাদেশিক বিধান পৰিষদৰ নিৰ্বাচিত সদস্যসকলৰ মাজৰপৰা নিযুক্তিপ্ৰাপ্ত মন্ত্ৰীসকলৰ সহযোগত পৰিচালনা কৰিছিল। অসমত এনে ধৰণৰ শাসন ব্যৱস্থা ১৯৩৬ চনলৈকে চলিছিল।

১৯৩৫ চনৰ ভাৰত শাসন আইন অনুসৰি অসমত ৰাজ্যপালৰ লগতে দুই সদনীয় বিধান মণ্ডলৰ ব্যৱস্থা কৰা হয়—উচ্চ সদন আৰু নিম্ন সদন। উচ্চ সদন আছিল বিধান পৰিষদ আৰু নিম্ন সদন আছিল বিধান সভা। বিধান পৰিষদ চাহ মালিক আৰু আন ব্যৱসায়ীসকলৰ হেঁচাত চৰকাৰে এই শ্ৰেণীটোৰ প্ৰতিনিধিবৰ্গক লৈ গঠিত কৰে। বিধান সভা বা নিম্ন সদনত মুঠ ১০৮ জন নিৰ্বাচিত সদস্যৰ ব্যৱস্থা আছিল।

১৯৩৫ চনৰ ভাৰত শাসন আইন অনুসৰি গোটেই ভাৰতবৰ্ষতে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। অসমত ভাৰতীয় জাতীয় কংগ্ৰেছে বিধান সভাত মুঠতে ৩৩ খন আসন লাভ কৰি প্ৰধান ৰাজনৈতিক দল হিচাবে পৰিগণিত হয়। কিন্তু দলটোৱে সংযুক্ত চৰকাৰ গঠন কৰিবলৈ মন নকৰাৰ বাবে চাৰ চাদুল্লাৰ নেতৃত্বত 'অসম উপত্যকা মুছলিম পাৰ্টি'য়ে আন আন ইউৰোপীয়, জনজাতীয় আৰু নিৰ্দলীয় সদস্যৰ সমৰ্থনত প্ৰথম প্ৰাদেশিক চৰকাৰ গঠন কৰে। পিছত তেওঁ 'মুছলিম লীগ'ত যোগদান কৰে। তেওঁৰ চৰকাৰখনে ১৯৩৮ চনৰ ৪ ফেব্ৰুৱাৰীত পদত্যাগ কৰে। ঠিক পিছৰ দিনাখনে চাদুল্লাই পুনৰ দ্বিতীয়খন মন্ত্ৰীসভা গঠন কৰে যদিও বিভিন্ন কাৰণত পদত্যাগ কৰিবলৈ বাধ্য হয়। ফলস্বৰূপে ১৯৩৮ চনৰ ১৯ চেপ্তেম্বৰত গোপীনাথ বৰদলৈয়ে ভাৰতীয় জাতীয় কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত চৰকাৰ গঠন কৰে। এই চৰকাৰখন ১৯৩৯ চনৰ ১৫ চেপ্তেম্বৰত পতন হয়। পিছত পুনৰ চাদুল্লাই সংযুক্ত চৰকাৰ গঠন কৰিছিল। এই চৰকাৰখনেও ১৯৪১ চনৰ ১২ ডিচেম্বৰত পদত্যাগ কৰে যদিও ৰাজ্যপালে পুনৰ ১৯৪২ চনৰ ২৫ চনৰ আগষ্টত চাদুল্লাক মন্ত্ৰীসভা গঠনৰ বাবে অনুমতি দিয়ে। এই চৰকাৰখন ১৯৪৫ চনৰ ২৩ মাৰ্চলৈ কাৰ্যনিৰ্বাহ কৰি পুনৰ বৰদলৈৰ সমৰ্থনত ১ অক্টোবৰলৈ বৰ্তি থাকে। লীগ চৰকাৰক সমৰ্থন দিয়াৰ বাবে অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি মহম্মদ তৈয়াবুল্লাৰ লগত গোপীনাথ বৰদলৈৰ মত পাৰ্থক্য ঘটিছিল। অৱশ্যে ১৯৪৬ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ নিৰ্বাচনলৈ চাদুল্লা মন্ত্ৰীসভাক কাৰ্যনিৰ্বাহ কৰাৰ বাবে ৰাজ্যপালে অনুৰোধ কৰে। ঔপনিৱেশিক তথা ব্ৰিটিছ শাসনৰ অন্তিম নিৰ্বাচনত অৰ্থাৎ ১৯৪৬ চনৰ নিৰ্বাচনত বিধান সভাৰ ১০৮ খন আসনৰ ভিতৰত অসম কংগ্ৰেছে ৫০ খন আসন লাভ কৰি সংযুক্ত চৰকাৰ গঠন কৰিছিল।

**ভূমি সম্পৰ্ক ঃ**

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত যেতিয়া ইংৰাজে অসমৰ শাসনভাৰ গ্ৰহণ কৰে তেতিয়া অসমৰ আৰ্থ-সামাজিক ব্যৱস্থা ভগ্নপ্ৰায় আছিল। বিশেষকৈ মানৰ অত্যাচাৰ, আহোমসকলৰ মাজত পাৰস্পৰিক বৈৰিতা আদিৰ ফলস্বৰূপে গাঁও-চহৰ বিলাক একপ্ৰকাৰ উদং হৈ আছিল। সেইবাবে ইংৰাজ শাসনৰ প্ৰথম অৱস্থাত অস্থায়ীভাৱে পুৰণি অসমৰ ৰাজহ ব্যৱস্থাকে গ্ৰহণ কৰিছিল যদিও আহোমৰ অবৈজ্ঞানিক আৰু উদাৰ নীতিৰ লগত ইংৰাজ শাসকে সহমত পোষণ নকৰিলে। প্ৰথমে আহোমৰ পাইক ব্যৱস্থাৰ ঠাইত ব্ৰিটিছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো কেইখন জিলাতে ৰায়তৱাৰী ব্যৱস্থাৰ প্ৰচলন কৰে। অৱশ্যে বংগৰ দৰে গোৱালপাৰা জিলাত জমিদাৰী ব্যৱস্থা চলি থকা বাবে এই জিলাখন ৰায়তৱাৰী ব্যৱস্থাৰপৰা বাহিৰত ৰখা হয়।

বিশেষকৈ ১৮২৮ চনৰ পৰা ১৮৪০ চনলৈ এই ১৪ বছৰ অসমৰ বিভিন্ন ঠাই ভূমি আৰু ৰাজহ সম্পৰ্কৰ ক্ষেত্ৰত ব্ৰিটিছে কিছুমান নীতি আৰু পদ্ধতি গঢ়ি তোলে আৰু এইটোৱেই ৰায়তৱাৰী বন্দৱস্তিৰ মূল। ১৮৪০ চনৰ পৰা ১৮৭০ চনলৈ এই ৩০ বছৰীয়া কালছোৱাৰ ভিতৰত ব্যাপক হাৰত অসমত এই ভূমিনীতি প্ৰবৰ্তিত হয়। ব্ৰিটিছৰ ভূমিনীতি আছিল কৃষক প্ৰজাৰ ওপৰত শোষণৰ নামান্তৰ মাত্ৰ। কাৰণ প্ৰথমতে ঔপনিৱেশিক শোষণৰ সুবিধাৰ বাবে দেশৰ বৃহৎ অংশত ভূমিৰ জৰীপ আৰু অস্থায়ী আৰু স্থায়ী পত্তনৰ জৰিয়তে কৃষিৰ উন্নতি ঘটোৱা হৈছিল, যাতে অধিক সংখ্যক কৃষক প্ৰজাৰপৰা বেছি পৰিমাণৰ ৰাজহ আদায় কৰিব পৰা যায়। দ্বিতীয়তে আছিল থলুৱালোকৰ সহায়ত প্ৰশাসন আৰু ৰাজহ সংগ্ৰহৰ ব্যৱস্থা গঢ়ি তোলা আৰু কৰ-কাটল

বৰোৱাৰ বাট মুকলি কৰা। ইতিমধ্যে ব্ৰিটিছে অসমৰ বুকুত চাহ বাগিচা পতাৰ প্ৰস্তুতি আৰম্ভ কৰিছে। সেই বাবেই ইংৰাজ ঔপনিৱেশিক চাহ খেতিয়কসকলৰ স্বাৰ্থত দেশৰ ভূমি আৰু ৰাজহনীতি পৰিচালনা কৰাৰ ব্যৱস্থা হ'ল। প্ৰকৃততে ব্ৰিটিছ ঔপনিৱেশিক চৰকাৰে দখল কৰা ৰাজ্যৰ মাটিৰ ওপৰত নিজা অধিকাৰ এৰি প্ৰজাক দিব খোজা নাছিল, অথচ ভূমিৰ পৰা খাজনা আদায় কৰিবলৈকো উৎসুক আছিল। ফলত এক অৰ্থত জমিদাৰসকলো ব্ৰিটিছৰ ৰায়তহে আছিল। কিয়নো সময়মতে খাজনা নিদিয়া জমিদাৰৰ মাটিও কাঢ়ি লৈ আনক দিছিল। যিটোক ৰায়তৱাৰী ব্যৱস্থা বোলা হয়, তাতো ব্যক্তিগত স্বত্বতকৈ চৰকাৰী স্বত্বহে প্ৰবল আছিল। মন কৰিবলগীয়া কথা যে মাটি ভোগ কৰিবলৈ পোৱা পট্টাদাৰসকলক Land owner নুবুলি Land Holder বুলিহে কোৱা হৈছিল।

১৮৪০ চনৰপৰা প্ৰকৃতাৰ্থত অসমত ব্যাপক হাৰত অস্থায়ীভাৱে এটা ঔপনিৱেশিক ভূমিনীতিৰ পত্তন ঘটে। এই নীতি মতে চৰকাৰ দেশৰ সমগ্ৰ ভূমি-সম্পত্তিৰ একচেটিয়া মালিক হ'ল। মাটি ভোগ কৰোঁতাসকলৰ নিয়মিত খাজনা আদায় কৰি থাকিল আৰু ভোগ কৰা মাটি স্থায়ীভাৱে বংশানুক্ৰমে ভোগ কৰিবলৈ আৰু বিক্ৰী হস্তান্তৰ আদি নকৰিবলৈ আইনী অধিকাৰ থাকিল। দৌল, দেৱালয় আদিৰ ইতিপূৰ্বে খাজনামুক্ত বহুত মাটি অৱশ্যে কৰমুক্ত কৰি দৌল-দেৱালয়ৰ হাততে থোৱা হ'ল। এইখিনিতে উল্লেখযোগ্য যে ৰায়তৱাৰী ব্যৱস্থা অনুসৰি ৰাজ্যৰ সকলো ভূমিকে চাৰি ভাগত ভগোৱা হয়—বস্তি, ৰূপিত, বাওতলী আৰু ফৰিঙতি।

ৰাজহ সংগ্ৰহৰ বাবে ব্ৰিটিছে ১৮৩৮ চনত অসমত মৌজাদাৰী ব্যৱস্থা গ্ৰহণ কৰে। প্ৰথমতে মৌজাদাৰসকলে কেবা বছৰৰ বাবে আৰু পিছলৈ এক বছৰৰ বাবে ৰাজহ সংগ্ৰহ কৰি ৰাজকোষত জমা কৰাৰ ব্যৱস্থা কৰিলে। সেই সময়ত কামৰূপত মাটিৰ ৰাজহৰ পৰিমাণ জনবিশেষে আঠ অনাৰ পৰা এটকা বা তিনি টকা পৰ্যন্ত আছিল। ৰূপিত মাটিৰ কৰ আছিল পুৰাই প্ৰতি বছৰি এটকা। দৰঙত ১৮৪১ চনত প্ৰজাই হালে প্ৰতি তিনি টকা কৰ দিছিল।

ব্ৰিটিছে প্ৰায়ে কৰৰ পৰিমাণ বৃদ্ধি কৰাত ৰাইজৰ মনত অসন্তোষৰ সৃষ্টি হৈছিল আৰু সাধাৰণ প্ৰজা কৰৰ বোজাত কোঙা হৈ পৰিছিল। সেয়ে এনে নিষ্পেষণৰ বিৰুদ্ধে স্থানীয়লোক সজাগ হৈছিল। ইতিমধ্যে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ আৰু জাতীয় চেতনাৰ বিকাশৰ ফলতো ৰাইজৰ মাজত ব্ৰিটিছ বিৰোধী মনোভাবৰ সৃষ্টি হৈছিল। এনে এক সন্ধিক্ষণতেই ঔপনিৱেশিক অসমত জন্ম হৈছিল ৰাইজমেলসমূহৰ। যি ৰাইজমেলে সাধাৰণ প্ৰজাক একগোট কৰি প্ৰভাৱশালী ব্ৰিটিছ শোষকৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সাহস যোগাইছিল। এই ৰাইজমেলসমূহে ব্ৰিটিছৰ ৰাজহনীতিৰ বিৰোধিতা কৰি প্ৰজাক কৰ নিদিবলৈ আহ্বান জনাইছিল। স্থানীয় কেতবোৰ মুখিয়াল লোক যেনে— মাটিৰ গৰাকী, দলৈ, গোহাঁই আদিয়ে ৰাইজমেলৰ নেতৃত্ব লৈ চৰকাৰৰ ৰাজহনীতিৰ প্ৰতিবাদৰ আঁচনি লৈছিল। আনহাতেদি ব্ৰিটিছে বৰ্ধিত ৰাজহ সংগ্ৰহৰ কাম যিকোনো উপায়েৰে সম্পন্ন কৰিবলৈ সিদ্ধান্ত লোৱাত দুয়োপক্ষৰ মাজত এক গুৰুতৰ সংঘাতে দেখা দিছিল। ইয়াৰ ফলত ১৮৬০ চনৰ পৰা ১৯০০ চনলৈকে ঔপনিৱেশিক অসমৰ বিভিন্ন স্থানত যি কৃষক বিদ্ৰোহৰ সূচনা হৈছিল তাৰেই ফলশ্ৰুতি নগাঁৰৰ ফুলগুৰিৰ ধেৱা, ৰঙিয়া, লাচিমা আৰু পথৰুঘাটৰ ৰণ।

মনকৰিবলগীয়া কথা যে ১৮৮৮ চনত প্ৰকাশিত The Assam Land Revenue Manual খনতে অসমৰ ভূমি ৰাজস্ব আইন তথা নীতি-নিয়মক এটা প্ৰণালীবদ্ধ আৰু সু-সংগঠিত ৰূপ দিয়া হয় ঔপনিৱেশিক ৰাষ্ট্ৰৰ প্ৰয়োজন অনুসাৰে। সেয়ে প্ৰাক্‌ঔপনিৱেশিক কালৰ অৰ্থাৎ আহোমৰ ৰাজত্বকালৰ ভূমি ৰাজহ ব্যৱস্থাই প্ৰজাৰ ওপৰত শোষণ নিপীড়ন চলালেও সি তুলনামূলকভাৱে ঔপনিৱেশিক আমোলতকৈ বৈষয়িকভাৱে কম ক্ষতিকাৰক আছিল।●●

**সহায়ক গ্ৰন্থ তালিকা ঃ**


১) Political History of Assam—Vol-1. Ed. H.K. Barpujari
২) Planter's Raj to Swaraj—Amlalendu Guha
৩) Assam Land and Revenue Regulation, 1886
৪) ইতিহাস চিন্তা—ধ্ৰুৱজ্যোতি বৰা
৫) ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান—সংঘাত আৰু সহযোগিতাৰ ইতিহাস—লক্ষ্মীনাথ তামুলী
৬) জাতিসত্তা আৰু মানৱসত্তা—ড° হীৰেন গোহাঁই
৭) অসমৰ সমাজ আৰু ৰাজনীতি—তপন চি. কলিতা
৮) বুৰঞ্জী (অসম আৰু আধুনিক ভাৰত বুৰঞ্জী)—মৃদুপৱন গোস্বামী আৰু চেনেহী বেগম
৯) আমেৰিকান মিচনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম —হেৰম্বকান্ত বৰপূজাৰী


*(লেখক টংলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক)*





# ঊনবিংশ শতিকাৰ কৃষক বিদ্ৰোহৰ পটভূমিত পথৰুঘাটৰ ৰণ

**॥ কমলাকান্ত ডেকা ॥**

## (এক)

অসমৰ ৰাজনৈতিক ইতিহাসত ঊনবিংশ শতিকাৰ শেষৰ চাৰিটা দশকত সংঘটিত হোৱা 'কৃষক বিদ্ৰোহ'ৰূপে অভিহিত গণ বিক্ষোভৰ ঘটনাৱলীৰ গুৰুত্ব অপৰিসীম। বিশেষকৈ, এই ঘটনাৱলীৰ পৰৱৰ্তী সময়ত সাম্ৰাজ্যবাদী ব্ৰিটিছ প্ৰশাসনৰ বিৰুদ্ধে মূৰ দাঙি উঠা জাতীয়তাবাদী সংগ্ৰামখনৰ উৰ্বৰ ভেটি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এই লানি গণ বিক্ষোভৰ ভূমিকা অনস্বীকাৰ্য।

ঊনবিংশ শতিকাৰ শেষৰ চাৰিটা দশকত (১৮৬১-১৯০০) নামনি অসমত সংঘটিত হোৱা কৃষক বিদ্ৰোহলানি একে দিনতে সংঘটিত হোৱা নাছিল। উমি উমি জ্বলা জুইৰ দৰে ইয়াৰ এক দীঘলীয়া উৎস সুপ্ত ৰূপত ক্ৰিয়াশীল হৈ আছিল। আহোম ৰাজতন্ত্ৰৰ ভিতৰত গা কৰি উঠা গৃহ-কন্দলৰ ফলস্বৰূপে অৱশ্যম্ভাৱী হৈ পৰা মান-ব্ৰিটিছৰ 'ইয়াণ্ডাবু সন্ধি' (১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী) ৰ চুক্তি অনুসৰি অসম ৰাজ্য ব্ৰিটিছ কোম্পানীৰ হাতলৈ যোৱাৰ পিছৰে পৰা অসমত ব্ৰিটিছৰ ঔপনিৱেশিকতাবাদী ৰাজনীতিৰ কুটিল ষড়যন্ত্ৰ বিস্তাৰিত হৈছিল। ফলত অৱধাৰিত ভাৱেই সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো ৰাজনৈতিক মুনাফা লাভৰ উচ্চাকাংক্ষাৰে সাম্ৰাজ্যবাদৰ হাতোৰা সম্প্ৰসাৰণ কৰা ব্ৰিটিছ প্ৰশাসনৰ বিৰুদ্ধে গণ চেতনা জাগ্ৰত হৈছিল। তাতে কোম্পানীৰ হাতৰ পৰা ব্ৰিটিছ প্ৰশাসনৰ হাতলৈ ক্ষমতা হস্তান্তৰিত হোৱাৰ ফলত (১৮৫৮) ব্ৰিটিছ শিল্প পুঁজিপতিৰ দ্বাৰা নকৈ প্ৰৱৰ্তিত বাণিজ্যিক অৰ্থনীতি আৰু তদ্‌জনিত কেতবোৰ অন্য কাৰণতো গণ অসন্তুষ্টি বৃদ্ধি পাইছিল। ইতিমধ্যে সংঘটিত ১৮৫৭ চনৰ মহা বিদ্ৰোহৰ বিৰাট বিত্তীয় ঘাটি (৩৬ নিযুত) পুৰাবলৈ প্ৰয়োজন হোৱা অতিৰিক্ত পুঁজি সংগ্ৰহৰ অৰ্থে ব্ৰিটিছ প্ৰশাসনে জনসাধাৰণৰ ওপৰত বিধে বিধে কৰ-কাটলৰ বোজা জাপি দিছিল। বিশেষকৈ কৃষি ভূমিৰ ওপৰত বৰ্ধিত কৰ আৰোপ কৰাৰ উদ্দেশ্যে নতুন ভূমি নীতিৰ প্ৰৱৰ্তন আৰু সঘন ভূমি জৰীপৰ ব্যৱস্থা কৰি ভূমিৰ নতুন শ্ৰেণীকৰণৰ দ্বাৰা অত্যধিক কৰৰ বোজা বহন কৰিবলৈ জনসাধাৰণক জোৰ-জুলুম কৰা হৈছিল। কৰৰ বোজা বহন কৰিবলৈ অসমৰ্থ হৈ বহু কৃষকে আনকি অধিক ভূমি আবাদ কৰাৰ স্পৃহাও দমাই ৰাখিছিল।[১] আনহাতে ব্ৰিটিছ প্ৰশাসনে বাণিজ্যিক স্বাৰ্থত মুদ্ৰাৰ প্ৰচলন আৰম্ভ কৰি বিনিময় প্ৰথাৰ লগতে পূৰ্ব প্ৰচলিত পাইক বা গা-খাটনি ব্যৱস্থাৰো বিলোপ সাধন কৰিছিল। ফলস্বৰূপে জনসাধাৰণৰ ওচৰত নতুন সমস্যাই দেখা দিছিল। মুদ্ৰাৰ অপ্ৰচুৰতাৰ হেতু সৰ্বসাধাৰণ কৃষক প্ৰজা নিৰুপায় হৈ পৰিছিল।

ঔপনিৱেশিক ব্ৰিটিছ প্ৰশাসনে অত্যধিক ভূমি ৰাজহ প্ৰৱৰ্তন কৰাৰ উপৰিও জনসাধাৰণৰ ওচৰত লোণ কৰ, নাঙল কৰ, লাইচেন্স কৰ, আদি কৰৰ বোজা জাপি দিছিল আৰু স্থানীয়ভাৱে কানিৰ খেতিৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰি আমদানিকৃত কানিৰ ব্যৱসায় আৰম্ভ কৰি কৃষক প্ৰজাৰ ওপৰত মাধমাৰ শোধাইছিল। নতুনকৈ আৰম্ভ কৰা চাহ খেতিৰ বাগানলৈ সস্তীয়া শ্ৰমিক গোটোৱাৰ স্বাৰ্থতো কৃষক প্ৰজাৰ ওপৰত এনেদৰে শোষণৰ মাত্ৰা ক্ৰমে বৃদ্ধি কৰি এক প্ৰকাৰ অতীষ্ঠ কৰি তুলিছিল।[২] সাম্ৰাজ্যবাদী ৰাজনৈতিক আগ্ৰাসনত জুৰুলা হোৱা কৃষক প্ৰজা এইবেলি অৰ্থনৈতিক শোষণতো পিষ্ট হৈ প্ৰতিবাদ মুখৰ হৈ উঠিছিল। এনে প্ৰতিবাদৰ বহিঃপ্ৰকাশ ঘটিছিল পোনতে নগাঁও জিলাৰ ফুলগুৰি নামৰ ঠাইত ১৮৬১ চনত; যাক 'ফুলগুৰি ধেৱা' বুলি অভিহিত কৰা যায়। ইয়াৰ পিছত ১৮৬৮-৮৯ চনত ক্ৰমবৰ্ধিত খাজনা আদায়ৰ বিৰুদ্ধে দৰঙৰ পথৰুঘাটত ৰাইজমেলৰ দ্বাৰা সংঘবদ্ধ হৈ কৃষক প্ৰজাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। তদ্‌পৰৱৰ্তী ১৮৯২ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৮৯৪ চনৰ জানুৱাৰীৰ ভিতৰত তদানীন্তন কামৰূপ জিলাৰ বৰমা, বজালী, সৰুক্ষেত্ৰী, ৰঙিয়া, লাচিমা আদি ঠাইত

এই বিদ্ৰোহে ব্যাপক ৰূপ লাভ কৰিছিল। ঘাইকৈ খাজনা শোষণৰ বিৰুদ্ধে, বিক্ষুব্ধ কৃষকৰ বিদ্ৰোহে আটাইতকৈ বিস্ফোৰক ৰূপ পৰিগ্ৰহণ কৰিছিল দৰঙৰ পথৰুঘাটত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত; য'ত সেইদিনা ব্ৰিটিছ প্ৰশাসন আৰু বিদ্ৰোহী কৃষকৰ মাজত সংঘটিত প্ৰত্যক্ষ সংঘৰ্ষত বেচৰকাৰী হিচাপ মতে ১৪০ জন কৃষকৰ মৃত্যু হোৱাৰ লগতে আৰু প্ৰায় ১৫০ জন কৃষক আহত হৈছিল। আনহাতে চৰকাৰী হিচাপ মতে ১৫ জন কৃষক বিদ্ৰোহী নিহত হোৱাৰ লগতে ৩৭ জন কৃষক আহত হৈছিল।[৩]

এই লানি কৃষক বিদ্ৰোহ আছিল স্বতঃস্ফূৰ্ত। ৰাইজমেলৰ নেতৃত্বত কৃষক প্ৰজাই স্বতঃপ্ৰণোদিত হৈ ব্ৰিটিছ প্ৰশাসনৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়া এয়া আছিল মুকলি বিদ্ৰোহ। কোনো ৰাজনৈতিকভাৱে প্ৰশিক্ষিত নেতাৰ নেতৃত্বত এই বিদ্ৰোহ পৰিচালিত হোৱা নাছিল। ইয়াত নাছিল কোনো দীৰ্ঘম্যাদী সুপৰিকল্পনা আৰু আদৰ্শ। তৎকালীন মধ্যবিত্ত শ্ৰেণীটোও এই বিদ্ৰোহৰ পৰা বিৰত আছিল। তেওঁলোকৰ উন্নাসিকতা আৰু অসহযোগিতা এই বিদ্ৰোহলানিৰ ইপ্সিত সফলতা প্ৰাপ্তিৰ ক্ষেত্ৰত অন্তৰায় হৈ উঠিছিল। অনকি এই লানি কৃষক বিদ্ৰোহৰ অৰ্ন্তনিহিত সম্ভাৱনীয়তা পৰৱৰ্তী কালত সঠিক ৰূপত পৰিচালিত নোহোৱাৰ কাৰণো আছিল তদানীন্তন মধ্যবিত্ত শ্ৰেণীৰ সন্দেহজনক ব্ৰিটিছানুগত্য; অথচ ঊনবিংশ শতিকাৰ এই কৃষক বিদ্ৰোহৰ মাজতে লুকাই আছিল অসমীয়া জাতীয়তাবাদৰ উৎস।[৪]

## (দুই)

অসমৰ ৰাজনৈতিক ইতিহাস আৰু সামাজিক ৰূপান্তৰৰ গতি-প্ৰকৃতি অধ্যয়নৰ ক্ষেত্ৰত কৃষক বিদ্ৰোহৰ গুৰুত্ব সন্দৰ্ভত সম্প্ৰতি বস্তুনিষ্ঠ অধ্যয়ন-গৱেষণা আৰম্ভ হৈছে। অসমৰ প্ৰগতিশীল সাহিত্য আন্দোলনৰ সৈতে জড়িত এচাম নিষ্ঠাবান বুদ্ধিজীৱী, ইতিহাসবিদে বস্তুনিষ্ঠ গৱেষণাৰে অসমৰ ৰাজনৈতিক ইতিহাসৰ আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ বিশ্লেষণ কৰি ঊনবিংশ শতিকাৰ কৃষক বিদ্ৰোহৰ সন্দৰ্ভত ভালেমান গুৰুত্বপূৰ্ণ তথ্য উদ্‌ঘাটন কৰিছে আৰু সেই তথ্য-পাতিৰ আধাৰত ভাৰতৰ স্বাধীনতা আন্দোলনত কৃষক বিদ্ৰোহীসকলৰ ভূমিকাৰ সদৰ্থক মূল্যায়ন কৰিছে। পঞ্চাশৰ দশকত প্ৰকাশ পোৱা 'প্ৰবাহ' (প্ৰথম প্ৰকাশ ১৯৫৫, সম্পাদনা ঃ কেশৱ মহন্ত আৰু দিলীপ শৰ্মা) আলোচনীত প্ৰবুদ্ধ কুমাৰ ৰায়চৌধুৰীয়ে 'উত্তৰ কামৰূপ আৰু দৰঙৰ কৃষক বিদ্ৰোহ'ৰ বিষয়ে আলোচনা কৰি এই বিষয়ক চৰ্চাৰ বাটকটীয়াৰ দায়িত্ব পালন কৰিছিল।[৫] পিছলৈ অধ্যাপক কেশৱ নাৰায়ণ দত্তই The Landmarks of Freedom Struggle in Assam, Gauhati 1969, বিশিষ্ট বুদ্ধিজীৱী ড° অমলেন্দু গুহই Planter Raj to Swaraj : Freedom Struggle and Electoral Politics in Assam, 1826-1947, New Delhi, 1977; ইতিহাসবিদ ড° ৰমেশ চন্দ্ৰ কলিতাই History of Land Rights in the Brahmaputra Valley under British Rule, Ulupi Publications, Tezpur 1977, A study of the Mass Movements in the Struggle for Freedom in Assam (1857-1942) শীৰ্ষক গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা Ph. D. Thesis, বা তেওঁৰে 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা, ১৮২৬-১৯৪৭ (নলবাৰী ১৯৮৬) আদি গ্ৰন্থত; প্ৰশাসনীয় বিষয়া তথা ইতিহাসবিদ লক্ষ্মীনাথ তামুলীয়ে 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান, সংঘাত আৰু সহযোগিতাৰ ইতিহাস, ১৯৮৮ আদি গ্ৰন্থত ঊনবিংশ শতিকাৰ কৃষক বিদ্ৰোহসমূহৰ সামাজিক-অৰ্থনৈতিক দিশৰ পৰা বস্তুনিষ্ঠ বিশ্লেষণ আগবঢ়াইছে। এই ক্ষেত্ৰত অসম চৰকাৰে প্ৰকাশ কৰা The Political History of Assam Vol. 1 আৰু ড° হেৰম্বকান্ত বৰপূজাৰীৰ The Comprehensive History of Assam Vol. V আদি গ্ৰন্থৰো উল্লেখ কৰিব পাৰি যদিও এইবোৰত কৃষক বিদ্ৰোহৰ আৰ্থ-সামাজিক দৃষ্টিকোণতকৈ জাতীয়তাবাদী মুক্তি সংগ্ৰামৰ দৃষ্টিকোণক প্ৰাধান্য দিয়া হৈছে। বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মাৰ 'পথৰুঘাটৰ ৰণ' বা বেণুধৰ কলিতাৰ 'ফুলগুৰিৰ ধেৱা' আদি গ্ৰন্থতো জাতীয়তাবাদী মুক্তি সংগ্ৰামৰ দৃষ্টিৰেই বিষয়বস্তুৰ গুৰুত্ব প্ৰতিষ্ঠা কৰা হৈছে।[৬]

কৃষক বিদ্ৰোহসমূহৰ গুৰুত্ব যি দৃষ্টিকোণেৰেই বিচাৰ কৰা নহওক কিয়, এইটো অনস্বীকাৰ্য যে অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসত ইয়াৰ গুৰুত্ব আৰু প্ৰাসংগিকতা দিনে দিনে বৃদ্ধি পাই আহিছে। নিজৰেই দেশৰ মাটি আৰু মানুহৰ নায্য অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ গৈ সাম্ৰাজ্যবাদী ব্ৰিটিছৰ নিৰ্বিচাৰ গুলীৰ আগত প্ৰাণাহুতি দিয়া কৃষক বিদ্ৰোহীসকলৰ চৰম ত্যাগৰ কাহিনীয়ে বিদ্ৰোহোত্তৰ কালত, আনকি সাম্প্ৰতিক সময়তো শোষণ-নিপীড়নত জৰ্জৰিত সৰ্বসাধাৰণ ৰাইজক উদ্দীপ্ত কৰি আহিছে। শোষিত আৰু নিপীড়িত মানুহৰ প্ৰেৰণাৰ অম্লান উৎস হৈ থকা কৃষক বিদ্ৰোহৰ ঘটনাৱলী সেইবাবেই শতাধিক বছৰৰ পিছতো প্ৰাসংগিক হৈ আছে। আৰু এই কাৰণতে কৃষক বিদ্ৰোহৰ প্ৰতি তৎকালীন আৰু সাম্প্ৰতিক বিদ্বৎ সমাজৰ দৃষ্টিভংগী আৰু ভূমিকাৰ সন্দৰ্ভতো আলোচনাৰ দুৱাৰ মুকলি হৈছে। এই ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰা সকলৰ ভিতৰত ড° ৰমেশ চন্দ্ৰ কলিতা, ড° প্ৰফুল্ল মহন্ত, ড° মনোৰমা শৰ্মা, যতীন্দ্ৰ কুমাৰ বৰগোহাঞিও, অনিল ৰায়চৌধুৰী, লক্ষ্মীনাথ তামুলী আদি বিশিষ্ট ইতিহাসবিদ আৰু বুদ্ধিজীৱীৰ নাম উল্লেখযোগ্য।[H]

## তিনি

বৰ্তমান দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত 'পথৰুঘাট' এখনি ইতিহাস প্ৰসিদ্ধ ঠাই। দৰং জিলাৰ সদৰ মঙলদৈ নগৰৰ পৰা ১৬ কিলোমিটাৰ পশ্চিমে অৱস্থিত এই ঠাইখন ব্ৰিটিছসকলৰ শাসনকালত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত কৃষক বিদ্ৰোহৰ পৰিণতিত হোৱা 'ধোৱা' বা 'ৰণ'ৰ পৰাই অসম তথা ভাৰতবৰ্ষৰ ইতিহাসত এখন গুৰুত্বপূৰ্ণ স্থান হিচাপে চিহ্নিত হৈছে। পাথৰিঘাট নামৰ বৰ্তমানৰ সৰু গাঁওখনে অতীতত বৃহৎ অঞ্চল এটি সামৰি লৈছিল। বৰ্তমানৰ ৰইনাকুছি মৌজাৰ অধিকাংশ গাঁও, দিপীলা মৌজাৰ পূৱ-উত্তৰ অংশৰ কিছু সংখ্যক গাঁও আৰু সৰাবাৰী মৌজাৰ দক্ষিণ-পশ্চিমৰ গাঁওসমূহক সামৰি কৃষক বিদ্ৰোহকালীন পথৰুঘাট অঞ্চলটি গঠিত হৈছিল।

এই সুবিশাল অঞ্চলটিৰ মাজেৰে প্ৰাচীন কালৰে পৰা প্ৰৱাহিত হৈছিল তিনিখন নদী-দ্বিগজ, কুলশী আৰু নৈনৈ। তিনিওখন নদীৰ পলসুৱা ভূমিৰে বিস্তীৰ্ণ এই অঞ্চলটো আছিল ধনে-ধানে, শস্যে-মৎস্যে পৰিপূৰ্ণ। কেতিয়াৰ পৰা এই অঞ্চলটি পথৰুঘাট বুলি পৰিচিত হ'ল সঠিককৈ জনা নাযায়। জনশ্ৰুতি অনুসৰি দ্বিগজ নৈৰ ইপাৰ-সিপাৰে দুখন বিস্তীৰ্ণ পথাৰ আছিল আৰু পথাৰৰ মাজেৰে দ্বিগজৰ যিটো ঘাটেৰে মানুহ পাৰ হৈছিল, সেই ঘাটটোৰ দুয়োফালৰ ঠাইখিনি পথৰুঘাট, পিছলৈ পথৰুঘাট বুলি পৰিচিত হৈছিল। আন এটি জনশ্ৰুতি মতে পথৰু হিৰা নামৰ ঘাটুৱৈ এজনে এইটো ঘাটতে নাৱেৰে মানুহ পাৰ কৰিছিল। তেওঁৰ নামেৰেও পথৰুঘাট নামটি হোৱা বুলি কোৱা হয়। অৱশ্যে কোনো কোনোৱে পথৰুক শ্বেখ বা মুছলমান সম্প্ৰদায়ৰ বুলি ক'ব খোজে। যি নহওক, দুয়োটা জনশ্ৰুতিৰে ভিত্তি নথকা নহয়। বিদ্ৰোহৰ কালত পথৰুঘাট নামটিয়েই পাথৰিঘাট নামে জন সমাদৃত হয়।

এতিয়াৰ পৰা ১১৮ বছৰ পূৰ্বে ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ ঐতিহাসিক দিনটোত পথৰুঘাটত স্বৈৰাচাৰী ইংৰাজ শাসকৰ বিৰুদ্ধে নিৰস্ত্ৰ দৰিদ্ৰ কৃষকে নিজৰ নায্য প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ ১৪০ জনে আত্ম বলিদান দিয়াৰ ঘটনাক বিক্ষিপ্ত ঘটনা বুলি উৰাই দিব নোৱাৰি। ই আছিল খাজনা বৃদ্ধিৰ প্ৰতিবাদত তদানীন্তন আৰ্থ-ৰাজনৈতিক শোষণৰ বিৰুদ্ধে এক পৰিকল্পিত বিদ্ৰোহ। এই বিদ্ৰোহৰ পটভূমি বিশ্লেষণ কৰিলে দেখা যায় ঊনবিংশ শতিকাৰ শেষৰ চাৰিটা দশকত সংগঠিত হোৱা কৃষক জাগৰণৰ ই আছিল অনিবাৰ্য পৰিণতি। সমগ্ৰ অসম জুৰি চেগা-চোৰোকাকৈ সূত্ৰপাত হোৱা কৃষক বিদ্ৰোহৰ এইটো আছিল অন্তিম পৰিণতি।

১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীৰ ইয়াণ্ডাবু সন্ধিৰ আগলৈ অসমত ব্ৰিটিছ শাসনৰ সূত্ৰপাত হোৱা নাছিল। অসমত ৬০০ বছৰ ধৰি শাসন চলোৱা আহোম ৰাজশক্তি মানৰ উপৰ্যুপৰি তিনিটা আক্ৰমণত বিপৰ্যস্ত হৈ পৰা হেতু এই চুক্তি অনুসৰি আহোম ৰাজ্য ব্ৰিটিছ শাসনৰ লগত চামিল হৈছিল। উল্লেখযোগ্য যে তেতিয়াৰ দৰঙী ৰজা আৰু প্ৰজাসাধাৰণে কিন্তু এই চুক্তিৰ চৰ্তাৱলী সমৰ্থন কৰা নাছিল। আহোমৰ মিত্ৰ ৰাজ্য হিচাপেহে সম্পূৰ্ণ স্বাধীন ৰাজ্যৰ দৰে নিজা শাসন নীতিৰে ৰাজ্য চলাইছিল; কেৱল মাটিৰ খাজনাৰ বিনিময়ত পাইক খাটি দিছিল। অৱশ্যে কালৰ কুটিল গতিত দৰঙী ৰজাসকলৰো ক্ষমতা লাহে লাহে হ্ৰাস পাই আহিছিল। ১৮৩৩ খ্ৰীষ্টাব্দলৈ দৰঙী ৰজাসকলে কোনোমতে স্বাধীন হৈ আছিল যদিও আহোমৰ লগতে দৰঙী কোঁৱৰসকলৰো ৰাজ্য স্বত্ব ব্ৰিটিছৰ হাতলৈ গ'ল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমৰ অংশক চাৰিখন জিলাত ভাগ কৰাৰ ফলত গোৱালপাৰা, কামৰূপ, নগাঁওকে ধৰি দৰঙো (বিশ্বনাথকে ধৰি) পূৰ্বৰ দৰঙী ৰাজ্যৰ নামানুসৰি মঙলদৈক সদৰ কৰি সুকীয়া জিলা ৰূপে স্বীকৃত হৈছিল। পিছলৈ ব্ৰহ্মপুত্ৰৰ বানপানীৰ আশংকাত মঙলদৈৰ পৰা জিলা সদৰ তেজপুৰলৈ স্থানান্তৰিত কৰা হৈছিল।

ব্ৰিটিছ শাসকৰ লোলুপ দৃষ্টি দৰঙৰ সাৰুৱা ভূমিতো পৰিছিল। ব্ৰিটিছ শাসকসকলে ঔপনিৱেশিক শাসন-শোষণ অব্যাহত ৰখাৰ অজুহাতত অসমৰ যাতায়াত-পৰিবহন, আইন-আদালত, গৃহৰক্ষী আৰু সেনাবাহিনী আদিৰ বৰ্দ্ধিত খা-খৰচৰ প্ৰয়োজন হোৱাত ভূমি ৰাজহৰ জৰিয়তে তাক সংগ্ৰহ কৰিব খুজিছিল। সেই উদ্দেশ্যে মাটিৰ শ্ৰেণী বিভাগ

কৰি খাজনাৰ নিৰিখ নিৰ্দ্ধাৰণ কৰিলে। ইতিমধ্যে অসমৰ চাহ শিল্প, বনজ, খনিজ, জলজ আদি সম্পদৰ ওপৰত নতুন নতুন কৰ-কাটল বহুওৱা হৈছিল যদিও কৃষকসকলে মাটিৰ খাজনাৰ পৰা ৰেহাই পাই আছিল। কিন্তু ভূমি ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে মাটি পুনঃ পুনঃ পিয়ল কৰি বস্তি, ৰূপীত আৰু ফৰিঙতি- এই তিনি শ্ৰেণীত ভাগ কৰি খাজনা বহুৱাই দিলে। পূৰ্বৰ দেবোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ আৰু নানকৰ মাটিতো খাজনা ধাৰ্য কৰা হ'ল। বিঘাই প্ৰতি আঠ অনা আৰু কাটনি মাটিত এটকাকৈ খাজনা বহুৱাই ১৮৩০-৩১ চনত ১,৫৯,০০ টকা সংগ্ৰহ কৰিলে। ব্ৰিটিছৰ এই খাজনা শোষণ অব্যাহত থাকিল। এইবাৰ বৃত্তি ভিত্তিক খাজনা নিৰ্দ্ধাৰণ কৰি খাজনা দিব নোৱাৰা সকলৰ সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈও নেৰিলে। কৃষকৰ গৰু হাল, ম'হ, ঘোঁৰা আদি পোহনীয়া জন্তুৰ লগতে কৃষি সঁজুলিয়ো খাজনাৰ পৰা ৰেহাই নাপালে। দৰঙত এই কৰৰ বোজা আছিল অত্যধিক। 'মঙলদৈ বুৰঞ্জী' মতে দৰঙৰ পৰা খাজনা সংগৃহীত হৈছিল এনেধৰণে- ১৮৩২-৩৩ চনত ৪১,৫০৬ টকা, ১৮৪২-৪৩ চনত ১,৩৫,৪৫৪ টকা আৰু ১৮৫২-৫৩ চনত ১,৫৭,৭৯৫ টকা।

এনেদৰে প্ৰতি দহ বছৰৰ মূৰে মূৰে দৰঙী প্ৰজাৰ ওপৰত খাজনাৰ হাৰ বৃদ্ধি কৰি থকাত ৰাইজ অতীষ্ঠ হৈ উঠিল, প্ৰজাসকলে তেওঁলোকৰ আপত্তি ব্ৰিটিছ শাসকক জনাবলৈ ঠিৰাং কৰিলে। উল্লেখ্য যে তেতিয়াৰ কামৰূপ, নগাঁও আদি জিলাতো পুনৰ বৰ্দ্ধিত খাজনা নিৰিখে ৰাইজৰ মাজত অসন্তুষ্টি বৃদ্ধি কৰিছিল। ৰাইজ সংগঠিত হৈ 'ৰাইজ মেল'ৰ সৃষ্টি কৰিছিল আৰু ৰাইজ মেলৰ যোগেদি প্ৰজাসাধাৰণে বৰ্দ্ধিত নিৰিখত খাজনা নিদিয়াৰ সিদ্ধান্ত ব্ৰিটিছ প্ৰশাসনক জনাইছিল। কিন্তু ব্ৰিটিছ শাসকে ৰাইজৰ এই দাবী অৱজ্ঞা কৰিছিল। বৰং ১৮৬২-৬৩ চনত পুনৰ খাজনা বৃদ্ধিৰহে প্ৰস্তাৱ দিছিল। দৰঙী কৃষক ৰাইজ এইবাৰ অতীষ্ঠ হ'ল আৰু ৰাইজমেলৰ জৰিয়তে তীব্ৰ জনমত গঠন কৰি কামৰূপ আৰু নগাঁও জিলাৰ ৰাইজকো নিৰ্বিচাৰ খাজনা বৃদ্ধিৰ বিপক্ষে উচটাই দিলে। ফলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। ১৮৬৮ চনত দৰঙৰ জিলাধিপতি, মহকুমাধিপতি আৰু মহকুমা পুলিচ বিষয়াক ঘেৰাও কৰি বৰ্দ্ধিত খাজনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল যদিও ৰাইজৰ মুখীয়াল সকলৰ হস্তক্ষেপত শান্ত ৰূপ লৈছিল।

ব্ৰিটিছৰ খাজনা বৃদ্ধিৰ গতি কিন্তু ইমানতো ৰুদ্ধ নহ'ল। ১৮৭০ চনত পুনৰ মাটিৰ পিয়ল কৰিলে। এইবাৰ বস্তিৰ মাটিত প্ৰতি বিঘাত এটকা, ৰূপীত মাটিত দহ অনা আৰু ফৰিঙতি মাটিত আঠ অনাকৈ নতুন বৰ্দ্ধিত নিৰিখহে জাপি দিলে। কামৰূপ, নগাঁও, দৰং, শিৱসাগৰ আৰু লখিমপুৰ জিলাত এই নতুন নিৰিখ বলবৎ হ'ল। ৰাইজৰ অসন্তুষ্টি উমি উমি জ্বলিয়েই থাকিল।

১৮৯৩ চনৰ ঠিক আগে আগে 'কেডেষ্ট্ৰেল ছাৰ্ভে'ৰ দ্বাৰা সকলো আবাদী ভূমি ইংৰাজসকলে আকৌ পিয়ল কৰালে। ফলত ১৮৭০ চনৰ বৰ্দ্ধিত নিৰিখৰো দুগুণ খাজনাৰ বোজা ৰাইজৰ ওপৰত পৰিল। তেতিয়াৰ অসমৰ মুখ্য ভূমিকা লৈছিল অসমৰ প্ৰায় সকলো জিলাৰ ৰাইজে এই নতুন খাজনা নিৰিখ নামানিবলৈ ৰাইজ মেলৰ দ্বাৰা সিদ্ধান্ত ল'লে। ৰাইজমেলৰ আকোৰগোজ সিদ্ধান্তৰ উমান পাই ব্ৰিটিছ শাসকে এইবাৰ ৰাইজমেলবোৰৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিলে। এই নিষেধাজ্ঞাৰ প্ৰতিক্ৰিয়া স্বৰূপে নগাঁৱৰ ফুলগুৰি, কামৰূপৰ ৰঙিয়া, লাচিমা আদিত সংঘটিত হ'ল ব্যাপক সংঘৰ্ষৰ।

১৮৯৪ চনৰ ২৬ জানুৱাৰীত পথৰুঘাটত পুনৰ ৰাইজমেল বহিল। এই ৰাইজমেলতেই ৰাইজে তদানীন্তন পথৰুঘাটৰ তহচিলদাৰ ভৱানী চৰণ ভট্টাচাৰ্যক বৰ্দ্ধিত নিৰিখত খাজনা নিদিয়াৰ সিদ্ধান্ত জনাই দিলে। তহচিলদাৰে ২৮ জানুৱাৰী তাৰিখে জিলাৰ বৰচাহাবৰ সন্মুখত আপত্তি দৰ্শোৱাৰ পৰামৰ্শ দিলে। পৰামৰ্শৰ ভিত্তিত ২৮ জানুৱাৰীত ৰাইজ পুনৰ মেলত সন্মিলিত হ'ল। বাৰজন মিলিটাৰী সশস্ত্ৰ চিপাহী আৰু ঊনৈছজন বন্দুকধাৰী সাধাৰণ পুলিচ লৈ জিলাধিপতি এণ্ডাৰচন, মহকুমাধিপতি ৰেমচন আৰু মহকুমা পুলিচ বিষয়া বেৰিংটন ঘোঁৰাত উঠি পথৰুঘাটৰ ডাক বঙলাত নামিলহি। ৰাইজে বিষয়াসকলক নিজৰ আপত্তি দৰ্শালে। বিষয়াসকলে দাবী মানিবলৈ অমান্তি হ'ল। ৰাইজো অটল হৈ থাকিল। এটা সময়ত ৰাইজে 'আল্লাহু আকবৰ' আৰু 'হৰিধ্বনি' দি আকাশ-বতাহ কঁপাই তুলিলে। পৰিস্থিতি বেগতিক দেখি চিপাহীয়ে বাধা দিলে। উত্তেজিত ৰাইজক ছত্ৰভংগ দিয়াবলৈ এণ্ডাৰচনৰ ইংগিতত বেৰিংটনে লাঠীচাৰ্জৰ হুকুম দিলে। লাঠীৰ কোব খোৱা জনতা দুগুণে উত্তেজিত হ'ল। উত্তেজিত জনতাই দলি চপৰা, ফৰ্মুটি আদি দলিয়াই পুলিচক বাধা দিবলৈ সচেষ্ট হ'ল। এইবাৰ চিপাহীয়ে বৰ





চাহাবৰ আদেশত গুলী বৰ্ষণ কৰিলে। নিৰস্ত্ৰ কৃষক ৰাইজৰ মাজৰ পৰা ১৪০ জনৰ থিতাতে মৃত্যু হ'ল আৰু ১৫০ জনৰো অধিক আঘাতপ্ৰাপ্ত হ'ল। বাকী ৰাইজে ছত্ৰভংগ দিলে। ব্ৰিটিছ বিষয়াসকলে আৰু অধিক চিপাহী আনি মৃতসকলক ওচৰতে এটা সৰু পুখুৰীত পুতি থ'লে আৰু আহতসকলক মঙলদৈ হস্পিতাললৈ নি চিকিৎসা কৰিলে। পিছলৈ তেওঁলোকৰ এই বৰ্বৰতা ঢাকি ৰাখিবলৈ চৰকাৰীভাৱে ১৫ জন মৃত আৰু ৩৭ জন আহত হোৱা বুলিহে ঘোষণা কৰিলে। বহু আহত কৃষকে চৰকাৰৰ ৰোষত পৰাৰ ভয়ত এই কথা গোপন কৰিলে।

সাম্ৰাজ্যবাদী ব্ৰিটিছৰ খাজনা শোষণৰ বিৰুদ্ধে সংগঠিত জনৰোষৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে সংঘটিত এই বৰ্বৰ হত্যাকাণ্ড আছিল পৰৱৰ্তী কালৰ স্বাধীনতা আন্দোলনৰ জালিৱানৱালাবাগৰ হত্যাকাণ্ডতকৈও নৃশংস। কিন্তু তৎকালীন প্ৰচাৰ মাধ্যমৰ নিৰ্লিপ্ততাৰ ফলত এই ৰক্তাক্ত ঘটনা ভাৰতবৰ্ষ নালাগে অসমতেই বহুলভাৱে প্ৰচাৰিত নহ'ল। মাথোঁ নৰোত্তম ভণিত 'দলি পুৰাণ' নামৰ এক মালিতাত এই কৰুণ কাহিনী মানুহৰ মুখে মুখে প্ৰচাৰিত হৈ থাকিল। অৱশ্যে 'বংগবাসী' ইণ্ডিয়ান নেচন' আদি কাকতত এই ৰক্তাক্ত ঘটনাৰ বিৱৰণ প্ৰকাশিত হৈছিল। ইম্পেৰিয়েল লেজিচলেটিভ এচেম্বলীত ৰাসবিহাৰী ঘোষে বিষয়টো উত্থাপন কৰি ব্ৰিটিছ চৰকাৰক বিব্ৰত কৰিছিল। এনে পৰিস্থিতিত পৰিয়েই ভাৰত চৰকাৰে প্ৰথম অৱস্থাত ৫৩% আৰু পিছলৈ ৩২.৭% লৈ খাজনাৰ হাৰ কমাবলৈ বাধ্য হৈছিল।

পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ কেইটামান উল্লেখযোগ্য দিশ লক্ষ্য কৰিব পাৰি—

এই বিদ্ৰোহ সম্পূৰ্ণ স্বতঃস্ফূৰ্ত আছিল। কোনো নিৰ্দ্দিষ্ট নেতা অবিহনে কৃষকসকল খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইয়ে তেওঁলোকৰ নায্য অধিকাৰৰ প্ৰতি থকা সজাগতাৰ পৰিচয় দাঙি ধৰে।

কৃষকসকলে জাতি, ধৰ্ম, সম্প্ৰদায়ৰ সংকীৰ্ণতাৰ ঊৰ্দ্ধত নায্য প্ৰাপ্তিৰ হকে মাৰ বান্ধি থিয় দিছিল। হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ চূড়ান্ত নিদৰ্শন আছিল এই বিদ্ৰোহ।

এই বিদ্ৰোহ আছিল সম্পূৰ্ণ অহিংস। নিৰীহ কৃষকৰ মৃত্যু হৈছিল যদিও কোনো ব্ৰিটিছ বিষয়া হতাহত হোৱা নাছিল।

এই কৃষক বিদ্ৰোহীসকলৰ উদ্দেশ্য খাজনা বৃদ্ধিৰ বিৰুদ্ধে থিয় দিয়াৰ বাহিৰে ব্ৰিটিছ শাসন ওফৰাবৰ বাবে সমসাময়িক ভাৰতৰ ঔপনিৱেশিক শাসন বিৰোধী ধাৰাৰ লগত কোনো সম্পৰ্ক নাছিল। এই বিদ্ৰোহীৰ বিস্তৃতি সীমাৱদ্ধ আছিল।

পথৰুঘাটৰ কৃষক বিদ্ৰোহত ৰাইজমেলৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ কিন্তু ৰণৰ লগে লগে ৰাইজমেল ভূমিকা অন্ত পৰে আৰু তাৰ ঠাইত ৰায়ত সভাৰ জন্ম হয়- যাৰ নেতৃত্ব বহন কৰিছিল শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে।

পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ সুমহান ঐতিহ্য আজিও প্ৰেৰণা সঞ্চাৰী হৈ আছে। যিহেতু এই বিদ্ৰোহ সংগঠিত হৈছিল 'ৰাইজমেল'ৰ নেতৃত্বত- ৰাইজৰ মাজত জাত-পাত কিম্বা ধৰ্মীয় বিচাৰৰ সংকীৰ্ণতা নাছিল। 'বিয়াহ পেৰীয়া বামুণ, তৰা গেঞা গৰীয়া'কৈ ধৰি কোচ, শালৈ প্ৰভৃতি সাধাৰণ হোজা কৃষকেই ইয়াৰ চালিকা শক্তি আছিল। সচেতনভাৱে বিদেশী প্ৰভূত্ববাদৰ বিৰুদ্ধে পথৰুঘাটকে প্ৰমুখ্য কৰি অসমৰ অন্যান্য ঠাইৰ কৃষক বিদ্ৰোহসমূহে বিৰোধিতা কৰা নাছিল যদিও পৰৱৰ্তী কালত হোৱা স্বাধীনতা সংগ্ৰামৰ উৰ্বৰ ভূমি প্ৰস্তুত কৰাত অৰিহণা যোগাইছিল। ●●

১) লক্ষ্মীনাথ তামুলী ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান, দ্বিতীয় সংস্কৰণ, ১৯৯৭,পৃষ্ঠা - ৩৩
২) প্ৰসেনজিৎ চৌধুৰী ঃ অসমৰ চাহ বনুৱা আৰু উনৈশ শতিকাৰ বিদ্বৎ সমাজ, ১৯৮৯, পৃষ্ঠা - ১৫
৩) ড°ৰমেশ চন্দ্ৰ কলিতা ঃ অসমৰ কালানুক্ৰমিক ইতিহাস, অসম প্ৰকাশন পৰিষদ, ২০০৬, পৃষ্ঠা - ৭৩
৪) ড° প্ৰফুল্ল মহন্ত ঃ অসমীয়া জাতীয়তাবাদৰ উৎস প্ৰসংগ, ১৯৯৪, পৃষ্ঠা - ১০৩
৫) ডাঃ ধ্ৰুৱজ্যোতি বৰা ঃ 'পষ্টমদাৰ্নিজিম' সমাজ আৰু সাহিত্য, ১৯৯৭ (ৰামধেনু যুগৰ মূল্যায়ন শীৰ্ষক আলোচনা) পৃষ্ঠা- ৯৩
৬) অনিল ৰায় চৌধুৰী ঃ অসমত প্ৰজা অভ্যুত্থান ঃ ঊনৈশ শতিকা ( উৎস ঃ পথৰুঘাট, স্মৃতিগ্ৰন্থ, পথৰুঘাট ৰণৰ শতবৰ্ষ, ১৯৯৪, সম্পাদনা ঃ প্ৰসন্ন কুমাৰ নাথ।)

* দ্ৰষ্টব্য ঃ ড°ৰমেশ চন্দ্ৰ কলিতাৰ ঃ Assam Association : A study in Regionalism, (1903-35); 2006
ড°প্ৰফুল্ল মহন্তৰ ঃ অসমীয়া জাতীয়তাবাদৰ উৎস প্ৰসংগ, ১৯৯৪
ড°মনোৰমা শৰ্মাৰ ঃ Social and Economic change in Assam : Middle Class Hegemony, 1990
যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ঃ অসমৰ সামাজিক ৰূপান্তৰ আৰু মধ্যশ্ৰেণীৰ বিকাশ ২০০৫

*(লেখক পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক)*

# দৰঙৰ সামগ্ৰিক ইতিহাস প্ৰণয়নত পথৰুঘাট অঞ্চলৰ ঐতিহাসিক সমলৰ প্ৰাসংগিকতা

॥ ড° নগেন্দ্ৰ নাথ শৰ্মা ॥

'He who learns nothing from the past'
will be punished by the Future
ZARATHUSHTRA

১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে ব্ৰিটিছৰ ঔপনিবেশিক চৰকাৰে ভূমি-ৰাজহ বৃদ্ধি কৰাৰ প্ৰতিবাদত পথৰুঘাটত সমবেত হোৱা জনতাক গুলী কৰোঁতে ১৪০ গৰাকী লোকৰ মৃত্যু ঘটিছিল। চৰকাৰী হিচাবমতে কেৱল ১৫ জন লোকৰ মৃত্যু আৰু ৩৭ জন লোক আহত হোৱা বুলি তথ্য সন্নিৱিষ্ট কৰা হৈছিল। সেই সময়ৰে পৰা পথৰুঘাটৰ গুৰুত্ব যদিও বাঢ়িছিল, অসমৰ বুৰঞ্জীবিদসকলে বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। উক্ত ঘটনাৰ সময়ত মঙলদৈত তহচিলদাৰ হৈ থকা পদ্মনাথ গোহাঞি বৰুৱাই লেখা অসম বুৰঞ্জী আৰু তেওঁৰ জীৱন সোঁৱৰণীত পথৰুঘাটৰ সেই ঐতিহাসিক ঘটনা সম্পৰ্কে সামান্যতমো উল্লেখ কৰা নাই। একে সময়তে তেজপুৰৰ পৰা আনি পথৰুঘাটত তহচিলদাৰ পাতি থোৱা ভবানীচৰণ ভট্টাচাৰ্য আৰু একেই ঠাইৰে আমদানিকৃত ঘনকান্ত চলিহা বৰুৱা কলাইগাঁওৰ তহচিলদাৰ হৈ আছিল। পদ্মনাথ গোহাঞি বৰুৱাই লেখা অনুযায়ী তিনিও গৰাকী তেজপুৰীয়া তহচিলদাৰৰ মাজত অতি ঘনিষ্ঠ সম্পৰ্ক আছিল। পৰৱৰ্তী কালত ১৯১৩ চনৰ ২ জানুৱাৰীত পোনপ্ৰথমবাৰৰ বাবে সদস্যসকলৰ শপত অনুষ্ঠানেৰে আৰম্ভ হোৱা, আসাম লেজিচলেটিভ কাউন্সিলৰ সদস্য হোৱাৰ ক্ষেত্ৰতো, একালৰ পথৰুঘাটৰ তহচিলদাৰ ভবানী চৰণ ভট্টাচাৰ্যই সংগ আৰু সমৰ্থন দিছিল।

মূলতঃ অসমীয়া জাতিৰ মূধাফুটা পদ্মনাথ গোহাঞি বৰুৱাৰ দৰে ব্যক্তি প্ৰত্যক্ষভাৱে জড়িত হৈ পথৰুঘাটৰ যুগান্তকাৰী ঐতিহাসিক ঘটনাৰ বিষয়ে কোনো সমল আমাক দি নগ'ল। এনে ভাৱে দেখা যায় যে যোগ্যতা থকা সত্বেও, ব্যক্তিসকলে ব্যৱহাৰ নকৰাৰ ফলত আমাৰ বহুতো গৌৰৱময় ইতিহাস পাহৰণিৰ গৰ্ভত সোমাই পৰিছে।

আজিৰ প্ৰজন্মই বহু যত্ন কৰি কেৱল ২৪ গৰাকী ছহিদৰ নাম সংগ্ৰহ কৰিছে। বাকীসকলৰ নাম-ঠিকনা এতিয়াও পোৱা হোৱা নাই।

দৰঙৰ ইতিহাস প্ৰণয়নত পথৰুঘাট অঞ্চলৰ জন সমষ্টি, বিভিন্ন বিশ্বাস আৰু সংস্কাৰৰ বিৱৰ্তন, প্ৰব্ৰজন আৰু মিশ্ৰণ, কলা-সংস্কৃতিৰ বিৱৰ্তন, মৌখিক সাহিত্য, লিখিত সাহিত্য, ভাষা ব্যাকৰণৰ ক্ষেত্ৰত অৱদান আৰু এই অঞ্চলৰ জনসাধাৰণৰ সংগ্ৰামী ইতিহাস দৰঙৰ বাবে অতি আৱশ্যকীয়। দ্বিতীয়তে, দৰঙৰ অতীত আৰু মধ্য যুগৰ ইতিহাস সম্পৰ্কেও এই অঞ্চলত অনেক সমল আছে।

<u>দৰঙৰ প্ৰাক্ কোচ-আহোম ইতিহাসৰ সমল</u> ঃ

সূৰ্যখড়ি বিপ্ৰৰ দ্বাৰা প্ৰণীত দৰং ৰাজবংশাৱলী অনুযায়ী কোচ ৰজা নৰনাৰায়ণৰ ভাতৃ গোঁহাই কমলে পশ্চিমে সুদূৰ কোচবিহাৰৰ পৰা শদিয়াৰ ওচৰৰ অৰুণাচল প্ৰদেশৰ পাদদেশলৈকে সৈন্য পৰিচালনাৰ বাবে এটা ৰাজ পথ সাজিছিল। এই পথটোক 'গোঁহাই কমল আলি' বোলা হয়। এই পথটোৰ বিভিন্ন অংশ এতিয়াও আছে।

এই পথ সজাৰ সময়ত হিমালয় পাদদেশৰ পৰা দক্ষিণে বহুতো দেৱালয় তথা পুৰণি পূজা-পাতলৰ ঠাই পোৱা বুলি উল্লেখ আছে। আলি প্ৰস্তুত হওঁতে কোনো কোনো নিবন্ধকাৰে ছমাহ আৰু কোনো কোনোৰ মতে এবছৰ সময় লগা বুলি কোৱা হৈছিল। এই তথ্যৰ ভিত্তিত বুজা যায় যে প্ৰায় ৬০০ কিঃ মিঃ দীঘল এই আলিবাটৰ অৱস্থিতি নিৰ্ণয় কৰি ছমাহ বা এবছৰত সাজি উলিওৱাটো সম্ভৱ নহয়। এতেকে প্ৰমাণ হয় যে ৰাজ ভাতৃ গোঁহাই কমলে অতীতৰ পথ স্থানীয় ৰাইজৰ সহযোগত মেৰামতি আৰু উন্নীত কৰিছিল আৰু ভৱিষ্যতে সৈন্যসকলৰ বাবে প্ৰয়োজনীয় পানীৰ বাবে এক নিৰ্দিষ্ট দূৰত্বত পুখুৰী খন্দাইছিল; তথা পুৰণি পুখুৰী নবীকৰণ কৰাইছিল। দ্বিতীয়তে, দৰং ৰাজবংশাৱলীত উল্লেখ কৰা অনুযায়ী এই পথটোৰ উত্তৰে আৰু দক্ষিণে বহুতো পুৰণা দেৱালয় নবীকৰণ কৰি তথা মন্দিৰ আদি পুনৰ নিৰ্মাণ কৰি, আলিৰ উত্তৰৰ দেৱালয়বোৰ সাধাৰণ থলুৱা পদ্ধতিৰে আৰু দক্ষিণৰ দেৱালয়বোৰ সনাতনী বিধিগত পদ্ধতিৰে পূজা-পাতল কৰাৰ ব্যৱস্থা কৰি দেৱালয়ৰ নামত মাটি-বৃত্তি দান কৰিছিল।

ওপৰত উল্লেখ কৰা তথ্য ভিত্তিক ইতিহাসৰ পৰা প্ৰমাণিত হয় যে অকল পথৰুঘাটতেই নহয় সমগ্ৰ অবিভাজ্য দৰঙত কোচ আহোমসকলৰ পূৰ্বতেও জনবসতি থকাৰ ওপৰিও বিভিন্ন ৰাজনৈতিক ব্যৱস্থাৰ ইতিহাস আছিল। পথৰুঘাট অঞ্চল তথা দৰঙৰ সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনবসতিৰ উত্থান পতনৰ ইতিহাসৰ লগত ওতপ্ৰোতভাৱে জড়িত। পথৰুঘাটক কেন্দ্ৰ কৰি অনেক পুৰণা পুখুৰী, মাটিৰ গড় আৰু খাৱৈ; তাৰ উপৰিও শিল আৰু ইটাৰ মন্দিৰ বা বিভিন্ন সৌধৰ ভগ্নাৱশেষ সিঁচৰতি হৈ পৰি আছে। কিছুমান পুৰণি পুখুৰীত ইটা বা শিলেৰে সজোৱা খট্‌খটীৰ ভগ্নাৱশেষ আছে। পথৰুঘাটৰ নাতিদূৰত থকা তাম্ৰেশ্বৰ দেৱালয় যদিও কোচ-আহোম কালৰ ভূমি দানেৰে পৃষ্ঠপোষকতাৰ ইতিহাস আছে; ৰুদ্ৰেশ্বৰ দেৱালয়ৰ মূল শিৱ লিংগ বিগ্ৰহটো আৰু গহ্বৰৰ বেৰত খচিত শিলৰ বিষ্ণু মূৰ্তিটো প্ৰাক্ কোচ-আহোম যুগৰ বুলি সহজে ঠাৱৰ কৰিব পাৰি।

ৰুদ্ৰেশ্বৰ দেৱালয়ৰ লগত ওতপ্ৰোত সম্পৰ্ক থকা তাম্ৰেশ্বৰ দেৱালয়ৰ ভগ্নাৱশেষ প্ৰাক্ কোচ-আহোম যুগৰ বুলি সহজে ঠাৱৰ কৰিব পাৰি। তাম্ৰেশ্বৰৰ শিলৰ মন্দিৰৰ ভগ্নাৱশেষত খোদিত পদুম, বিভিন্ন বিগ্ৰহৰ উপৰিও বিশেষকৈ প্ৰৱেশ দ্বাৰৰ সন্মুখত সংযোজিত শিলাখণ্ডত খোদিত অতি মসৃণ গণেশৰ মূৰ্তিবোৰ উচ্চস্তৰীয় ভাস্কৰ্যৰ নিদৰ্শন। তাৰে এটা ভাস্কৰ্যৰ খণ্ড গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত অৱস্থাত আছে।

পথৰুঘাটক কেন্দ্ৰ কৰি বৰমপুৰ, পচকিয়া, বিহুভাঙা, বলদেৱপাৰা, বালিপাৰা, সমলা, বুঢ়ীনগৰ, পদ্মাঝাৰ ইত্যাদি ঠাইত অনেক পুখুৰী আৰু মাটিৰ গড় আছে। দীঘিৰ পুখুৰী, জয়পাল পুখুৰী ইত্যাদিৰ কিছু ইতিহাস যদিও পোৱা যায়, আনবোৰৰ ক্ষেত্ৰত কিছুমান কিংবদন্তিৰ বাহিৰে অন্য তথ্য পোৱা নাযায়। এই পুখুৰী আৰু গড়বোৰৰ কিছু সংখ্যক কোচ-আহোম ৰজাৰ কালৰ হ'লেও ভূড়াৰগড়, লক্ষীমপুৰ, পদুমপুখুৰী, যোৰা পুখুৰী আৰু ওপৰত উল্লেখ কৰা পুখুৰীবোৰৰ বহুতেই যে প্ৰাক্ কোচ-আহোম কালৰ তাক ঠাৱৰ কৰিব পাৰি।

তাম্ৰেশ্বৰৰ বিপুল পৰিমাণৰ প্ৰত্নতাত্ত্বিক সমল, পাতিদৰঙৰ শিৱ-পাৰ্বতীৰ অৰ্ধনাৰীশ্বৰ দেৱমূৰ্তিয়ে পথৰুঘাট অঞ্চলৰ প্ৰাচীন ঐতিহাসিক কাল উন্মোচন কৰে। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যান্য ঠাইৰ দৰে পথৰুঘাটতো চতুৰ্থ শতিকাৰ পৰা সপ্তম শতিকাৰ মাজভাগলৈকে ৰাজত্ব কৰা তেৰ গৰাকী বৰ্মন বংশৰ ৰজা, সপ্তম শতিকাৰ পৰা দশম শতিকালৈকে একৈশ গৰাকী শালস্তম্ভ বংশৰ ৰজা; দশম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰা সাতগৰাকী পাল বংশীয় ৰজাৰ উপৰিও জিটাৰী বংশৰ ৰজাসকল; ভূঞাসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰপুঞ্জৰ ইতিহাসৰ সমলো হয়তো পথৰুঘাট অঞ্চলত পোৱা যাব।

ইতিমধ্যে বৃহত্তৰ দৰং জিলা এলেকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পূৰ্বপুৰুষসকলে ভূঞা ৰজা হিচাপে ৰাজত্ব কৰাৰ কথা চৰিত পুথিত থকাৰ উপৰিও ঐতিহাসিক সমলে প্ৰমাণ কৰিছে। বৃহত্তৰ দৰং এলেকাতেই ভূঞাসকলৰ এটা ফৈদ বৈষ্ণৱ আৰু আন এটা ফৈদ শাক্ত হোৱাৰ তথ্যও ইতিমধ্যে সদৰি হৈছে।

সেয়ে পথৰুঘাট অঞ্চলৰ প্ৰত্নতাত্ত্বিক সমল আৰু পুখুৰীসমূহে অকল দৰং জিলাতেই নহয় অসমৰ ইতিহাসৰ ক্ষেত্ৰতো সমল যোগাব পাৰিব বুলি আশা কৰিব পাৰি।

<u>জন সমষ্টি ঃ ইতিহাসৰ বুনিয়াদী সমল</u> ঃ

আজিৰ পথৰুঘাটৰ জনসমষ্টি বুলি ক'লে প্ৰায় এশ বিশ

বছৰ পুৰণি বৃহস্পতিবৰীয়া পথৰুঘাটৰ সাপ্তাহিক বজাৰৰ লগত জড়িত লোকসকলৰ বাসস্থানক যদি এটা বৃহৎ এলেকা বুলি ধৰি লওঁ, বিবেচনা আৰু বিশ্লেষণৰ বাবে বৰ কঠিন হ'ব। সেয়ে আপেক্ষিকভাৱে সৰু হ'লেও, পথৰুঘাট ৰাজহচক্ৰটোকেই সূচিত কৰিলে অধ্যয়নৰ বাবে সুবিধাজনক হ'ব।

সেই অনুযায়ী আজিৰ পথৰুঘাট ৰাজহ চক্ৰৰ ভিতৰত ৮৬ খন গাঁও আছে। মৌজা - বোনমাঝা, দিপীলা, সৰাবাৰী আৰু ৰইনাকুছি। মুঠ জনসংখ্যা ১,০৫,৪৪৬ (এক লাখ পাঁচ হাজাৰ চাৰিশ ছয়চল্লিশ) জন। সৰাবাৰী মৌজাত জনসংখ্যা সৰ্বাধিক; ৩৮,০৬০ জন।

পথৰুঘাটৰ জনসমষ্টিৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰধান কাৰণ হৈছে ১৮৯৪ চনৰ ঐতিহাসিক বিদ্ৰোহ আৰু বিপৰ্যয়ৰ সময়ত যি সকল লোক পথৰুঘাট তহচিলৰ ভিতৰত আছিল; তেওঁলোকৰ সতি-সন্ততি বহুতেই এই অঞ্চলত এতিয়াও নিগাজিকৈ বসবাস কৰি আছে। পথৰুঘাট চক্ৰৰ কাননগো মঃ মহচিন আলি শইকীয়াই দিয়া তথ্য অনুসৰি অসমৰ ভিতৰত পথৰুঘাটেই হয়তো একমাত্ৰ ৰাজহ চক্ৰ যিটো এজনো অন্য ব্যক্তি নোহোৱাকৈ কেৱল কোচ- আহোম যুগৰ অসমীয়াৰ সতি সন্ততিৰে পৰিপূৰ্ণ। যি এজন বিহাৰী মুচি আছিল তেওঁ আজি কিছুদিন আগতে ঢুকাইছে। উজনি অসমত মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, ব্ৰিটিছৰ অসম দখল, বিভিন্ন অঞ্চলত মাৰি মৰকত জহনী ইত্যাদিয়ে সমগ্ৰ অসম ১৭৬৯ চনৰ পৰা ১৮২৬ চন আৰু পৰৱৰ্তী প্ৰায় ১৮৫০ চন মানলৈকে কল্পনাতীত দুৰ্যোগত ভুগি বিভিন্ন অঞ্চল জনশূন্য হৈ পৰাৰ উপৰিও অনেক লোকে কেৱল জীৱন ৰক্ষাৰ বাবেই লোক সমাজৰ আশ্ৰয় বিচাৰি প্ৰব্ৰজন কৰিছিল। তেনে অৱস্থাত বৃহৎ পথৰুঘাট অঞ্চলৰ পৰাও বহুলোক অন্যান্য ঠাইলৈ যোৱাৰ উপৰিও বিভিন্ন সময়ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিশেষকৈ কামৰূপৰ পৰা কিছুমানলোক বৰ্তমানৰ ৰাজহ চক্ৰৰ পশ্চিম অঞ্চলত সোমাই স্থানীয় লোকৰ লগত বসবাস কৰিছিল। তেনে দুৰ্যোগপূৰ্ণ সময় প্ৰায় চাৰি কুৰি বছৰ চলা সত্বেও পথৰুঘাটৰ জনসমষ্টিৰ ভূমিপুত্ৰ তথা অসমীয়া চৰিত্ৰ আজিলৈকেও অক্ষুণ্ণ আছে।

দ্বিতীয়তে, ব্ৰিটিছ যুগৰ বৃহৎ দৰং জিলা বৰ্তমানে শোণিতপুৰ, ওদালগুৰি আৰু দৰং এই তিনিখন জিলাত বিভক্ত হৈছে। তেজপুৰত সদৰ ঠাই থকা কালৰ ব্ৰিটিছ দৰঙত পথৰুঘাট তহচিলতেই জনবসতিৰ ঘনত্ব সৰ্বাধিক আছিল। ১৮৯১ চনত ৪৫,৮২১ আৰু ১৯০১ চনত ৩৬,১৭৭ জন লোক আছিল। দহ বছৰৰ ভিতৰত ৯,৬৪৪ জন লোক পথৰুঘাট তহচিলত কমিছিল। ইয়াৰ মূল কাৰণ আছিল; ব্যাপক কলাজ্বৰ, হাইজা, বসন্ত আৰু গ্ৰহণী। তথাপিতো প্ৰতি বৰ্গমাইল তথা ১.৬০৯ বৰ্গ কিঃ মিঃত ২১৫ জন লোকৰ বসতি পথৰুঘাট তহচিলত আছিল। দ্বিতীয় স্থান, প্ৰতি বৰ্গ মাইলত ২০৫ জন লোকেৰে কলাইগাঁও তহচিলে পাইছিল। তৃতীয়তে আছিল ১৮৬ লোক বসতিৰে তেজপুৰ তহচিল আৰু হৰিশিঙা মৌজা। সেই সময়ত মঙলদৈ তহচিলত প্ৰতি বৰ্গ মাইলত ১৬২ জন লোক আছিল। সেই সময়ছোৱাত মঙলদৈ তহচিলত একেই কাৰণতে ৭,৬৭৭ গৰাকী আৰু কলাইগাঁও তহচিলত বাগানৰ বনুৱা আমদানি কৰা সত্বেও থলুৱা লোকৰ মাজৰ ৩,৫৩১ জন লোক কমিছিল।

আমি এইখিনিতে কলাইগাঁও আৰু মঙলদৈ তহচিলৰ বিষয়ে উল্লেখ কৰাৰ কাৰণ হ'ল - পথৰুঘাটৰ ঐতিহাসিক ঘটনা আৰু অন্যান্য সকলো ঐতিহাসিক সমলৰ ক্ষেত্ৰতেই কলাইগাঁও আৰু মঙলদৈ তহচিল ওতপ্ৰোতভাৱে জড়িত। মূলতঃ ওপৰত উল্লেখ কৰা চাৰি কুৰি বছৰৰ ধাৰাবাহিক দুৰ্যোগ, বিপৰ্যয়, অৰাজকতা, মাৰিমৰক ইত্যাদিৰ মাজতো পথৰুঘাট, মঙলদৈ আৰু কলাইগাঁও তহচিল এলেকাত মধ্যযুগৰ ভূমিপুত্ৰসকলৰ কিছু সংখ্যক লোক জোঁট বান্ধি বাচি থাকিবলৈ সক্ষম হৈছিল। আনহাতে বৰ্তমানৰ দৰং জিলাৰ পূব উত্তৰ অঞ্চল ওদালগুৰি জিলাৰ সামগ্ৰিক ভাৱেই প্ৰায়বোৰ অঞ্চলেই জনবসতি শূন্য হৈ পৰিছিল। ১৮৭৩-৭৪ চনৰে পৰা পোৱা হিচাপ অনুযায়ী দৰঙৰ জনসংখ্যা অতি কম আৰু বসতি যে সেৰেঙা আছিল তাক সহজে ঠাৱৰ কৰিব পাৰি।

সি যি কি নহওক আজিৰ পথৰুঘাট অঞ্চলৰ জনসমষ্টিৰ পৰা বিশ্বাস তথা ধৰ্ম সংস্কাৰৰ বিৱৰ্তন সম্পৰ্কীয় ইতিহাস, প্ৰব্ৰজন আৰু সংমিশ্ৰণ সম্পৰ্কীয় ইতিহাস, কলা-সংস্কৃতি সম্পৰ্কীয় ইতিহাস, ভাষা -সাহিত্য সম্পৰ্কীয় ইতিহাস আৰু বিশেষকৈ বিভিন্ন যুগৰ আৰু সময়ৰ সংগ্ৰামী ইতিহাস সম্পৰ্কে অনেক তথ্য দৰঙৰ ইতিহাসত সংযোজন কৰিব পৰা হ'ব।

পথৰুঘাট অঞ্চলৰ লোকৰ মাজত হিন্দু বিশ্বাসৰ পৰিসৰৰ মাজৰ বিভিন্ন পথ অৱলম্বন কৰা লোকসমষ্টি আছে। বৰখেলীয়া ভক্ত তথা ৰাতিখোৱা সম্প্ৰদায়ৰ বিশ্বাস আৰু আচৰণৰ মাজত বৌদ্ধ ধৰ্মৰ তান্ত্ৰিক বিশ্বাসৰ প্ৰভাৱ, সামগ্ৰিক হিন্দুৰ বিভিন্ন অৱতাৰৰ প্ৰভাৱ, বৈষ্ণৱ পন্থাৰ প্ৰভাৱ আৰু





থলুৱা বিভিন্ন দেৱ-দেৱতাৰ ওপৰত থকা বিশ্বাসৰ প্ৰভাৱৰ কথাও দেখা যায়। তেনে ভাৱে পুথিনেচীয়া আৰু অন্যান্য পৌৰাণিক বৈষ্ণৱ পন্থীৰ উপৰিও নৈব্য বিভিন্ন বৈষ্ণৱপন্থী বিশ্বাসৰ সমাজ পথৰুঘাট অঞ্চলত আছে। তেওঁলোকে ধৰ্ম বিশ্বাসৰ সম্পৰ্কত অলিখিত আৰু লিখিতভাৱে অনেক বিশ্বাস সম্পৰ্কীয় ইতিহাসৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। তাৰ উপৰিও শৈৱ, শাক্ত, সাৰ্বজনীন সনাতনী হিন্দু সংঘ বিশ্বাসৰ বিৱৰ্তনমূলক ইতিহাসৰ সমল এই জনসমষ্টিৰ মাজত পোৱা যাব।

**খটৱা সত্ৰ ঃ**

পথৰুঘাটৰ নিকটৱৰ্তী খটৱা সত্ৰ যদিও প্ৰতিষ্ঠিত ইতিহাসৰ ভিত্তিতেই নৱ বৈষ্ণৱ যুগৰ মহান সম্পদ এই সত্ৰৰ সাৰ্বজনীনতাই বৈষ্ণৱ আচৰণৰ এক বিশেষ ইতিহাসৰ সৃষ্টি কৰিছিল। খটৱা কেৱল বৈষ্ণৱৰেই তীৰ্থ স্থান নহয়; শিৱ, শাক্তৰ উপৰিও ইছলাম ধৰ্মৰ লোকেও এই সত্ৰক শ্ৰদ্ধা কৰে আৰু মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ দৃষ্টান্তও আছে। সেয়ে খটৱা সত্ৰক সাৰ্বজনীনভাৱে সকলো বিশ্বাসৰ লোকৰ মহাতীৰ্থ আখ্যা দিব পাৰি।

**প্ৰথম মছজিদ ঃ ইছলাম ধৰ্মীয়সকলৰ আচৰণ আৰু বিৱৰ্তনঃ**

দৰং জিলাৰ প্ৰথম মছজিদটো পথৰুঘাটৰ পূব-দক্ষিণে তুৰাই গাঁৱত প্ৰতিষ্ঠা হৈছিল। আজিও চৈয়দ বংশীয় বুলি সকলো মুছলমানে সমীহ কৰা তুৰাই গাঁৱৰ পৰিয়াল কেইটামানে সেই মছজিদটো প্ৰাৰ্থনা গৃহ কৰি ৰাখিছে। অৱশ্যে মুছলমান ৰাইজে জয়পাল পুখুৰীৰ পাৰত এটা আটক-ধুনীয়া মছজিদ গঢ়ি তুলিছে।

এইখিনিতে উল্লেখযোগ্য যে ১৯ শতিকাৰ নৱম দশকলৈকে পথৰুঘাট অঞ্চলৰ হিন্দু আৰু মুছলমানসকলৰ খাদ্যাভ্যাস, পিন্ধন-উৰণ, সামাজিক আৰু পাৰিবাৰিক আচাৰ-ব্যৱহাৰ প্ৰায় একেই আছিল। ইছলামধৰ্মীসকলে ১৯ শতিকাৰ নৱম দশকলৈকে গো-মাংসও ভক্ষণ নকৰিছিল। ব্ৰিটিছ যুগৰ বৃহৎ দৰং জিলাৰ ভিতৰত পথৰুঘাট তহচিলতেই সকলোতকৈ অধিক ইছলাম ধৰ্মীয় লোক আছিল। তেওঁলোকৰ সকলোৱে ঘৰতে বোৱা ভুনি বা আপেক্ষিকভাৱে বহল পাৰিৰ ধূতি পোন্ধ মাৰি পিন্ধিছিল। কোনো কোনোৱে আপেক্ষিকভাৱে সৰু ভুনি বা ধূতিক 'পিন্ধা গামচা' বুলিও কৈছিল। হিন্দু আৰু মুছলমান দুয়ো সম্প্ৰদায়ৰ পুৰুষ-মহিলাৰ পোচাক প্ৰায় একেই আছিল। মাথো কিছু সংখ্যক বিশেষ লোকৰ মহিলাই দুই এটা হাত দীঘল চোলা পৰিধান কৰিছিল। হিন্দু আৰু মুছলমান দুয়ো ধৰ্মৰ মহিলায়েই উৎসৱ পাৰ্বণ, বিয়া-সবাহ বা বিশেষ গুৰুত্বপূৰ্ণ সকলো অৱস্থাতেই সম্পূৰ্ণ গা-মূৰ ঢাকি কাপোৰ পিন্ধাৰ নিয়ম আছিল।

এতেকে পথৰুঘাটৰ জনসাধাৰণক সমল হিচাপে লৈ অধ্যয়ন কৰিলে দৰং জিলাৰ সমাজৰ সামগ্ৰিক আচৰণৰ বিৱৰ্তন সম্পৰ্কে অনেক ইতিহাসৰ সমল পোৱা যাব।

**কৃষ্টিৰ ঐতিহাসিক সমল ঃ**

পথৰুঘাট অঞ্চলৰ জনসাধাৰণৰ মাজত থকা সাংস্কৃতিক ইতিহাস অতি গুৰুত্বপূৰ্ণ। হিন্দু আৰু মুছলমান দুয়ো ধৰ্ম বিশ্বাসী লোকে ওজাপালি গোৱা, ঢুলীয়া আৰু নামুৱৈৰ জোঁট হৈ কৃষ্টি প্ৰদৰ্শন কৰাৰ উপৰিও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা এক বিশেষ পৰম্পৰা আছে। ঊনবিংশ শতিকাৰ শেষ দশকলৈকে বিশেষকৈ পদ্ম পুৰাণৰ ভিত্তিত অতি উচ্চ খাপৰ ৰাগ-ৰাগিনী, তাল-মান, লয় আৰু সুৰেৰে হাজাৰ হাজাৰ দৰ্শকক মোহিত কৰি ৰাখিব পৰা ইছলাম ধৰ্মাৱলম্বী ওজাপালি আছিল। চিয়াগীত আৰু চেৰাঢেক দুয়ো সম্প্ৰদায়ৰে প্ৰিয় কণ্ঠশিল্প আছিল। মূলতঃ ওপৰত উল্লেখ কৰা লোক-সংস্কৃতিসমূহ সাৰ্বজনীনভাৱে দুয়ো ধৰ্মাৱলম্বী লোকেই গ্ৰহণ কৰিছিল। পথৰুঘাট অঞ্চলৰ মুছলমানসকলৰ মাজত ওজা পৰিয়াল, ঢুলীয়াৰ ঘৰ ইত্যাদি এতিয়াও পৰিচয় সূচক হিচাপে কিছুমান লোকৰ ক্ষেত্ৰত জড়িত হৈ আছে।

**লোক সাহিত্যৰ সমল ঃ** পথৰুঘাট অঞ্চলৰ সকলো স্তৰৰ আৰু সকলো বিশ্বাসৰ লোকৰ মাজত সাৰ্বজনীন ভাৱে বিয়াগীত, নাঙেলী গীত, চিয়াগীত, কানিয়া সেৱাৰ গীত, ফকৰা যোজনা, সাঁথৰ, ঠাৰ বা আনে নুবুজাকৈ কোৱা বিশেষ লোকৰ ভাষা, কিংবদন্তি আৰু উপকথা, অলৌকিক ভূত-প্ৰেত, দ'ত ইত্যাদি মনোৰঞ্জক কাহিনী প্ৰায়বোৰ লোকৰ মাজতেই পোৱা যায়। ইয়াৰোপৰিও বয়সস্থসকলে শিশুসকলক কোৱা অনেক সাধু আৰু নীতি কথা প্ৰচলিত আছে।

ইতিমধ্যে অনাতাঁৰ আৰু দূৰদৰ্শনে জনসাধাৰণক ব্যস্ত ৰখাৰ বাবে লোক সাহিত্যৰ ওপৰোক্ত সমলসমূহ ক্ৰমান্বয়ে অচল হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত তৎকালীনভাৱে উদ্ধাৰৰ প্ৰয়োজন হৈছে।

অৱশ্যে আমি জনাত ড° কনক চন্দ্ৰ চহৰীয়া আৰু ড° বিজয় কুমাৰ শৰ্মাই এই সম্পৰ্কত আংশিকভাৱে হ'লেও বহুতো সমল সংৰক্ষণ কৰিছে।

**সাহিত্য আৰু ভাষাৰ সমল ঃ**

সৰাবাৰীৰ ৰাজপুৰোহিত পৰিয়ালৰ বিভিন্নজনৰ ঘৰত অনেক পৌৰাণিক পুথি ব্যক্তিগতভাৱে সংৰক্ষিত হৈ আছে। ইতিমধ্যে ভাৰত চৰকাৰে লোৱা আঁচনিৰ অধীনত সৰাবাৰী অঞ্চলৰ বিভিন্ন পৰিয়াল আৰু ব্যক্তিৰ হাতত থকা পুথিবোৰৰ পঞ্জীয়ন হোৱা বুলি আমি জানিব পাৰিছো। এই পুথিসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা আধুনিক কম্পিউটাৰত স্কেনিং কৰি ৰখাৰ ব্যৱস্থা তৎকালীনভাৱে লোৱাৰ প্ৰয়োজন হৈছে। এই আপুৰুগীয়া পুৰণি পুথিবোৰ এতিয়াও বিস্তৃত আৰু গভীৰভাৱে অধ্যয়ন কৰিলে অকল দৰঙৰেই নহয়, উত্তৰ পূব ভাৰতৰ ঐতিহাসিক সমল পোৱাৰ সম্ভাৱনা আছে। পীতাম্বৰ সিদ্ধান্ত বাগীশত বাহিৰেও অন্যান্য অনেক পণ্ডিতৰ অৰিহণা হয়তো ইতিহাসৰ সমল হিচাবে ওলাব।

পথৰুঘাটৰ নিকটৱৰ্তী দিপীলা, হৰিপুৰ, নাপ্তাপাৰা, ঢোপৰতল, কটাহী, ৰাইজঘাট, শান্তিপুখুৰী, ঘোপা, তুৰাই, বলদেৱপাৰা, ব্যাসপাৰা ইত্যাদি অঞ্চলত ৩০০ ৰ পৰা ৪০০ বছৰ পুৰণি কিছুমান চন্দ্ৰবিপ্ৰ, সূৰ্যবিপ্ৰ, বেজ বা বৈদ্য পৰিয়ালৰ উপৰিও অনেক মহন্ত, মেধি আৰু হাজৰিকা, শইকীয়া, বড়া, পাটগিৰি ইত্যাদিৰ সামন্ত শ্ৰেণীৰ পৰিয়াল আছে। এই সকলৰ ঘৰত বিভিন্ন পুৰণি পুথি থকাৰ উপৰিও বেজালিৰ বাবে বিভিন্ন তন্ত্ৰ-মন্ত্ৰ আৰু ঔষধ সম্পৰ্কীয় পুথি সঞ্চিত আছে। কোনো কোনো ব্যক্তিয়ে কিছু সংখ্যক সংগ্ৰহ কৰি ৰক্ষা কৰাৰ তথ্যও সদৰি হৈছে। কিন্তু হিন্দু আৰু মুছলমান দুয়ো ধৰ্মৰ বেজ-জ্ঞানীসকলৰ পৰা সকলো সমল এতিয়াও পঞ্জীয়ন কৰিব পৰা হোৱা নাই। তেনে সম্পদসমূহ গুপুতে ৰখাৰ নিয়ম বেজসকলৰ মাজত প্ৰচলিত থকাৰ বাবেই, ব্যাপক পঞ্জীয়ন হয়তো সম্ভৱপৰ নহ'ব। তথাপিতো ব্যাপক প্ৰচাৰৰ জৰিয়তে বিশেষকৈ বেজসকলৰ সমলসমূহ আৰু তথাকথিত গুপুত তন্ত্ৰ-মন্ত্ৰসমূহ ঐতিহাসিক সমল হিচাপে সংগ্ৰহ কৰাৰ প্ৰয়োজন হৈছে।

মুদ্ৰা আৰু অলংকাৰ ঃ পথৰুঘাট অঞ্চলৰ পুৰণি পৰিয়াল সমূহত মোগল-কোচ আৰু আহোমৰ কালত মুদ্ৰা বিক্ষিপ্ত আৰু পঞ্জীয়নহীন ভাৱে থকাৰ উপৰিও দশম শতিকাৰ আগৰ ব্ৰঞ্জৰ দ্বাৰা হাতে নিৰ্মিত 'ধুলা পাদুঙ মুদ্ৰা' পোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে আহোম আৰু মোগল যুগৰ মুদ্ৰা আমাৰ হাতত পৰিছে। আমি পোৱা দুটা 'ধুলা পাদুঙ মুদ্ৰা' ৰাজ্যিক সংগ্ৰহালয়ত জমা দিয়া হৈছে।

১৮২৬ চনৰ আগৰে পৰাই ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মুদ্ৰা আৰু পৰৱৰ্তী কালৰ ব্ৰিটিছ মুদ্ৰা পথৰুঘাটৰ পুৰণি পৰিয়ালবোৰৰ জিম্মাত পোৱাৰ সকলো সম্ভাৱনা আছে। — পাই, বিভিন্ন এপইচা, দুপইচা, অনা বা চৰতীয়া, দুঅনা বা আধমহীয়া, সিকি আৰু বিভিন্ন ৰূপৰ মুদ্ৰা আজিৰ প্ৰজন্মই হয়তো দেখিবলৈ পোৱা নাই। কিন্তু মই বিশ্বাস কৰো যে বৃহৎ পথৰুঘাট অঞ্চলৰ পুৰণা পৰিয়ালবোৰৰ হাতত এতিয়াও অনাদৰে তেনেবোৰ সম্পদ পৰি আছে।

গামখাৰু, মুঠি খাৰু, পাটিখাৰু, ফুটি, জাংফাই ফুটি, নাকফুল, বিভিন্ন মণি, গলপাতা, ঢোলমাদলী, জোনমাদলী, দুকদুকী, নাক আৰু কাণৰ বিভিন্ন কেৰু, অভিজাত পুৰুষ বা দৰাই পিন্ধা কেৰু, মুৰীয়াল ইত্যাদি অতীতৰ ব্যৱহাৰ্য সামগ্ৰী ইতিহাসৰ সমল। পথৰুঘাট অঞ্চলত অনেক পুৰণি পৰিয়ালত অনুসন্ধান কৰি তেনেবোৰ সম্পদ পঞ্জীয়ন কৰা অতীৱ প্ৰয়োজন হৈছে।

**সংগ্ৰামী ইতিহাসৰ সমল ঃ**

দৰঙৰ সংগ্ৰামী ইতিহাসৰ সমল ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখৰ পথৰুঘাটৰ ৰণেই কেৱল নহয়। ১৭ শতিকাৰ আগৰ ইতিহাস নাপালেও এই অঞ্চলৰ জনসাধাৰণৰ পৰা কোচ-আহোম কালৰ বিভিন্ন সংগ্ৰাম সম্পৰ্কে আৰু ব্ৰিটিছ যুগৰ সংগ্ৰাম আৰু স্বাধীনতা আন্দোলন সম্পৰ্কে এই অঞ্চলত অনেক সমল আছে।

আহোম-কোচ ৰাজত্ব কালত বিশেষকৈ শৰাইঘাট ৰণৰ কালৰে পৰা পৰৱৰ্তী সকলো ৰণতেই দৰং ৰাজ্যৰ পৰা সৈন্য পঠিওৱা হৈছিল। উত্তৰ ফালৰ পৰা ভুটীয়াসকলৰ আক্ৰমণ আৰু দৌৰাত্মৰ বিৰুদ্ধেও বিভিন্ন সময়ত সংগ্ৰাম কৰিব লগা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ কালত কোচ ৰজাই লগত সৈন্য লৈ বৰ্তমান নগাঁও জিলাৰ বিভিন্ন ঠাইত মোৱামৰীয়াৰ বিপক্ষে আহোম ৰজাৰ হৈ যুঁজ দিছিল। মোৱামৰীয়াৰ অতপালিত থাকিব নোৱাৰি তথা যুদ্ধ নকৰি 'পলাই অহা বহু ভগনীয়াৰে দৰং ৰাজ্য ভৰি পৰিছিল। সেই





সময়ত ভগনীয়াৰ শিবিৰ পতা বা অন্নদান কৰাৰ ব্যৱস্থা হোৱা নাছিল। তাতে ৰজা নিজে গৈ নগাঁৱৰ যুঁজত আছিল। সেই সংকট কালত পথৰুঘাটকে ভিতৰ কৰি সকলো অঞ্চলৰ প্ৰায় আঢ়ৈশ মুখিয়াল লোকে এক বিশেষ প্ৰস্তাৱ লৈ ৰজা কৃষ্ণ নাৰায়ণলৈ বাতৰি দি মাতি পঠিয়াইছিল। ইতিমধ্যে পথৰুঘাটকে ভিতৰ কৰি দৰঙীয়া ৰাইজে শান্ত আৰু অমায়িকসকলক নিজ নিজ স্থানত আশ্ৰয় দিছিল; আৰু আনহাতে দম্ভ দৌৰাত্মকাৰী ভগনীয়াসকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ সেই সকলক নিয়ন্ত্ৰণ কৰিছিল। ৰজা কৃষ্ণ নাৰায়ণ আহি পোৱা পাছত ভগনীয়া নিয়ন্ত্ৰণৰ দায়িত্ব নিজে লোৱাই নহয় আহোম ৰাজনৈতিক ব্যৱস্থা ভাঙি পৰা হেতু দৰং ৰাজ্য নিজাববীয়াকৈ পৰিচালনা কৰাৰ ব্যৱস্থা লৈছিল।

ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায়ত আহোম ৰজাই কোচ ৰজা কৃষ্ণ নাৰায়ণক বিদ্ৰোহী সজাই কেপ্তেইন ওৱেলচৰ দ্বাৰা বশীভূত কৰিছিল। উল্লেখযোগ্য যে ৰজা কৃষ্ণ নাৰায়ণে দৰং ৰক্ষাৰ বাবে কিছুমান ইছলাম ধৰ্মীয় বৰকন্দাজ যুঁজাৰু নিজ সৈন্য দলত ভৰ্তি কৰাইছিল। সেই সকলৰো কিছু সংখ্যক পথৰুঘাট তহচিল এলেকাত স্থায়ী ভাৱে বৈ গৈছিল। সেয়ে গোটেই জিলাৰ ভিতৰতে পথৰুঘাটত ইছলাম ধৰ্মীয় লোকৰ সংখ্যাই অধিক নহয় জনসংখ্যাৰ ঘনত্বও সৰ্বাধিক আছিল।

১৮৯১ আৰু ১৯০১ চনৰ লোক পিয়ল অনুযায়ী পথৰুঘাট, কলাইগাঁও আৰু মঙলদৈ তহচিলত যথাক্ৰমে ৯,৬৪৪; ৩,৫৩১ আৰু ৭,৬৭৭ জনকৈ লোক কমা সত্বেও পথৰুঘাটৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিঃ মিঃত সৰ্বাধিক আছিল। ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ ঘটনাটোক 'কৃষক বিদ্ৰোহ' বুলি কোৱা হৈছে। কিন্তু বিজ্ঞানসন্মত অধ্যয়নৰ মাধ্যমত বিভিন্ন সমলৰ ওপৰত ভিত্তি কৰি এই ঘটনাক 'সাৰ্বজনীন গণ বিপ্লৱ' বুলি ক'ব পৰা হ'ব। এই সম্পৰ্কত গৱেষকসকলৰ বাবে আমি কেইটামান সংগতি তথা সমল আঙুলিয়াই দিব বিচাৰিছো।

(ক) কোচ-আহোম কালত দৰং ৰাজ্যত পাইক ব্যৱস্থা আছিল। তিনিজন পাইকেৰে এটা গোট। সেই গোটৰ একোজন পাইকে বছৰত চাৰিমাহকৈ খাটনি খাটি ভূমি ৰাজহ দিয়াৰ নিয়ম আছিল। প্ৰতি পাইকে তেনে খাটনিৰ বাবদ আঠবিঘাকৈ মাটি ৰাজহ মুক্তভাৱে খাব পাৰিছিল। আঠবিঘাতকৈ অধিক মাটি ল'লৈ প্ৰতি বিঘাত চাৰিঅনা অৰ্থাৎ বৰ্তমানৰ পঁচিশ পইচা ৰাজহ দিব লগা হৈছিল। প্ৰতিটো যৌথ পৰিয়ালে বছৰত এটকাকৈ পাৰিবাৰিক ৰাজহ দিব লগা হৈছিল।

এই ব্যৱস্থাৰ পৰা ব্ৰিটিছ যুগত শ্ৰমৰ পৰিবৰ্তে ধনেৰে ৰাজহ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। তেনে ভাৱে ১৮৩৪-৩৫ চনত সমগ্ৰ ব্ৰিটিছ দৰং জিলাত ১,০৭,৩০২/- টকা ভূমি ৰাজহ কোম্পানীৰ চৰকাৰে আদায় কৰিছিল। ১৮৫৮ চনত ভাৰতবৰ্ষ ব্ৰিটিছ চৰকাৰৰ পোনপটীয়া শাসনলৈ যোৱাৰ পাছৰে পৰা কৰ বৃদ্ধি কৰাৰ ব্যৱস্থা আহি পৰিল। ১৮৬৮-৬৯ চনত ব্ৰিটিছ দৰঙত মুঠ ভূমি-ৰাজহ হৈছিল ৩,৫৭,৭৬৮/- টকা।

এই বৃদ্ধিৰ সময়ত পথৰুঘাটক কেন্দ্ৰ কৰি মাটিৰ পট্টাদাৰ আৰু কৃষকসকলে আপত্তি আৰম্ভ কৰিছিল। ব্ৰিটিছ চৰকাৰে ৰাইজৰ আপত্তি শুনাৰ পৰিবৰ্তে বিভিন্ন প্ৰকাৰে ৰাজহ বৃদ্ধি কৰি আছিল। ১৮৯৩ চনত এটা নতুন পদ্ধতিৰে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ বস্তি, ৰূপিত আৰু ফৰিঙতি তিনিও প্ৰকাৰ মাটিৰেই সুকীয়া সুকীয়া ৰাজহ নিৰ্ধাৰণ কৰিলে। - যিটো তহচিলত জনসংখ্যা সৰ্বাধিক; তাতে মাটিৰ চাহিদা বেছি বুলি নিৰ্ণয় কৰি সৰ্বোচ্চ নিৰিখত ৰাজহ নিৰ্ধাৰণ কৰা ব্যৱস্থা কৰা হ'ল। সেই অনুযায়ী ব্ৰিটিছ দৰং জিলাৰ ভিতৰতে সৰ্বাধিক জনবসতিৰ ঘনত্বৰ পথৰুঘাট তহচিল এলেকাত বস্তিৰ ক্ষেত্ৰত বিঘাই প্ৰতি ছয় অনা, ৰূপিতত এটকা আৰু ফিৰিঙতিত বাৰ অনা নিৰ্ধাৰণ কৰা হ'ল। আনহাতে নিম্নতম ঘনত্বৰ মৌজা বা তহচিলত বিঘাই প্ৰতি এটকা, দহ অনা (ষাঠি পইচা), আঠ অনা (পঞ্চাশ পইচা) নিৰ্ধাৰিত হ'ল। সেই অনুযায়ী ১৮৯৩-৯৪ চনত দৰং জিলাৰ মুঠ ভূমি ৰাজহ সংগ্ৰহৰ পৰিমাণ হ'ল ৬,৪৮,৮২০/- টকা।

(খ) মঙলদৈ, কলাইগাঁও আৰু পথৰুঘাট তহচিলত দৰঙৰ ৰাজপৰিয়াল, অভিজাত ব্যক্তি ইত্যাদিৰ বাবে ৰাজহ বিহীন নিষ্পী আৰু অৰ্ধ ৰাজহৰ নিষ্পীখেৰাজ ভূমি থকাৰ উপৰিও পথৰুঘাটৰ নিকটৱৰ্তী ৰুদ্ৰেশ্বৰ দেৱালয়ৰ বাবে ৫৮৭ বিঘা অৰ্ধ ৰাজহৰ ভূমি আৰু তাম্ৰেশ্বৰ মন্দিৰৰ নামত ২৮ বিঘা নিষ্কৰ মাটি আৰু ৮৭৩ বিঘা অৰ্ধ ৰাজহৰ মাটি আছিল।

(গ) নৰোত্তম নামৰ স্বভাৱ কবি এজনে ৰচনা কৰা দলি পুৰাণ অনুযায়ী ৰাজহ সম্পৰ্কে আপত্তি দিবলৈ সাধাৰণ জনতা যদিও পথৰুঘাটলৈ গৈছিল তেওঁ বিশেষভাৱে মেনা বা মুখীয়াললোকসকল তথা অধিক মাটি থকা লোকসকল যোৱা বুলি বিশেষভাৱে উল্লেখ কৰিছে। পাটগিৰি, হাল নোবোৱা ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক, মুক্তিয়াৰ, গাওঁবুঢ়া, মহাজন, দলৈ, মণ্ডল, বিভিন্ন নামৰ মেনা, দেৱালয়ৰ পাণ্ডা আৰু জাতি-বৰ্ণ-

অৱশ্যে আমি জনাত ড° কনক চন্দ্ৰ চহৰীয়া আৰু ড° বিজয় কুমাৰ শৰ্মাই এই সম্পৰ্কত আংশিকভাৱে হ'লেও বহুতো সমল সংৰক্ষণ কৰিছে।

**সাহিত্য আৰু ভাষাৰ সমল ঃ**

সৰাবাৰীৰ ৰাজপুৰোহিত পৰিয়ালৰ বিভিন্নজনৰ ঘৰত অনেক পৌৰাণিক পুথি ব্যক্তিগতভাৱে সংৰক্ষিত হৈ আছে। ইতিমধ্যে ভাৰত চৰকাৰে লোৱা আঁচনিৰ অধীনত সৰাবাৰী অঞ্চলৰ বিভিন্ন পৰিয়াল আৰু ব্যক্তিৰ হাতত থকা পুথিবোৰৰ পঞ্জীয়ন হোৱা বুলি আমি জানিব পাৰিছো। এই পুথিসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা আধুনিক কম্পিউটাৰত স্কেনিং কৰি ৰখাৰ ব্যৱস্থা তৎকালীনভাৱে লোৱাৰ প্ৰয়োজন হৈছে। এই আপুৰুগীয়া পুৰণি পুথিবোৰ এতিয়াও বিস্তৃত আৰু গভীৰভাৱে অধ্যয়ন কৰিলে অকল দৰঙৰেই নহয়, উত্তৰ পূব ভাৰতৰ ঐতিহাসিক সমল পোৱাৰ সম্ভাৱনা আছে। পীতাম্বৰ সিদ্ধান্ত বাগীশত বাহিৰেও অন্যান্য অনেক পণ্ডিতৰ অৰিহণা হয়তো ইতিহাসৰ সমল হিচাবে ওলাব।

পথৰুঘাটৰ নিকটৱৰ্তী দিপীলা, হৰিপুৰ, নাম্পাপাৰা, ঢোপৰতল, কটাহী, ৰাইজঘাট, শান্তিপুখুৰী, ঘোপা, তুৰাই, বলদেৱপাৰা, ব্যাসপাৰা ইত্যাদি অঞ্চলত ৩০০ ৰ পৰা ৪০০ বছৰ পুৰণি কিছুমান চন্দ্ৰবিপ্ৰ, সূৰ্যবিপ্ৰ, বেজ বা বৈদ্য পৰিয়ালৰ উপৰিও অনেক মহন্ত, মেধি আৰু হাজৰিকা, শইকীয়া, বড়া, পাটগিৰি ইত্যাদিৰ সামন্ত শ্ৰেণীৰ পৰিয়াল আছে। এই সকলৰ ঘৰত বিভিন্ন পুৰণি পুথি থকাৰ উপৰিও বেজালিৰ বাবে বিভিন্ন তন্ত্ৰ-মন্ত্ৰ আৰু ঔষধ সম্পৰ্কীয় পুথি সঞ্চিত আছে। কোনো কোনো ব্যক্তিয়ে কিছু সংখ্যক সংগ্ৰহ কৰি ৰক্ষা কৰাৰ তথ্যও সদৰি হৈছে। কিন্তু হিন্দু আৰু মুছলমান দুয়ো ধৰ্মৰ বেজ-জ্ঞানীসকলৰ পৰা সকলো সমল এতিয়াও পঞ্জীয়ন কৰিব পৰা হোৱা নাই। তেনে সম্পদসমূহ গুপুতে ৰখাৰ নিয়ম বেজসকলৰ মাজত প্ৰচলিত থকাৰ বাবেই, ব্যাপক পঞ্জীয়ন হয়তো সম্ভৱপৰ নহ'ব। তথাপিতো ব্যাপক প্ৰচাৰৰ জৰিয়তে বিশেষকৈ বেজসকলৰ সমলসমূহ আৰু তথাকথিত গুপুত তন্ত্ৰ-মন্ত্ৰসমূহ ঐতিহাসিক সমল হিচাপে সংগ্ৰহ কৰাৰ প্ৰয়োজন হৈছে।

মুদ্ৰা আৰু অলংকাৰ ঃ পথৰুঘাট অঞ্চলৰ পুৰণি পৰিয়াল সমূহত মোগল-কোচ আৰু আহোমৰ কালত মুদ্ৰা বিক্ষিপ্ত আৰু পঞ্জীয়নহীন ভাৱে থকাৰ উপৰিও দশম শতিকাৰ আগৰ ব্ৰঞ্জৰ দ্বাৰা হাতে নিৰ্মিত 'ধূলা পাদুঙ মুদ্ৰা' পোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে আহোম আৰু মোগল যুগৰ মুদ্ৰা আমাৰ হাতত পৰিছে। আমি পোৱা দুটা 'ধূলা পাদুঙ মুদ্ৰা' ৰাজ্যিক সংগ্ৰহালয়ত জমা দিয়া হৈছে।

১৮২৬ চনৰ আগৰে পৰাই ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মুদ্ৰা আৰু পৰৱৰ্তী কালৰ ব্ৰিটিছ মুদ্ৰা পথৰুঘাটৰ পুৰণি পৰিয়ালবোৰৰ জিম্মাত পোৱাৰ সকলো সম্ভাৱনা আছে। — পাই, বিভিন্ন এপইচা, দুপইচা, অনা বা চৰতীয়া, দুঅনা বা আধমহীয়া, সিকি আৰু বিভিন্ন ৰূপৰ মুদ্ৰা আজিৰ প্ৰজন্মই হয়তো দেখিবলৈ পোৱা নাই। কিন্তু মই বিশ্বাস কৰো যে বৃহৎ পথৰুঘাট অঞ্চলৰ পুৰণা পৰিয়ালবোৰৰ হাতত এতিয়াও অনাদৰে তেনেবোৰ সম্পদ পৰি আছে।

গামখাৰু, মুঠি খাৰু, পাটিখাৰু, ফুটি, জাংফাই ফুটি, নাকফুল, বিভিন্ন মণি, গলপাতা, ঢোলমাদলী, জোনমাদলী, দুকদুকী, নাক আৰু কাণৰ বিভিন্ন কেৰু, অভিজাত পুৰুষ বা দৰাই পিন্ধা কেৰু, মৃবীয়াল ইত্যাদি অতীতৰ ব্যৱহাৰ্য সামগ্ৰী ইতিহাসৰ সমল। পথৰুঘাট অঞ্চলত অনেক পুৰণি পৰিয়ালত অনুসন্ধান কৰি তেনেবোৰ সম্পদ পঞ্জীয়ন কৰা অতীব প্ৰয়োজন হৈছে।

**সংগ্ৰামী ইতিহাসৰ সমল ঃ**

দৰঙৰ সংগ্ৰামী ইতিহাসৰ সমল ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখৰ পথৰুঘাটৰ ৰণেই কেৱল নহয়। ১৭ শতিকাৰ আগৰ ইতিহাস নাপালেও এই অঞ্চলৰ জনসাধাৰণৰ পৰা কোচ-আহোম কালৰ বিভিন্ন সংগ্ৰাম সম্পৰ্কে আৰু ব্ৰিটিছ যুগৰ সংগ্ৰাম আৰু স্বাধীনতা আন্দোলন সম্পৰ্কে এই অঞ্চলত অনেক সমল আছে।

আহোম-কোচ ৰাজত্ব কালত বিশেষকৈ শৰাইঘাট ৰণৰ কালৰে পৰা পৰৱৰ্তী সকলো ৰণতেই দৰং ৰাজ্যৰ পৰা সৈন্য পঠিওৱা হৈছিল। উত্তৰ ফালৰ পৰা ভুটীয়াসকলৰ আক্ৰমণ আৰু দৌৰাত্ম্যৰ বিৰুদ্ধেও বিভিন্ন সময়ত সংগ্ৰাম কৰিব লগা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ কালত কোচ ৰজাই লগত সৈন্য লৈ বৰ্তমান নগাঁও জিলাৰ বিভিন্ন ঠাইত মোৱামৰীয়াৰ বিপক্ষে আহোম ৰজাৰ হৈ যুঁজ দিছিল। মোৱামৰীয়াৰ অতপালিত থাকিব নোৱাৰি তথা যুদ্ধ নকৰি 'পলাই অহা বহু ভগনীয়াৰে দৰং ৰাজ্য ভৰি পৰিছিল। সেই সময়ত ভগনীয়াৰ শিবিৰ পতা বা অন্নদান কৰাৰ ব্যৱস্থা হোৱা নাছিল। তাতে ৰজা নিজে গৈ নগাঁৱৰ যুঁজত আছিল। সেই সংকট কালত পথৰুঘাটকে ভিতৰ কৰি সকলো অঞ্চলৰ প্ৰায় আঢ়ৈশ মুখিয়াল লোকে এক বিশেষ প্ৰস্তাৱ লৈ ৰজা কৃষ্ণ নাৰায়ণলৈ বাতৰি দি মাতি পঠিয়াইছিল। ইতিমধ্যে পথৰুঘাটকে ভিতৰ কৰি দৰঙীয়া ৰাইজে শান্ত আৰু অমায়িকসকলক নিজ নিজ স্থানত আশ্ৰয় দিছিল; আৰু আনহাতে দম্ভ দৌৰাত্ম্যকাৰী ভগনীয়াসকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ সেই সকলক নিয়ন্ত্ৰণ কৰিছিল। ৰজা কৃষ্ণ নাৰায়ণ আহি পোৱা পাছত ভগনীয়া নিয়ন্ত্ৰণৰ দায়িত্ব নিজে লোৱাই নহয় আহোম ৰাজনৈতিক ব্যৱস্থা ভাঙি পৰা হেতু দৰং ৰাজ্য নিজাববীয়াকৈ পৰিচালনা কৰাৰ ব্যৱস্থা লৈছিল।

ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায়ত আহোম ৰজাই কোচ ৰজা কৃষ্ণ নাৰায়ণক বিদ্ৰোহী সজাই কেপ্তেইন ওৱেলচৰ দ্বাৰা বশীভূত কৰিছিল। উল্লেখযোগ্য যে ৰজা কৃষ্ণ নাৰায়ণে দৰং ৰক্ষাৰ বাবে কিছুমান ইছলাম ধৰ্মীয় বৰকন্দাছ যুঁজাৰু নিজ সৈন্য দলত ভৰ্তি কৰাইছিল। সেই সকলৰো কিছু সংখ্যক পথৰুঘাট তহচিল এলেকাত স্থায়ী ভাৱে ৰৈ গৈছিল। সেয়ে গোটেই জিলাৰ ভিতৰতে পথৰুঘাটত ইছলাম ধৰ্মীয় লোকৰ সংখ্যাই অধিক নহয় জনসংখ্যাৰ ঘনত্বও সৰ্বাধিক আছিল।

১৮৯১ আৰু ১৯০১ চনৰ লোক পিয়ল অনুযায়ী পথৰুঘাট, কলাইগাঁও আৰু মঙলদৈ তহচিলত যথাক্ৰমে ৯,৬৪৪; ৩,৫৩১ আৰু ৭,৬৭৭ জনকৈ লোক কমা সত্বেও পথৰুঘাটৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিঃ মিঃত সৰ্বাধিক আছিল। ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ ঘটনাটোক 'কৃষক বিদ্ৰোহ' বুলি কোৱা হৈছে। কিন্তু বিজ্ঞানসন্মত অধ্যয়নৰ মাধ্যমত বিভিন্ন সমলৰ ওপৰত ভিত্তি কৰি এই ঘটনাক 'সাৰ্বজনীন গণ বিপ্লৱ' বুলি ক'ব পৰা হ'ব। এই সম্পৰ্কত গৱেষকসকলৰ বাবে আমি কেইটামান সংগতি তথা সমল আঙুলিয়াই দিব বিচাৰিছো।

(ক) কোচ-আহোম কালত দৰং ৰাজ্যত পাইক ব্যৱস্থা আছিল। তিনিজন পাইকেৰে এটা গোট। সেই গোটৰ একোজন পাইকে বছৰত চাৰিমাহকৈ খাটনি খাটি ভূমি ৰাজহ দিয়াৰ নিয়ম আছিল। প্ৰতি পাইকে তেনে খাটনিৰ বাবদ আঠবিঘাকৈ মাটি ৰাজহ মুক্তভাৱে খাব পাৰিছিল। আঠবিঘাতকৈ অধিক মাটি ল'লে প্ৰতি বিঘাত চাৰিঅনা অৰ্থাৎ বৰ্তমানৰ পঁচিশ পইচা ৰাজহ দিব লগা হৈছিল। প্ৰতিটো যৌথ পৰিয়ালে বছৰত এটকাকৈ পাৰিবাৰিক ৰাজহ দিব লগা হৈছিল।

এই ব্যৱস্থাৰ পৰা ব্ৰিটিছ যুগত শ্ৰমৰ পৰিৱৰ্তে ধনেৰে ৰাজহ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। তেনে ভাৱে ১৮৩৪-৩৫ চনত সমগ্ৰ ব্ৰিটিছ দৰং জিলাত ১,০৭,৩০২/- টকা ভূমি ৰাজহ কোম্পানীৰ চৰকাৰে আদায় কৰিছিল। ১৮৫৮ চনত ভাৰতবৰ্ষ ব্ৰিটিছ চৰকাৰৰ পোনপটীয়া শাসনলৈ যোৱাৰ পাছৰে পৰা কৰ বৃদ্ধি কৰাৰ ব্যৱস্থা আহি পৰিল। ১৮৬৮-৬৯ চনত ব্ৰিটিছ দৰঙত মুঠ ভূমি-ৰাজহ হৈছিল ৩,৫৭,৭৬৮/- টকা।

এই বৃদ্ধিৰ সময়ত পথৰুঘাটক কেন্দ্ৰ কৰি মাটিৰ পট্টাদাৰ আৰু কৃষকসকলে আপত্তি আৰম্ভ কৰিছিল। ব্ৰিটিছ চৰকাৰে ৰাইজৰ আপত্তি শুনাৰ পৰিৱৰ্তে বিভিন্ন প্ৰকাৰে ৰাজহ বৃদ্ধি কৰি আছিল। ১৮৯৩ চনত এটা নতুন পদ্ধতিৰে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ বস্তি, ৰূপিত আৰু ফৰিঙতি তিনিও প্ৰকাৰ মাটিৰেই সুকীয়া সুকীয়া ৰাজহ নিৰ্ধাৰণ কৰিলে। - যিটো তহচিলত জনসংখ্যা সৰ্বাধিক; তাতে মাটিৰ চাহিদা বেছি বুলি নিৰ্ণয় কৰি সৰ্বোচ্চ নিৰিখত ৰাজহ নিৰ্ধাৰণ কৰা ব্যৱস্থা কৰা হ'ল। সেই অনুযায়ী ব্ৰিটিছ দৰং জিলাৰ ভিতৰতে সৰ্বাধিক জনবসতিৰ ঘনত্বৰ পথৰুঘাট তহচিল এলেকাত বস্তিৰ ক্ষেত্ৰত বিঘাই প্ৰতি ছয় অনা, ৰূপিতত এটকা আৰু ফিৰিঙতিত বাৰ অনা নিৰ্ধাৰণ কৰা হ'ল। আনহাতে নিম্নতম ঘনত্বৰ মৌজা বা তহচিলত বিঘাই প্ৰতি এটকা, দহ অনা (ষাঠি পইচা), আঠ অনা (পঞ্চাশ পইচা) নিৰ্ধাৰিত হ'ল। সেই অনুযায়ী ১৮৯৩-৯৪ চনত দৰং জিলাৰ মুঠ ভূমি ৰাজহ সংগ্ৰহৰ পৰিমাণ হ'ল ৬,৪৮,৮২০/- টকা।

(খ) মঙলদৈ, কলাইগাঁও আৰু পথৰুঘাট তহচিলত দৰঙৰ ৰাজপৰিয়াল, অভিজাত ব্যক্তি ইত্যাদিৰ বাবে ৰাজহ বিহীন নিষ্পী আৰু অৰ্ধ ৰাজহৰ নিষ্পীখেৰাজ ভূমি থকাৰ উপৰিও পথৰুঘাটৰ নিকটৱৰ্তী ৰুদ্ৰেশ্বৰ দেৱালয়ৰ বাবে ৫৮৭ বিঘা অৰ্ধ ৰাজহৰ ভূমি আৰু তাম্ৰেশ্বৰ মন্দিৰৰ নামত ২৮ বিঘা নিষ্কৰ মাটি আৰু ৮৭৩ বিঘা অৰ্ধ ৰাজহৰ মাটি আছিল।

(গ) নৰোত্তম নামৰ স্বভাৱ কবি এজনে ৰচনা কৰা দলি পুৰাণ অনুযায়ী ৰাজহ সম্পৰ্কে আপত্তি দিবলৈ সাধাৰণ জনতা যদিও পথৰুঘাটলৈ গৈছিল তেওঁ বিশেষভাৱে মেনা বা মুখীয়াললোকসকল তথা অধিক মাটি থকা লোকসকল যোৱা বুলি বিশেষভাৱে উল্লেখ কৰিছে। পাটগিৰি, হাল নোবোৱা ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক, মুক্তিয়াৰ, গাওঁবুঢ়া, মহাজন, দলৈ, মণ্ডল, বিভিন্ন নামৰ মেনা, দেৱালয়ৰ পাণ্ডা আৰু জাতি-বৰ্ণ-



স্মৃতিগ্ৰন্থ ঃ **পথৰুঘাট** ঃ কৃষক শ্বহীদ দিৱস-২০২১

ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোক পথৰুঘাটত গোট হৈ এদিন ভবানী ভট্টাচাৰ্য তহচিলদাৰক আৰু ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে জিলাৰ উপায়ুক্তৰ ওচৰত আপত্তি দৰ্শাইছিল।

এতেকে প্ৰকৃত কৃষকত বাহিৰেও সকলো শ্ৰেণী আৰু সকলো পৰ্যায়ৰ লোক একগোট হৈ নতুনকৈ নিৰ্ধাৰণ কৰা অতি উচ্চ হাৰৰ ৰাজহৰ বিপক্ষে প্ৰতিবাদ সাব্যস্ত কৰাৰ চেষ্টা কৰিছিল।

(ঘ) আমি পূৰ্বতে উল্লেখ কৰিছো যে পথৰুঘাটত ছহিদ হোৱা ১৪০ গৰাকী লোকৰ নাম আৰু পৰিয়াল এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই। যি ২৪ গৰাকীৰ নাম পোৱা হৈছে তেওঁলোকৰ বিষয়েও কিছুমান তথ্য পোৱা হোৱা নাই। আঘাত পাই জীয়াই থকাসকলেও সেই সময়ত ব্ৰিটিছ চৰকাৰৰ ভয়ত নিজৰ আঘাতৰ ঘটনাও গোপনে ৰাখিছিল।

এনেবোৰ বিষয়বস্তুৰ ওপৰত গভীৰ, বিস্তৃত আৰু বিজ্ঞানসন্মত অধ্যয়ন হ'লে ১৮৯৪ চনৰ পথৰুঘাটৰ ৰণ এটা বিশেষ ধৰণৰ গণ বিপ্লৱৰ শাৰীলৈ উত্তৰণ হোৱাৰ সম্ভাৱনা আছে। ●●

প্ৰবন্ধটো যুগুত কৰোঁতে সহায় কৰা ব্যক্তিসকলৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ঃ—

শ্ৰীসোণাৰাম ডেকা (প্ৰধান শিক্ষক, পৰীক্ষিত নাৰায়ণ মধ্য ইংৰাজী বিদ্যালয়) শ্ৰীকৰ্মেশ্বৰ ভূঞা, (পথৰুঘাট), শ্ৰীসংৰাম ডেকা (দীঘিৰপাৰ), শ্ৰীবিষ্ণু শৰ্মা (চক্ৰ বিষয়া, ছিপাঝাৰ), শ্ৰীঅম্বিকা চৰণ বড়া (মৌজাদাৰ, লোক্ৰাই মৌজা), মঃ আব্দুল মজিদ (তুৰাই গাঁও), শ্ৰীপ্ৰশান্ত বৰুৱা (সম্পাদক, মঙ্গল বাতৰি), মঃ মহচীন আলী শইকীয়া (কাননগো, পথৰুঘাট ৰাজহ চক্ৰ) আৰু সেই কাৰ্যালয়ৰ মণ্ডলসকল, শ্ৰীপ্ৰণৱ শৰ্মা, শ্ৰীইন্দ্ৰেশ্বৰ ৰাজবংশী, শ্ৰীহৰেশ্বৰ নাথ, শ্ৰীদণ্ডধৰ কলিতা, শ্ৰীচন্দ্ৰ কুমাৰ ভূঞা, শ্ৰীগোবিন্দ কলিতা, শ্ৰীবন্ধুৰাম শইকীয়া, ইন্‌ছেৰ আলী, নবিৰুদ্দিন আহমেদ, শ্ৰীৰূপামোহন নাথ, আখতাৰ আলী, ৰফিক হুছেইন, শ্ৰীদুৰ্গেশ্বৰ ডেকা, শ্ৰীঘনকান্ত কুমাৰ, শ্ৰীদণ্ডিৰাম শৰ্মা আৰু শ্ৰীগজেন্দ্ৰ নাথ।

*(লেখক মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰী অধ্যাপক তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি)*

## দলিপুৰাণৰ পদ

শত শত মানুহ মৰিল তাৰ সীমা নাই।
চোৱা ভাই খেদা খোৱা ৰাইজৰ বিলায়।।
কপালত পৰি আঠিয়াৰ দেৱী হ'ল তেজ।
কান্ধত গুলী পৰি মৰিল সৰু বাপু বেজ।।
হাতত পৰিল ৰতিৰামৰ ভাল হোৱা টান।
লোক্ৰেইগেঞাঁ হলিৰ চিঙি গৈলা কাণ।।
তপধন ডেকাৰ গুলী পৰি বাহিৰ হ'ল নাৰি।
বাগৰু কোচ পৰি আছে বাপ বাপ কৰি।।
কিনাৰামৰ হাতত পৰি বাহু গেল ফুটি।
সম্ভু কোচৰ আঁঠুত পৰি সিও পালা একজুতি।।
বাটৰুৱা ভিক্ষুক এজনে আছিল চাই।
বুকুত গুলী পৰি মৰিল হামকুৰি খায়।।
চাউলো গেল চৰুও গেল আৰু গেল চিৰা।
পেটত গুলী পৰি মৰিল বৰ লিকিৰা।।
কতৰ ভাঙিল হাত কতৰ ভাঙিল ভৰি।
কত ৰাইজ থাকিল অচেতন হৈ পৰি।।
কিমান গুলী পৰি কিমান মৰি যায়।
কতই হাঁহা-কান্দা কৰে তাৰ সীমা নাই।।
কতোই বোলে হায় হ'ল সদগতি।
এই বুলি লৰ মাৰেই কৰি আতিমুতি।।
যেন মতে দেখিলো তেনমতে লেখিলো।
দলি পুৰাণৰ কথা বিস্তাৰি কহিলো।।
ব্ৰাহ্মণ সজ্জনক মই কৰোঁ নমস্কাৰ।
সকলোবোৰে দোষ মোৰ ক্ষমিবা ইবাৰ।।
মধ্যস্থজনক লাগি মই বোলো প্ৰিয় বাণী।
নিন্দা নকৰিবা মোক অতি অল্প জানি।।
উচ্চকুলে জন্ম দিলা প্ৰভু-ভগৱান।
নাজানো ভাগৱত গাব ভাৰত পুৰাণ।।
কলিৰ পৰম ধৰ্ম্ম জানা হৰিৰ নাম।
পুৰাণৰ পদ ডাকি বোলা ৰাম ৰাম।। ❑



# পথৰুঘাটৰ ঐতিহাসিক সমল

॥ সুনীল কুমাৰ গোস্বামী ॥

বুৰঞ্জী অধ্যয়নৰ ক্ষেত্ৰত বা বুৰঞ্জী ৰচনাৰ বাবে সমল (Source Materials) বুলি ক'লে প্ৰথমেই মনলৈ আহে প্ৰত্নতাত্ত্বিক সমল অৰ্থাৎ ভাস্কৰ্যসমূহ। অৱশ্যে শিলৰ ব্যৱহাৰৰ আগতে মানুহে পোৰামাটি (terracota / Clay cults) ব্যৱহাৰ কৰা কথা আমাক হৰাপ্পা মহেঞ্জোদাৰোৰ চানেকীয়ে সোঁৱৰাব পাৰিছে। বৰ্তমান ইতিহাসবিদসকলে তামৰ ফলি, মুদ্ৰা, পুৰণি হাতে লিখা পুথি আদিক ইতিহাসৰ সমল বুলি স্বীকাৰ কৰিছে। "ইতি-ইহ-আস" ইয়াৰ অৰ্থ ভাবিলে — এনেকুৱা আছিল বুলি অতীত কাহিনী যিয়ে সোঁৱৰাব পাৰে সেয়ে ঐতিহাসিক সমল। অৱশ্যে আমি বুৰঞ্জীৰ সমল হিচাপে কিংবদন্তি (enachdotes / legend) সমূহকো ধৰি ল'ব পাৰো। এনে কিংবদন্তিৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত কিছু মতভেদ দেখা যায় যদিও প্ৰখ্যাত আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জীবিদ ড° হেৰম্বকান্ত বৰপূজাৰীদেৱে ১৯৯৫ চনত বহা Indian art History Congress ৰ নৱম বাৰ্ষিক গুৱাহাটী অধিবেশনত কিংবদন্তিক বুৰঞ্জীৰ সমল বুলি স্বীকাৰ কৰি গৈছিল। এইক্ষেত্ৰত 'কমলা কুঁৱৰী সাধু' বা 'দ্বিগজ' নদীৰ কথা প্ৰণিধানযোগ্য।

এতিয়া আহো পাথৰিঘাটৰ আঞ্চলিক বিস্তৃতি বা সীমালৈ। বৰ্তমান পাথৰিঘাট ৰাজহচক্ৰই আগুৰা ঠাইখিনি ধৰিলে বোধকৰো ইয়াৰ ঐতিহাসিক সীমা সংকুচিত হ'ব। সেইক্ষেত্ৰত আমি স্বৰ্গীয় নৰোত্তম দাসৰ দলিপুৰাণ খ্যাত অঞ্চল বা ইতিমধ্যে প্ৰকাশিত প্ৰবন্ধ, গ্ৰন্থ আদিত উল্লেখ থকা— সৰাবাৰী, বোনমাঝা, দুনী, সাৰেং, টেঙেৰা, মাহৰিপাৰা, হেঙালপাৰা, কেন্দুগুৰি, ৰইনাকুছি, শিংকুছি, বৰমপুৰ, খটৰা, ভেৰুৱা, দিপীলা, পাতিদৰং, বড়িচৌকা, জয়পাল, ব্যাসপাৰা, তুৰাই আদিক সামৰিহে মল সম্বন্ধে আলোচনা কৰা ভাল হ'ব।

প্ৰথমে আহো শিলা-ভাস্কৰ্য সম্পৰ্কে। প্ৰচুৰ পৰিমাণে এই সমলবিধ উপলব্ধ নহয় যদিও ব্যাসপাৰাৰ পাৰিজাত মন্দিৰৰ শিলৰ গাঠনি, ৰুদ্ৰেশ্বৰ আৰু তাম্ৰেশ্বৰ দেৱালয়ৰ শিলাখণ্ড, লক্ষীমপুৰৰ কামাখ্যা মঠৰ অষ্টদল পদ্ম আদিয়ে খ্ৰীঃ নৱম-দশম শতিকাৰ শাক্ত মত, বা মানৱ সংস্কৃতিৰ কথা সোঁৱৰাই দিব পাৰিছে। অৱশ্যে এই বৃহত্তৰ ছিপাঝাৰ অঞ্চলৰ মূৰ্তিসমূহৰ ধৰণ-কৰণ চাই ইয়াৰ কাল ষষ্ঠ / ৭ম শতিকা হ'ব পাৰে বুলি আমি মত আগবঢ়াইছিলো (মঙলদৈ মহাবিদ্যালয়ৰ স্মৃতিগ্ৰন্থ, সোণালী জয়ন্তী সংখ্যা)। ইয়াৰ বাদেও পাতিদৰঙৰ অৰ্দ্ধনাৰীশ্বৰৰ মূৰ্তি আৰু এই অঞ্চলৰ বিভিন্ন লোকৰ গৃহত থকা শিলাখণ্ডই আঞ্চলিক প্ৰাচীনতা আৰু বুৰঞ্জীৰ প্ৰামাণিকতাৰে কথা কয়।

ইয়াৰ পিছতে ক'ব পৰা যায় ৰুদ্ৰেশ্বৰ দেৱালয়ৰ দেবোত্তৰ ভূমিদানৰ বাবে দিয়া তামৰ ফলিখনৰ কথা। ১৭০৮ শকত গৌৰীনাথ সিংহই দিয়া ফলকখনে সেই সময়ৰ কিছু বাৰ্তা আমাক দিবলৈ সক্ষম হৈছে। উক্ত ফলকৰ আগতে মহাৰাজ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) দিয়া আন এখন ফলক আছিল বুলি জনা যায় যদিও বৰ্তমান নাই। পূৱৰ্বখনৰ প্ৰতিলিপি মাহৰিপাৰাৰ শ্ৰীযুত তাৰিণী শৰ্মাৰ ঘৰত আছে। এই ফলিত দিয়া মাটিৰ বিৱৰণে ভৌগোলিক পৰিচয়, (উত্তৰে সেকৰ পুখুৰী, দক্ষিণে শিমলু গোৰৰ পুখুৰী ইত্যাদি) মানুহৰ উল্লেখে পুৰণি সমাজ চিত্ৰক দাঙি ধৰে —"তুহান কাটা পাইক কলিতা - ১, কুমাৰ ভোকেলি - ১", ইত্যাদি। মুঠতে এনে ধৰণৰ তামৰ ফলক হয়তো গৱেষণামূলক অধ্যয়নৰ যোগে আৰু অন্য অঞ্চলতো পোৱা যাব পাৰে, যিটোৱে পাথৰিঘাটৰ অনেক লুপ্ত বতৰা দিবলৈ সক্ষম হ'ব।

তৃতীয়বিধ সমল হৈছে মুদ্ৰা। ৰাণী ভিক্ট'ৰিয়া, পঞ্চম জৰ্জ, সপ্তম এডৱাৰ্ডৰ মুদ্ৰাই যিদৰে ভাৰতত ইষ্ট ইণ্ডিয়া

কোম্পানী বা ব্ৰিটিছ শাসনৰ বতৰা দিয়ে তদ্ৰূপ এনে কিছু মন্দিৰ মুদ্ৰাও আছে (temple coins) যিয়ে সেই যুগৰ ধৰ্মচিন্তা বা শাসন পদ্ধতিৰ কথা কয়। তেনে আন এবিধ মুদ্ৰা বিগত ১৯৯২ চনত এই লেখকে নামখলাৰ চন্দ্ৰঝাৰৰ পৰা উদ্ধাৰ কৰিছিল। ইয়ো হয়তো পূৰ্বৰ পাথৰিঘাটৰ সমল হ'ব পাৰে। এই মুদ্ৰাকেইটাৰ শাসক আছিল নেপালৰ ৰজা "জয় মল্লদেৱ" আৰু "জয়ৰঞ্জিত মল্লদেৱ"। ই হৈছে উত্তৰ-পূব ভাৰতত উদ্ধাৰ হোৱা প্ৰথম নেপালী মুদ্ৰা। বুৰঞ্জী মতে জয়মল্লদেৱ কিছু কাল দেশান্তৰিত হৈ আছিল। হয়তো সেই সময়ত তেওঁ চন্দ্ৰ নামৰ কোনো প্ৰতিপত্তিশীল লোকৰ আশ্ৰয়ত আছিল নাইবা তেওঁৰ লগত বাণিজ্যিক সম্পৰ্ক ঘটিছিল। যাৰ ফলত এই মুদ্ৰাকেইটা চন্দ্ৰঝাৰত পোৱা হ'ল। আনহাতে এই চন্দ্ৰই কিজানি 'চান্দ্ৰ সদাগৰো' হ'ব পাৰে। কাৰণ অম্বাগাঁৱত বেউলাৰ বিয়াখলা থাকিব পাৰিলে নামখলাৰ ওচৰত চান্দ্ৰ সদাগৰৰ ঘৰ বা অস্থায়ী বাসস্থান থকাটো একো আচৰিত কথা হ'ব নোৱাৰে। প্ৰকাশযোগ্য যে যোৱা বছৰ আন এটি নাৰায়ণী মুদ্ৰাও ডিমাকুছিৰ পৰা উদ্ধাৰ কৰা হৈছে।

চতুৰ্থতে হাতেলিখা পুথি— ৰাম সৰস্বতী, ৰতিকান্ত দ্বিজ (ব্ৰহ্মবৈবৰ্ত পুৰাণ) আদি পণ্ডিতসকলৰ ৰচনাই সমল যোগোৱাৰ দৰে পীতাম্বৰ সিদ্ধান্ত বাগীশৰ (১৫২৫-১৬১৫) ১৮ খন কৌমুদী গ্ৰন্থই সেই যুগৰ সমাজ ব্যৱস্থাৰ এখন পৰিষ্কাৰ ছবি দাঙি ধৰিব পাৰিছে। লগতে পাণ্ডিত্যৰ ক্ষেত্ৰতো ভাৰতবৰ্ষত এখন সুকীয়া আসন দখল কৰিব পাৰিছে। তেনে দুখন পুথি "হস্তামলক" আৰু "সুবোধিনীটীকা" বৰ্তমান পথৰুঘাটৰ পৰা গৈ নলবাৰীৰ কামৰূপ সঞ্জিৱনী সভাতহে সংৰক্ষিত হৈ আছে। কোচ ৰজা চন্দ্ৰ নাৰায়ণে দিয়া (১৮৩৪ খ্ৰীঃ) খটৰা সত্ৰৰ 'বৰকাকত'খন আন এক উল্লেখযোগ্য সমল। যদিও ই এখন সত্ৰৰ সামগ্ৰীৰ হিচাব ৰখা দলিলহে তথাপি ইয়াৰ ঐতিহাসিক মূল্য বা গুৰুত্ব কম নহ'ব। তেনে এক উল্লেখযোগ্য প্ৰাচীন পুথি মাহৰিপাৰাৰ স্বৰ্গীয় পুৰন্দৰ শৰ্মাৰ ঘৰত থকা "শাক্তানন্দ তৰঙ্গিনী" (১৭ শতিকাৰ)। তাৰোপৰি সৰাবাৰীৰ শ্ৰীদুৰ্গাচৰণ ভট্টাচাৰ্যৰ ঘৰত থকা সাঁচিপাতৰ পুথি, দিপীলাৰ স্বৰ্গীয় কনক শৰ্মাৰ ঘৰত থকা পুথিসমূহো উল্লেখযোগ্য সমল। ইয়াৰ উপৰিও শুভনাথ দ্বিজৰ ধৰ্মসংবাদ, ধৰ্মনাৰায়ণৰ কথা, ভবানন্দ মিশ্ৰৰ গোবিন্দ চৰিত, সূৰ্যখড়িৰ দৰং ৰাজবংশীৱলীয়ে আকৌ সমকালীন শাসন আৰু সমাজৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে। আনহাতে এই পুথিসমূহে তৎকালীন মানুহৰ কৰ্মনিপুণতা, ধৈৰ্য আদিৰ পৰিচয় বহন কৰে।

শেষত জনশ্ৰুতি বা কিংবদন্তিৰ আশ্ৰয়লৈ আহিলে দেখা যায় — কোনো কোনোৰ মতে পুৰন্দৰ পালৰ দিনত সম্বৎসৰ ভূএগক আৰু কোনোৰ মতে ধৰ্মনাৰায়ণে পাতিদৰঙৰ কোনো ব্ৰাহ্মণক (ব্ৰহ্মজ্যোতি, সোণালী জয়ন্তী সংখ্যা) মাটি দান কৰিছিল, এটা চুক্তি মতে। দুটা হাতীয়ে দিনটো ঘূৰি যিমান ঠাই আগুৰিব পাৰে সিমান পৰিমাণৰ মাটি তেওঁক দিয়া হ'ব। সেইমতে ব্ৰাহ্মণ ভূএগই হাতী আৰু মাউতক পঠিয়াই দিলে। ইপিনে মাউতে দুপৰীয়া অলপ জিৰাই পূৰ্বৰ বুঢ়ানদীত (Tregedy of Patharughat- M. Abid Ali) হাতীক গা-ধুৱাই থাকোতে বেলি লহিয়ালে। উক্ত কাৰ্য দেখি ব্ৰাহ্মণে ব্ৰহ্মশাপ দি নদীখন মৰা নদীত পৰিণত কৰাৰ উপৰিও মাউতে সহিতে দুয়োটা হাতীক নদীত বুৰ নিয়াইছিল। সেয়ে পিছলৈ উক্ত দ্বি-(দুটা) গজ-(হাতী) এইৰূপে নদীৰ নাম দ্বিগজ হ'ল। ইয়ে বৰ্তমানৰ পাথৰিঘাটৰ মধ্যমণি। এইবিলাকৰো হয়তো গৱেষণালব্ধ চৰ্চাই আৰু অধিক তথ্য দিব পাৰিব। আনহাতে পথৰুঘাট শব্দটো সম্ভৱতঃ পথৰুৱাঘাট-পথৰুঘাট এনেদৰে হৈছে। অন্যথা 'দলিপুৰাণ' খ্যাত 'পথৰুশ্বেখ' বা পথৰু হীৰা'ৰ মানুহ পাৰ কৰা ঘাট, এতেকে পথৰুৰঘাট-পথৰুঘাট এনেও হ'ব পাৰে। অন্যহাতে ইয়াৰ ওচৰৰে 'মাননি খড়া' ইও কিছু সম্ভেদ নিশ্চয় দিব পাৰিব। যাহওঁক উক্ত কাহিনীৰ দৰেই শিয়ালা বৈষ্ণৱ বা সম্বৎসৰ ভূএগ, কমলা কুঁৱৰীৰ কথা, দীঘিৰ পুখুৰী আদিয়ে নিশ্চয় ইতিহাসৰ সমল যোগাব। মাথোঁ লাগে আমাৰ ঐকান্তিক চেষ্টা আৰু - যুৱ প্ৰজন্মৰ একাগ্ৰতা।

এনেহেন অসংখ্য সমল বিজড়িত পথৰুঘাটৰ ৰণ ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে ইয়াতেই সংঘটিত হৈছিল। ৰঙিয়াৰ বিদ্ৰোহ ৰাইজমেল, ফুলগুৰিৰ ধেঁৱা, লাচিমা আদিৰ বিদ্ৰোহ সমসাময়িক আছিল। যিটোৰ আলমত ১৯৩৬ চনত ৰামমনোহৰ লোহিয়াৰ নেতৃত্বত সদৌ ভাৰত কৃষক সভাৰ জন্ম হোৱা বুলি ক'লে ভুল কৰা নহ'ব। কিন্তু দুখৰ বিষয় হিতেশ্বৰ বৰবৰুৱাৰ অসম বুৰঞ্জীৰ বাদে (ডʼনগেন্দ্ৰ নাথ শৰ্মা) ভাৰতবৰ্ষৰ কোনো বুৰঞ্জীতে আজিলৈ ই মান ডাঙৰ ঐতিহ্যমণ্ডিত ঘটনা এটিৰ উল্লেখ নহ'ল। এয়াও আমাৰ বুৰঞ্জীৰ প্ৰতি থকা অৱহেলাই নহয় জানো? যিটো বিদ্যা আহোমসকলে সৌ তাহানিতে আমাক দেখুৱাইছিল। হয়তো অসমৰ ৰাজ্যপাল এস্ কে. সিনহাদেৱে অসমৰ জাতীয় বীৰ লাচিত বৰফুকনক বিশ্বৰ দৰবাৰত চিনাকী কৰাৰ দৰে কোনোবা অনা-অসমীয়া মানুহেহে পথৰুঘাটৰ স্বাধীনতা বিদ্ৰোহক বিশ্ববাসীৰ আগত দাঙি ধৰিব লাগিব। ই এক ঐতিহাসিক অমূল্য সমল। উত্তৰপুৰুষে গৱেষণাৰ যোগে ইয়াৰ উচিত মূল্য দিব পাৰে।

এই পথৰুঘাটতেই অন্য এক বিৰল নিদৰ্শনো আমি দেখিবলৈ পাওঁ; য'ত আছে পথৰু শ্বেখ তাত আছে পথৰু হীৰা, দুমহু শৰ্মা বা দুভগু শ্বেখ, প্ৰতিমা খাতুন বা প্ৰতিমা দেৱী ইত্যাদি। অন্যহাতে তুৰাইৰ ভোটাৰ তালিকাত এটি নাম আছে 'মোহেশ্বৰী শ্বেখানী: (এম. আবিদ আলি)। মাৰৈৰ পৰশু ওজা আৰু তুৰাইৰ কৰিম আতৈয়ে ওজাপালি প্ৰদৰ্শন কৰা আদিও ঐতিহাসিক সমল হ'ব পাৰে। প্ৰসঙ্গতঃ উল্লেখযোগ্য মুছলিমঘোপাত থকা মছজিদটোৱেই হৈছে দৰঙৰ আটাইতকৈ পুৰণি মছজিদ। য'ত আজি কিছু বছৰ আগলৈ হিন্দু প্ৰথা মতে নাম প্ৰসঙ্গ কৰা হৈছিল। সঁচাই অপূৰ্ব এই পথৰুঘাটৰ হিন্দু-মুছলমানৰ সমনন্বয়ৰ ঐতিহাসিক নজিৰ। আৰু অধিক গৱেষণাৰ যোগে বুৰঞ্জীৰ নেমেলা পাত মেলিব পৰা যাব।●●

---

*(লেখক সংগ্ৰহালয় সঞ্চালকালয়, অসমৰ অৱসৰী সহঃ সঞ্চালক)*





# পথৰুঘাটৰ অম্লান ঐতিহ্য

**॥ হৰেণ ডেকা ॥**

১৮৯৪ চনৰ কৃষক বিদ্ৰোহ 'পথৰুঘাটৰ ৰণ' অসম বুৰঞ্জীৰ এটি তেজোদ্দীপ্ত ঘটনা। শোষণ আৰু বঞ্চনাৰ জীৱন্ত দলিল, অমলিন ত্যাগ আৰু দুৰন্ত সাহসৰ প্ৰতিভূ 'পথৰুঘাটৰ ৰণ' সমন্বয়ৰো এক জলন্ত নিদৰ্শন। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ফেঁহুজালি ১৮৯৪ চনৰ কৃষক বিদ্ৰোহ পথৰুঘাটৰ ৰণৰ তেজোদ্দীপ্ত আভাই আজিও অসম তথা ভাৰতৰ আকাশ আলোকিত কৰি ৰাখিছে। অসমৰ 'জালিয়ানৱালাবাগ' ৰূপে খ্যাত 'পথৰুঘাটৰ ৰণ' ৰ সংগ্ৰামী সত্বা আৰু আদৰ্শৰ ঐতিহাসিক আৰু সমাজতাত্বিক মূল্যায়ন আজি শতবৰ্ষ অতিক্ৰম কৰাৰ পিছতো যথাযথ হোৱা নাই বুলি আক্ষেপ কৰাৰ থল আছে। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত ইংৰাজ চৰকাৰৰ শোষণ-নিষ্পেষণৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি কৰা বিদ্ৰোহৰ ফলস্বৰূপে 'সাতোকুৰি' স্বাধীনচিতীয়া দৰঙীয়া হিন্দু-মুছলিম কৃষক বীৰ ব্ৰিটিছ চিপাহীৰ গুলী খাই মৃত্যুবৰণ কৰা শ্বহীদসকলৰ আত্মত্যাগৰ কাহিনী বিশ্বৰ বুৰঞ্জীতে অনুপম ঘটনা।

এনে শৌৰ্য-বীৰ্য স্বৰ্ণ খচিত সাঁচিপাত আৰু জাতীয় চেতনাৰ স্ৰোত 'পথৰুঘাটৰ ৰণ' ৰ উৎস আছিল পৰৰাজ্য লোলুপ ব্ৰিটিছৰ দমন নীতি। স্মৰ্তব্য যে, ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুযায়ী ছশবছৰীয়া আহোম ৰাজ্য ব্ৰিটিছৰ হাতলৈ যোৱাৰ লগে লগে দৰঙী কোঁৱৰসকলৰো ৰাজস্বত্ব ব্ৰিটিছৰ হাতলৈ যায়। শাসনৰ গাদীত বহিয়েই ব্ৰিটিছ চৰকাৰে ভূমি সংস্কাৰত হাত দিয়ে। প্ৰতি দহ বছৰৰ মূৰে মূৰে মাটিৰ খাজানা বৃদ্ধি কৰি খাটি খোৱা শান্তিপ্ৰিয় দৰঙী প্ৰজাৰ ওপৰত অত্যাধিক কৰৰ বোজা জাপি দিছিল। স্বৰূপাৰ্থত পূৰ্বৰ স্বাধীনতা প্ৰিয় দৰঙী প্ৰজাই ব্ৰিটিছৰ শোষণ নীতিৰ তলি পাবলৈ বেছিপৰ নালাগিল। ইয়াৰ কিছুদিন পিছত ১৮৬৮ চনত বৰ্দ্ধিত খাজানাৰ বিৰুদ্ধে ৰাইজমেল আহ্বান কৰি দৰঙী প্ৰজাই পথৰুঘাটত বৰ্ধিত খাজনাৰ প্ৰতিবাদত বিদ্ৰোহৰ সূচনাৰ সিদ্ধান্ত ল'লে। ডাঁৱৰ বাতৰি ডাঁৱে ৰখা পৰৰাজ্যভোগী ব্ৰিটিছৰ তদানীন্তন ডেপুটি কমিছনাৰ, মহকুমাধিপতি আৰু পুলিচ বিষয়া আহি পথৰুঘাটৰ ৰাইজৰ ওজৰ আপত্তি শুনিলেহি। ৰাইজৰ ওজৰ আপত্তি তেওঁলোকে মানিবলৈ টান পোৱাত পথৰুঘটীয়া কৃষক ৰাইজ জাঙুৰ খাই উঠিল। উত্তেজিত ৰাইজে তিনি বিষয়াৰ ফালে চোঁচা ল'লে। প্ৰাণৰ মমতাত ডাক বঙলাত সোমাই সেইবাৰলৈ কোনোমতে সাৰিল। উত্তেজিত দৰঙীয়া প্ৰজাৰ ক্ষোভৰ পৰা সেইবেলি ৰক্ষা পৰিল যদিও ব্ৰিটিছ বিৰোধী ঘৃণাৰ ভাৱ ক্ৰমশঃ বৃদ্ধি পাই আহিল। দৰঙী প্ৰজাই গাঁৱে-গাঁৱে, সকামে-নিকামে, বিয়াই-সবাহে, নামঘৰ-মজজিদে ব্ৰিটিছ বিৰোধী ভাৱাদৰ্শ প্ৰচাৰ কৰি প্ৰৱল জনমত গঠনৰ চেষ্টা চলাই থাকিল। ইফালে পুনৰবাৰ যেতিয়া

১৮৯২-৯৩ চনত পাঁচ টকীয়া নিৰিখত খাজানা আদায়ৰ হুকুম আহিল, তেতিয়া পূৰ্বৰে পৰা অতীষ্ঠ হৈ থকা স্বাধীনচিতীয়া আৰু বাঘৰ আগতেল খোৱা পথৰুঘটীয়া কৃষক ৰাইজ অধিক ভাৱে জাঙুৰ খাই উঠিল। ইফালে ব্ৰিটিছৰ শোষণ আৰু নিষ্পেষণত পৰি ক্ৰমশঃভাৱে আৰ্থসামাজিক ভাৱে দুৰ্বল হৈ আহিবলৈ ধৰা দৰঙী প্ৰজাৰ ওপৰত অত্যাধিক কৰৰ বোজা জাপি দিয়া হ'ল পূৰ্বৰে পৰা উমি উমি জলি থকা ক্ষোভৰ তুঁহ জুইকুৰা ভম্‌ক কৰি জ্বলি উঠিল। 'দুতিৰাম বামুণ'ৰ লেখীয়া সমাজৰ বৰমূৰীয়া লোকসকলে চিঠি লিখি ৰাইজক জনাই দিলে যে মঙলবাৰে পথৰুঘাটত ৰাইজমেল বহিব আৰু ইংৰাজ চৰকাৰৰ খাজনা বৃদ্ধিৰ মুকলি ভাৱে প্ৰতিবাদ জনোৱা হ'ব। ৰাইজৰ স্পষ্ট কথা 'নাঙল যাৰ মাটি তাৰ'। 'পাঁচ সিকীয়া খাজানাকে দিবাৰ উপাই নাই, এহিবুলি ৰাইজে ওজৰ কৰে যায়।' তহচিলদাৰ ভবানী চৰণ ভট্টাচাৰ্যই ৰাইজক বুজাই বঢ়াই ২৮ জানুৱাৰীৰ দিনা পথৰৰুঘাটলৈ আহিবলৈ ক'লে; কাৰণ সেইদিনা পথৰুঘাটলৈ ডেপুটি কমিচনাৰ মিঃ এণ্ডাৰছন, মহকুমাধিপতি মিঃ ৰেমচন আৰু পুলিচ বিষয়া বেৰিংটন আহিব। কথামতে কাম। ২৮ জানুৱাৰীৰ দিনা পথৰুঘাট তহচিলত কৃষক ৰাইজ আহি বৰ্দ্ধিত খাজানাৰ বিৰুদ্ধে ওজৰ আপত্তি জনালে। পথৰুঘাট তহচিলৰ পাৰ্শ্ববৰ্ত্তী গাঁও বৰাবাৰী, ব্যাসপাৰা, বানেইকুছি, তৰাগাঁও, আমচকলি, ডাঁহী, ক'লাঝাৰ, সৰাবাৰী, নগাওঁ, পাতিদৰং, লোক্ৰাই, লোজোৰা, খটৰা, দিপীলা, আলিখাপাৰা, বৰমপুৰ শিলেইকুছি আদিৰ কৃষক ৰাইজ মিলিত হৈ হৰিধ্বনি আৰু আল্লাহু আকবৰ ধ্বনিৰে পথৰুঘাটৰ আকাশ-বতাহ মুখৰিত কৰি তুলিলে। ৰাইজৰ আপত্তি শুনিবলৈ বিষয়াসকলৰ সময়ৰ আহৰিয়েই নাই। কলাজেৰীয়া মানিকে সাহসেৰে আগবাঢ়ি গৈ ক'লে- বোলে হুজুৰ খাজনা দিবা নৰো। ৰাইজৰ ওজৰ আপত্তি চৰকাৰৰ তিনি বিষয়াই কৰ্ণপাত কৰা নাই। মহাৰাণীৰ আজ্ঞা বৰ্দ্ধিত হাৰতেই খাজনা আদায় দিব লাগিব। চাহাবৰ কথা শুনি উত্তেজিত ৰাইজৰ ধৈৰ্যৰ বান্ধ সুলকিল। উত্তেজিত ৰাইজে য'তে যি পালে তাৰেই চাহাবক আক্ৰমণ কৰিবলৈ উদ্যত হ'ল। বাঘৰ আগতেল খোৱা স্বভাৱৰ দৰঙী প্ৰজা- 'ৰঙাই মাৰেই দ'লচপৰা লয়নে মাৰেই খৰি। ফৰ্বেত পৰি চাহাবৰ টুপী গেল পৰি।' কথা বিষম দেখি জিলাধিপতি এণ্ডাৰছনে 'ফায়াৰ' বুলি গুলী চলোৱাৰ নিৰ্দ্দেশ দিলে। চাহাবৰ আদেশ পাই চাহাবৰ সতে অহা ইংৰাজ চিপাহীয়ে নিৰীহ প্ৰজাৰ ওপৰত ৰাং কুকুৰৰ দৰে জপিয়াই পৰিল। নৰোত্তম ভণিত 'দলিপুৰাণ'ত ইয়াৰ জীৱন্ত বৰ্ণনা এনেধৰণৰ- 'প্ৰলয় কালত যেন সৃষ্টিক নাশিলা। সেহিমতে পথৰুঘাটত প্ৰজাক বধিলা।' দলি পুৰাণৰ ৰণৰ বৰ্ণনা অত্যন্ত মৰ্মান্তিক। এই ৰণত ১৪০ গৰাকী হিন্দু-মুছলমান কৃষক বীৰ মাতৃভূমিৰ বাবে শ্বহীদ হৈছিল। ১০০ গৰাকীমানে গুলী খাই কাললৈকে ঘূণীয়া হৈছিল বুলি দীনেশ্বৰ শৰ্মাৰ বুৰঞ্জী 'পথৰুঘাটৰ ৰণ'ত প্ৰকাশ। বুৰঞ্জীবিদ গৰাকীয়ে উল্লেখ কৰা মতে-'যি সকলক হস্পিতেলত চিকিৎসাধীন কৰি ৰখা হৈছিল, সেই সকলক আৰোগ্য হোৱাৰ পিছত জেইলত দি ২/৩ মাহ ৰাখি ৬০/৭০ টকা জৰিমনা কৰি এৰি দিছিল।' স্মৰ্তব্য যে, ৰণত মৃত্যুবৰণ কৰা 'সাতোকুৰি' হিন্দু-মুছলমান কৃষকবীৰক একেটা গাঁততে সমাধিস্থ কৰা হৈছিল। সম্প্ৰতি শ্বহীদৰ সমাধিস্থানত মাৰ্বল পাথৰৰ দৃষ্টিনন্দন সমাধিস্তম্ভ, স্মৃতি উদ্যান আৰু কৃষক শ্বহীদ প্ৰকল্প স্থাপন কৰা হৈছে যদিও স্বকীয় আৰু স্বমহিমামণ্ডিত হ'বলৈ এতিয়াও বহু কাম বাকী।

মাটি আৰু মানুহৰ মায়াত বন্দী দুৰ্জেয় সাহসী দৰঙীয়া কৃষক শ্বহীদসকলৰ আত্মত্যাগৰ কাহিনী 'পথৰুঘাটৰ ৰণ'ত যিধৰণে গুৰুত্ব পাব লাগিছিল ঠিক তেনেদৰে গুৰুত্ব নাপালে। বুৰঞ্জীত উপেক্ষিত হৈ ৰ'ল ভাৰতৰ প্ৰথম স্বাধীনতা ৰণ পথৰুঘাটৰ কৃষক বিদ্ৰোহ। ইয়াৰ বাবে দায়ী তদানীন্তন অসমৰ বুদ্ধিজীৱী আৰু বিদ্বৎ সমাজ। সময়মতে আলোচিত হ'লে ভাৰত বুৰঞ্জীতে নহয়



বিশ্ব বুৰঞ্জীতে এক বিৰল ঘটনাৰূপে ৰঞ্জিত হ'লহেঁতেন সন্দেহ নাই, 'পথৰুঘাটৰ ৰণ'ৰ প্ৰামাণ্য দলিল দলিপুৰাণ (প্ৰসন্ন কুমাৰ শৰ্মা সম্পাদিত, ১৯৪৮) আৰু দীনেশ্বৰ শৰ্মাৰ 'পথৰুঘাট ৰণ'ৰ বুৰঞ্জী (১৯৫৭)। উল্লেখ্য যে, ১৯৫৩ চনত 'প্ৰবাহ' নামৰ সৰু প্ৰগতিশীল আলোচনীত পথৰুঘাট ৰণৰ প্ৰায় ঊন্‌ষাঠি বছৰ পিছতহে প্ৰথমবাৰৰ বাবে কৃষক বিদ্ৰোহৰ বিশ্লেষণাত্মক আলোচনা প্ৰকাশ হৈছিল। সুখৰ কথা যে, সম্প্ৰতি অসমৰ বিশিষ্ট বুদ্ধিজীৱীৰূপে খ্যাত ড° হীৰেণ গোহাঁই, ড° অমলেন্দু গুহ, ড° ৰমেশ চন্দ্ৰ কলিতা, লক্ষ্মীনাথ তামুলী, অনিল ৰায় চৌধুৰী, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কনকসেন ডেকা, মঃ তাহেৰ, ড° অতুল শৰ্মা, ড° পৰমানন্দ ৰাজবংশী, ড° ৰামচন্দ্ৰ ডেকা, ড° প্ৰসন্ন কুমাৰ নাথ, কমলাকান্ত ডেকা, অখিল ৰঞ্জন ভট্ট, ড° কনক চন্দ্ৰ চহৰীয়া আদি লেখকে 'পথৰুঘাট ৰণ'ৰ ঐতিহাসিক আৰু সমাজতাত্ত্বিক বিশ্লেষণ আগবঢ়াই বিদ্বৎ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে।

ইতিমধ্যে দৰঙৰ ভালেকেইগৰাকী সুসন্তানৰ পথৰুঘাটৰ ৰণৰ কাহিনীকেন্দ্ৰিক সৃষ্টি কৰ্মই কলাৰসিক পাঠকক চিন্তাৰ খোৰাক দিবলৈ সক্ষম হৈছে। ভালেমান গৱেষক, নাট্যকাৰ আৰু কাব্যকাৰে তেওঁলোকৰ সৃষ্টিকৰ্মৰ উৎস হিচাবে গ্ৰহণ কৰিছে নৰোত্তম ভণিত দলিপুৰাণ আৰু দীনেশ্বৰ শৰ্মাৰ পথৰুঘাটৰ ৰণৰ বুৰঞ্জী। ইয়াৰে ভিতৰত লক্ষ্মী নাৰায়ণ কোঁৱৰৰ নাটক পথৰুঘাটৰ ৰণ (১৯৭৩) দেবেশ শৰ্মাৰ নাটক ১৮৯৪ (১৯৮৪)। দেবেশ শৰ্মাৰ এই নাটকৰ আৰ্হিতে পৰৱৰ্তী কালত গুৱাহাটী দূৰদৰ্শন যোগে ৰাজেন ৰাজখোৱাৰ দ্বাৰা পৰিচালিত ধাৰাবাহিক 'পথৰুঘাটে ৰিঙিয়াই' (১৯৯৩) নিৰ্মাণ হয়। ডাঃ এম আবিদ আলিৰ ট্ৰেজেদি অৱ পাথৰিঘাট (১৯৮৫), ড° পৰমানন্দ ৰাজবংশীৰ বহুল সমাদৃত আলোচিত নাটক 'নাঙল মাটি আৰু মানুহ' (১৯৮৯) কথাছবি 'অনল' (মুক্তিলাভ ২০০১); সাহিত্যিক গজেন্দ্ৰ নাথ চহৰীয়াৰ কাব্য পথৰুঘাটৰ ৰণ (১৯৮৭), প্ৰফুল্ল বৰুৱাৰ পথৰুঘাটৰ আধা লেখা দস্তাবেজ (১৯৯৮) ৰাজেন ডেকাৰ দ্বিগজৰ পাৰে পাৰে (উপন্যাস, ফিৰিঙতিত প্ৰকাশিত), মুক্তাৰাম বৰুৱাৰ ওজাপালিসুৰত ৰচিত 'পথৰুঘাটৰ ৰণৰ কাহিনী গীত', নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাটৰ দ্বাৰা প্ৰকাশিত কমলাকান্ত ডেকা সম্পাদিত গ্ৰন্থ 'ইতিহাসে গৰকা পথৰুঘাট' (২০০৪), 'ঊনবিশ শতিকাৰ কৃষক বিদ্ৰোহ প্ৰসঙ্গ পথৰুঘাটৰ ৰণ' (২০০৭), আৰাধনা গোস্বামীৰ উপন্যাস 'নেপথ্য সংগীত' (২০০৯) আদি সৃষ্টি কৰ্মত 'পথৰুঘাটৰ ৰণ'ৰ ঐতিহাসিক, সমাজতাত্ত্বিক আৰু সম্প্ৰীতিৰ তুলনামূলক বিশ্লেষণ উন্মোচিত হৈছে। এনেবোৰ সৃষ্টি কৰ্মৰ বাহিৰেও কবিতাৰে প্ৰেৰণাৰ প্ৰতীক পথৰুঘাটৰ ৰণক বান্ধি ৰাখিছে খৰিকাজাঁই কবি ভবানন্দ ৰাজখোৱা, ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা, ফজলুল কৰিম, কেশৱ মহন্ত, সুভাষ মহন্ত, ৰমেন্দ্ৰ নাৰায়ণ জোৱাদ্দাৰ, হবিবৰ ৰহমান, কৌস্তুভমণি শইকীয়া, হেমচন্দ্ৰ ডেকা আদি ভালেমান কবিয়ে। দেৰিকৈ হ'লেও অসমৰ কবি, সাহিত্যিক, নাট্যকাৰ আৰু বুদ্ধিজীৱী সকলে 'পথৰুঘাটৰ ৰণ' অমৰ শ্বহীদসকলৰ আত্মত্যাগ, সংগ্ৰামীসত্তা আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বিষয়ে আলোকপাত কৰি 'পথৰুঘাটৰ ৰণ'ক যি মাত্ৰা দান কৰিছে সেয়া অনস্বীকাৰ্য আৰু বৰণীয় কাৰ্য ৰূপে সদায়েই স্মৰণীয় হৈ থাকিব। জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ থকা চিন্তা নায়কসকলৰ চিন্তাত সৃষ্টি হোৱা সৃষ্টি কৰ্মসমূহে নিৰন্তৰকাল আলোকিত কৰিব সাহস আৰু জাতীয় চেতনাৰ আমোঘবাণী। স্বীকাৰ কৰিব লাগিব যে, অসমৰ জনজীৱনত 'পথৰুঘাটৰ ৰণ' এক প্ৰেৰণাৰ প্ৰতীক আৰু নজহা-নপমা সমন্বয়- সাহসৰ ৰঙা সূৰ্য। 'পথৰুঘাটৰ ৰণ' যেন কোনো কালে শেষ নোহোৱা এটি জীৱন মুগ্ধ-মালিতা...। ●●

*(লেখক ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা এগৰাকী জ্যেষ্ঠ সাংবাদিক)*

# Peasants Uprising of 1894
# A Neglected Part of Indian History

II Dr. Amulya Kalita II

